ডিছেম্বৰ ২০০০ Rs. 10/-

চান্দমামা

CHANDAMAMA

IS GOING PLACES

You have read Vetala stories in Chandamama for the last 53 years

Now you can see

Vetala on the Net

And many more goodies from Chandamama

Visit

www.schoolnetindia.com

চান্দমামা

বৰ্ষ : ২৭ ডিচেম্বৰ ২০০০ সংখ্যা - ১২

এই সংখ্যাত আছে

সাধু

পুণ্য দান (বেতাল কথা)	পৃষ্ঠা ০৯
শাশুআৰু বোৱাৰীৰ প্ৰশংসা	পৃষ্ঠা ১৬
এটকাৰ সমস্যা	পৃষ্ঠা ৩০
বন্ধুত্বৰ পৰা লাভ	পৃষ্ঠা ৩৪
তেলপেৰাৰ বলধ	পৃষ্ঠা ৩৫
কষ্ট	পৃষ্ঠা ৩৮
ৰংগাৰ কাহিনী	পৃষ্ঠা ৩৯
যাদুকৰৰ ইচ্ছা	পৃষ্ঠা ৪৩
বিবাহ সমস্যা	পৃষ্ঠা ৫২
চোৰ ডকাইতৰ ভয়	পৃষ্ঠা ৬১
দেহৰক্ষী	পৃষ্ঠা ৬২
বঁটা - বেমাৰ	পৃষ্ঠা ৬৫

জ্ঞানপ্ৰদ ধাৰাবাহিক

স্বৰ্ণ সিংহাসন - ১১	পৃষ্ঠা ১৯

পুৰণি ধাৰাবাহিক

মহাভাৰত- ৫৭	পৃষ্ঠা ৪৫

ঐতিহাসিক ঘটনাবোৰ

ভাৰত কথা	পৃষ্ঠা ২৬
পৰোপকাৰী সমীৰ	পৃষ্ঠা ৫৬

বিশেষ আলোচনা

সংবাদ শিৰোনামাত শিশু	পৃষ্ঠা ০৬
এই মাহত যাৰ জন্ম	পৃষ্ঠা ১৫
সৃজনাত্মক প্ৰতিযোগিতা	পৃষ্ঠা ৩৩
ভাৰত আবিস্কাৰ প্ৰশ্নাৱলী	পৃষ্ঠা ৫৫
ফটো নামকৰণ প্ৰতিযোগিতা	পৃষ্ঠা ৬৬

12.12.2000

এই মাহৰ বিশেষ আকৰ্ষণ

পুণ্য দান (বেতাল কথা)

ৰংগাৰ কাহিনী

দেহৰক্ষী

ভাৰত কথা

Printed and Published by B. Viswanatha Reddi at B.N.K Press Pvt. Ltd., Chennai–600 026 on behalf of Chandamama India Limited, No.82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097. Editor: Viswam

সৰ্বোত্তম

উপহাৰ

আপুনি আপোনাৰ প্ৰবাসী আত্মীয় স্বজনৰ কাৰণে ভাবিব পাৰে

চান্দমামা

তেওঁলোকক নিজৰ পছন্দৰ যিকোনো এটা ভাষাৰ পত্ৰিকা দিয়ক

অসমীয়া, বঙালী, ইংৰাজী, গুজৰাঠী, হিন্দী, কানাড়ী মালয়ালম মাৰাঠী, উড়িয়া, সংস্কৃত তামিল আৰু তেলেগু

ঘৰৰ পৰা বহু দৰত থকা জনকো ঘৰৰ স্নেহ অনুভব কৰিব দিয়ক

মূল্য

বিমান ডাক যোগে পৃথিবীৰ সকলো ঠাইতে
বাৰটা সংখ্যা ৯০০ টকা

ভাৰতৰ ভিতৰত সাধাৰণ ডাকত
বাৰটা সংখ্যা ১২০ টকা

ডিমাণ্ড ড্ৰাফট্ বা মনি আৰ্ডাৰ পঠোৱাৰ ঠিকানা
'চান্দমামা ইণ্ডিয়া লিমিটেড'

PUBLICATION DIVISION
CHANDAMAMA INDIA LIMITED
New 82 (Old 92), Defence Officers Colony, Ekkatuthangal,Chennai - 600 097.

সম্পাদক
বিশ্বম

প্ৰধান কাৰ্য্যালয়
চাঁদমামা ম্যাগাজিন ডিভিশন
নতুন নম্বৰ ৮২
(পুৰাতন ৯২),
ডিফেন্স অফিসৰ্স কলোনী,
একাডুথাঙ্গাল,
চেন্নাই - ৬০০ ০৯৭.
ফোন :২৩৪ ৭৩৮৪/
২৩৪ ৭৩৯৯
ফেক্স :২৩৪ ৭৩৮৪
e-mail :
chandamama@vsnl.com

For USA
Single copy $2
Annual subscription $20
Mail remittances to
INDIA ABROAD
43 West 24th Street
New York, NY 10010
Tel: (212) 929-1727
Fax (212) 627-9503

The stories, articles and designs contained in this issue are the exclusive property of the Publishers and copying or adapting them in any manner/ medium will be dealt with according to law.

আমাৰ পৰবৰ্ত্তি আকৰ্ষণটো হোল মিলেনিয়াম প্ৰবাহ । যিয়াৰ বিশেষত্বটো হোল ভাৰত অৰ্ধ শতাব্দীৰ আগতে আৰু অৰ্ধ শতাব্দীৰ পিছত । তোমালোকে এই কিতাপখন নষ্ট ন কৰি থই দিবা । এই অভিসন্ধিখন হোল ২০০১ চনৰ অতিৰিক্ত আকৰ্ষণ একান্তভাবে চাঁদাদিয়াৰ নিমিত্তে। সুতৰাং এই সময়টো হোল নিয়মিত চাঁদা দিয়াৰ । বেগাবেগী কৰি প্ৰতিশোধ কৰা মানি অৰ্ডাৰ অথবা ব্যাঙ্ক ড্ৰাফ্টৰ দ্বাৰা ।

সংস্থাপক

বি. নাগি ৰেড্ডি আৰু চক্ৰপাণি

বিদায়কালীন এই বছৰটো

নানা পয়োভৰ আৰু হৈ-হাল্লাৰ মাজেৰে আৰম্ভ হোৱা ২০০০চনটো শেষ হৈ আহিল। বহুতে কব খোজে এই বছৰটো ২১ শ শতিকাৰ আৰু এটা নতুন সহস্ৰাব্দৰ আৰম্ভণি। আন কিছুমানে আকৌ বেলেগকৈ কয়। তেওঁলোকৰ মতে ২০০১ চনতহে নতুন শতিকা আৰু নতুন সহস্ৰাব্দ আৰম্ভ হব।

এতিয়া ২০০০ চন শেষ হ'ল, গতিকে অহা বছৰটো এটা নতুন যুগৰ সূচনাৰ বছৰ হিচাবে বুৰঞ্জীত ইয়াৰ গুৰুত্ব নথকাৰ কাৰণ নাই। এই নতুন শতিকা বা সহস্ৰাব্দক স্বাগতম জনোৱাৰ উদ্যমৰ আঁৰত কিবা সুখৰ কথাও আছে। সেয়া হ'ল এখন নতুন বিশ্ব, এটা নতুন যুগ আৰু নতুন সময়ৰ বাবে আশা।

পৰিহাসটো ইয়াৰ ভিতৰতে আছে, সময় ভালো নহয় বেয়াও নহয়। সময়ৰ কোনো বয়স নাই সময় মাত্ৰ ২০০০ বছৰ পুৰণি নহয়। কোনোৱে সময়ৰ বয়স হিচাপ কৰিব নোৱাৰে। আমি মানুহবোৰে আমাৰ সিদ্ধান্ত অনুসৰি ইয়াক নিৰুপণ কৰো। এই নতুন শতিকা বা সহস্ৰাব্দটো আমাৰ বাবে নিজে ভাল বা বেয়া হৈ অহা নাই। এই সকলোবোৰ নিৰ্ভৰ কৰিব আমি ইয়াক কেনেদৰে পালন কৰো।

এটা নতুন শতিকাৰ আৰম্ভণিত আমাৰ অনুভূতিত কিছু উত্তেজনা থকা স্বাভাৱিক, যেতিয়ালৈকে ব্যক্তিগতভাবে আমি ইয়াত আমাৰ ভালখিনি অৰিহনা যোগাব খোজো।

সেয়েহে আমি এতিয়া কি কৰিম। যোৱা বছৰটোৰ পৰা আমি যি শিকিলো, যোৱা বছৰটোৱে আমাক যি অভিজ্ঞতা দিলে তাৰ বাবে আমি সেই বছৰটোক কৃতজ্ঞতাৰে সৈতে বিদায় জনাইছো।



সংবাদ শিৰোনামাত শিশু

ৰাষ্ট্ৰপতিৰ উপদেষ্টা এজন কমবয়সীয়া ল'ৰা

তুমি জানানে গুৱাটেমালাৰ ৰাষ্ট্ৰপতি আলফানচো প'ৰটিলোৱে শিক্ষা আৰু পৰিৱেশ বিষয়ত কাৰ পৰামৰ্শ লয়? সেইজন ১৩ বছৰীয়া চামুৱেল এষ্টাবেন গোমেজৰ বাহিৰে আন কোনো নহয়। ল'ৰাজনে বিশেষ আমন্ত্ৰিত অতিথি হিচাবে আনকি কেবিনেট মিটিঙতো উপস্থিত থাকে। এই অদ্ভুত প্ৰতিভাসম্পন্ন স্কুলীয়া ছাত্ৰজনে গুৱটেমালাৰ এখন বিশ্ববিদ্যালয়ত ইতিমধ্যে গণিতৰ এডভাঞ্চ কোৰ্চ লৈছে। তেওঁৰ এৰ'নটিকেল ইঞ্জিনীয়াৰিং পঢ়াৰ ইচ্ছা আছে। তেওঁ ৰাজনৈতিক কাৰ্য্যত অংশ গ্ৰহণ কৰি 'প্ৰেচিডেন্ট ফৰ এডে'আৰু কংগ্ৰিগেশ্বনেল প্ৰেচিডেন্ট ফৰ এডে' (লোকসভাৰ অধ্যক্ষৰ সমান) হোৱাৰ সুবিধা পাইছিল। তেওঁ এই বছৰৰ প্ৰথম ভাগত গুৱাটেমালাৰ ৰাষ্ট্ৰপতিৰ পদ এৰি দিয়াৰ আগতে আমেৰিকাৰ ৰাষ্ট্ৰপতি ক্লিন্টন, স্পেইনৰ সিংহাসনৰ উত্তৰাধিকাৰী প্ৰিন্স ফিলিপ, আৰু আলৱাৰাটো আৰজুৰ লগত সাক্ষাত কৰিছিল। তেওঁ শিক্ষা বিভাগৰ যোগেদি দেশৰ শিক্ষা ব্যবস্থাৰ উন্নতি সাধন কৰিছিল। কানাডাৰ শিক্ষা মন্ত্ৰী মিচ পেণী প্ৰেড্ডিৰ আঠজন উপদেষ্টাৰ ভিতৰত দুজন ভাৰতীয় ছাত্ৰ। তেওঁলোক হ'ল সুৰেয়ৰ পুনিত চেহাল আৰু কমলুপচৰ চুলতান চান্দুৰ।

কনিষ্ঠতম যাদুকৰ

সতীশ দেশমুখ এজন আন্তজৰ্তিক খ্যাতি সম্পন্ন যাদুকৰ। তেওঁৰ দলত ইন্দ্ৰজাল নামৰ যাদুটো তেওঁৰ তিনিবছৰীয়া কন্যা প্ৰিন্সেছ কিমায়াই দেখুৱায়, যিয়ে বিশ্বৰ কনিষ্ঠতম যাদুকৰ বুলি দাবী কৰিছে। ছোৱালীজনীয়ে আগতে, বৰ্ত্তমান মুম্বাইৰ চিত্ৰ তাৰকা হৃত্তিক ৰৌছানৰ লগত সহ-অভিনয় কৰি খ্যাতি অৰ্জন কৰিছিল।

সিহঁতক বিস্ময়কৰ বুলি কব পাৰে

- জাষ্টিন ছেপেম্যানৰ বয়স মাত্ৰ ৬ বছৰ। তেওঁ দুবছৰ বয়সতে পঢ়া আৰম্ভ কৰিছিল। এতিয়া তেওঁ ৰ'ছেষ্টাৰ বিশ্ববিদ্যালয়ৰ কলেজৰ তিনিটা ক্লাছত ভৰ্ত্তি হৈছে। তেওঁ হোমাৰৰ ইলিয়াডৰ ওপৰত এটা প্ৰবন্ধ লিখি বি গ্ৰেড অৰ্জন কৰিছে। বৰ্ত্তমান তেওঁ ইতিহাসৰ প্ৰাৰম্ভিক কোৰ্চ এটা কৰি আছে।
- লচ এঞ্জেলচত"কেম্প গ্ৰিজলী" চলচিত্ৰ নিৰ্মাণ কৰা এম্পেট ফাৰলা ফিল্মচ-এ নিৰ্দেশকৰ বাবে এখন সৰু চকী তৈয়াৰ কৰিব লাগিব,কাৰণ এই চলচিত্ৰৰ বাবে তেওঁলোকে পছন্দ কৰা নিৰ্দেশকজন হ'ল হেইলি ষ্টৌৱাল, যাৰ বয়স মাথোঁ ১১ বছৰ।
- কেৰেলাৰ ওয়ানাদৰ ৰছিদ নামৰ ১২ বছৰীয়া ল'ৰাজনে ৰামজান মাহত এটা ধৰ্মীয় ভাষণ দি তাৰ মুছলমান ধৰ্মাবলম্বী লোকসকলক আচৰিত কৰি দিছে। তেওঁ ইংৰাজী,ইৰ্দু,আৰবী আৰু হিন্দীত সুন্দৰভাবে ভাষণ দিব পাৰে।

চাৰিটা ওৱেবাচাইট উপস্থাপন কৰা ল'ৰাজন

এ.ভি.দীনেশ নামৰ চেন্নইৰ একাদশ শ্ৰেণীৰ ছাত্ৰ এজন চাৰি বছৰ আগতে মাইক্ৰোচাফট-এ আয়োজন কৰা দুটা পৰীক্ষা উত্তীৰ্ণ হৈছে। তেতিয়া তেওঁৰ বয়স আছিল ১২ বছৰ। তেতিয়াৰ পৰা তেওঁ বিভিন্ন শ্ৰেণীৰ মানুহৰ বাবে ওৱেবচাইট ডিজাইন কৰাত ব্যস্ত আছে আৰু বৰ্ত্তমান তেওঁ ৪০০০ পৃষ্ঠা অনলাইন কনটেন্ট প্ৰকাশ কৰিছে। spicykids.com শিশুসকলৰ বাবে, Teenagetigers.com কিশোৰ-কিশোৰীৰ বাবে, Developersinfoway.com প্ৰগ্ৰেমাৰস কলৰ বাবে আৰু Dineshworld. com -এ বিভিন্ন চাইটৰ লগত সংযোগ স্থাপন কৰিছে।

এবছৰ পূৰ্ণ হোৱা উপলক্ষে

এবছৰ আগতে চান্দমামা পুনৰ প্ৰকাশ কৰা হৈছিল । আমাৰ সকলোৰে বাবে এইটো এটা সুখৰ ঘটনা। মৰমৰ পাঠকসকল, তেতিয়াৰ পৰাই তোমালোকৰ এই প্ৰিয় আলোচনীখনৰ ১২ টা সংখ্যা তোমালোকৰ হাতত তুলি দিবলৈ আমি সুযোগ পাইছো, এইখন পাই তোমাৰ মনতো কেনে লাগিছে? ধৈৰ্য্যসহকাৰে তুমি যেনেদৰে অপেক্ষা কৰিছিলা, আমি তোমাক নিৰাশ কৰা নাই । চান্দমামা আগতে যেনে আছিল এতিয়াও তাত সেই একেধৰণৰ ৰোমাঞ্চকৰ গল্প, বিক্ৰম বেতাল, পৌৰাণিক কাহিনী, সাধুকথা, কাল্পনিক কাহিনী, য'ত আমাৰ দেশৰ মহান পৰম্পৰা প্ৰতিফলিত হৈছে আৰু অন্যান্য দেশৰ গল্প, লগতে তোমালোকে চিঠিৰে জনোৱা কিছুমান ফিচাৰো সন্নিবিষ্ট কৰা হৈছে । আমি তোমালোকক কমিক্‌চ, গ্ৰাফিক ফৰ্মত অলিম্পিকৰ ঘটনাবোৰ আৰু সম্ভবতঃ প্ৰথমবাৰৰ বাবে তোমালোকৰ সৃজনমূলক লিখনি আৰু চিত্ৰাঙ্কন সমূহ প্ৰকাশ কৰিবলৈ সক্ষম হৈছো । এইখিনিতে আমি যোৱা মাহৰ বিশেষ শিশু সংখ্যাৰ কথা উল্লেখ কৰিছো ।

আজিৰ এই তথ্য প্ৰযুক্তিৰ যুগত ইয়াৰ কাৰ্য্যকলাপ যেনেদৰে দ্ৰুত ভাবে আগবাঢ়িছে, স্বাভাৱিকতে চান্দমামাইও ইয়াৰ শুভাকাঙ্ক্ষীসকলৰ নৈতিক সহযোগত দেশৰ ভিতৰত তথা বাহিৰতো ওৱেবটতচাই টেলিচিৰিয়েল, ফিচাৰ ফিল্ম আদি দেখুৱাৰ নতুন প্ৰচেষ্টা অতি সোনকালে হাতত লোৱা হব । এইবোৰ কাম সেই মোহময়ী নাম চান্দমামাৰ চত্ৰছায়াতে কৰা হব ।

তাৰমানে, চান্দমামাই অতিত গৌৰৱ অক্ষুন্ন ৰাখিব পাৰিছে । ইয়াৰ বাবে দিনে দিনে বাঢ়ি অহা আমাৰ পাঠকসকলক, আমাৰ শুভকাংক্ষীসকলক, যিসকল কৰ্মীৰ সমূহীয়া প্ৰচেষ্টাত যোৱা বছৰ সাফল্য লাভ কৰিব পাৰিছো তেখেত সকলক, আমাৰ আদৰৰ বিনোদ শেঠী, যিয়ে আমাক সকলো ক্ষেত্ৰতে উৎসাহিত কৰি আহিছে তেওঁলৈ আৰু দেৱীতুল্য মা, যাৰ আশীৰ্বদ আমাৰ সকলো ক্ষেত্ৰতে আছে তেওঁলৈ আমাৰ ধন্যবাদ জ্ঞাপন কৰিছো ।

এই আলোচনীখনৰ পুনঃ প্ৰকাশৰ প্ৰথম বৰ্ষিকী উপলক্ষে আমি বিশাল চান্দমামা পৰিয়ালৰ প্ৰতিজন সদস্যকে অভিনন্দন জানাইছো আৰু এই সংখ্যাটো দেশৰ ভৱিষ্যত বংশধৰ সকলৰ নামত উচৰ্গা কৰিছো ।

বি. বিশ্বনাথ ৰেড্ডী
সম্পাদক

বেতাল কথা

পুণ্য দান

দৃঢ়প্ৰতিজ্ঞ ৰজা বিক্ৰমাদিত্যই গছডালৰ ওচৰলৈ গ'ল আৰু তাৰপৰা মৰাশটো নমাই আনি নিজৰ কান্ধত তুলি ললে। পুনৰ আগৰ দৰে শ্মশানৰ ফালে অগ্ৰসৰ হ'ল। তেতিয়া শটোৰ ভিতৰত থকা বেতালে তেওঁক কলে, - "মহাৰাজ, তুমি কৰা পৰিশ্ৰম আৰু তুমি দেখুৱা আগ্ৰহ সঁচাকৈয়ে অসামান্য। এইটো অন্য কোনেও কৰিব নোৱাৰে। মইতো এইটো নাজানো এই সকলোবোৰ কাম তুমি পাপ মোচনৰ কাৰণে নে পুণ্য অৰ্জনৰ কাৰণে কৰি আছা। এইটোও হব পাৰে, পুণ্যৰ এই কাম অন্য কাৰোবাৰ ভালৰ কাৰনেই কৰি আছা। কিন্তু এটা কথা মই ভালদৰে জানো একাগ্ৰতা আৰু পুণ্য কোনো কাম সফল কৰাত কৃতকাৰ্য্য নহবও পাৰে।

ইয়াৰদ্বাৰা কোনো লক্ষ্যতো উপনিত নহব পাৰে। তুমি জনাৰ বাবে আৰু তোমাৰ ভুল ধাৰণা দূৰ কৰিবলৈ মই তোমাক ধনগুপ্তৰ কাহিনী কম । ধনগুপ্তৰ পুত্ৰ গুণগুপ্তই অগণন পুণ্য কাম কৰিছে, কিন্তু নিজৰ লক্ষ্যত উপনিত হবলৈ সফল হব পৰা নাই । তেওঁবেই পাপী পিতাই পুণ্য কাৰ্য্য কৰি আনায়াসে নিজৰ লক্ষ্যত উপনিত হব পাৰিছে । এইটো কেনেকৈ সম্ভৱ হ'ল? মোৰপৰা শুনা" এইবুলি কৈ বেতালে ৰজা বিক্ৰমাদিত্যক ধনগুপ্তৰ কাহিনী শুনাবলৈ ধৰিলে -

অবন্তী ৰাজ্যৰ এখন নগৰত ধনগুপ্ত নামৰ এজন ধনী মানুহ আছিল । তেওঁ অপাৰ সম্পত্তিৰ গৰাকী আছিল । কিন্তু তেওঁ অতি কৃপণ আছিল। তেওঁ ইমানেই কৃপণ আছিল যে, তেওঁ খুদ-কণ এটাও কাকো নিদিছিল । কিমান লোকক যে তেওঁ প্ৰবঞ্চনা কৰিছে, তেওঁলোকৰ সম্পত্তি আত্মসাৎ কৰিছে, দুখীয়া লোকসকলক বিভিন্ন ধৰণে হাইৰাণ কৰিছে, নিজ পৰ বিচাৰ নকৰি বহুতৰে সৰ্বনাশ কৰিছে । এনেধৰনৰ তেওঁ আৰু বহুতো পাপ কাম কৰিছে । সেয়েহে পঞ্চাশ বছৰ বয়সতে তেওঁ ৰোগগ্ৰস্ত হৈছে । চ-লা ফুৰা কৰিব নোৱাৰে । সকলো সময়তে বিচনাত বহি শুই থাকে ।

তেওঁৰ পুত্ৰ গুণগুপ্ত নামটোৰ দৰে গুণবানো আছিল । সৎ স্বভাৱৰ আৰু মৃদুভাষী আছিল । ডাঙৰক সন্মান কৰাতো তেওঁ পৰম ধৰ্ম হিচাপে জ্ঞান কৰিছিল । সেই কাৰণে নিজৰ পিতৃৰ সৈতে কোনো কথাতে কেতিয়াও বিৰোধ কৰা নাছিল । পিতাকৰ অসুখ দেখি এজন ভাল বৈদ্য মতাই আনি পিতাকক চিকিৎসা কৰালে ।

ধনগুপ্ত অতি সোনকালে সুস্থ্য হৈ উঠিল যদিও তেওঁৰ মুখৰ মাত নোলোৱা হ'ল । অংগি ভংগিৰে তেওঁ সকলো কাম চলাবলৈ ধৰিলে । তেওঁ সোঁহাতখনো অকামিলা হৈ গ'ল । বৈদ্যই ভাল কৰিবলৈ বহুতো চেষ্টা কৰিলে; কিন্তু কোনো লাভ নহ'ল । শেষত বৈদ্যই নিজে কৈ দিলে যে তেওঁ ৰোগীক ভাল কৰিব নোৱাৰিব । পিতাক উঠিব নোৱাৰা বেমাৰী হোৱা বাবে গুণগুপ্তই সকলো সম্পত্তি চোৱা-চিতা কৰাৰ দায়িত্ব নিজে ললে । ইয়াৰ লগে লগে পিতাকক সুস্থ্য কৰি তোলাৰ বাবে চিকিৎসাও কৰাই থাকিলে , যাতে পিতাক সুস্থ্য হৈ উঠিলে সম্পত্তিৰ দায়িত্ব তেওঁক গতাই দিব পাৰে । এই উদ্দেশ্যে তেওঁ বহুতু সাধু সন্যাসীকো দেখা কৰিলে । ধনগুপ্তৰ অবস্থা দেখি গুণগুপ্তৰ পত্নী আৰু তেওঁৰ ল'ৰাদুটাও চিন্তিত হৈ পৰিল ।

এদিন মহানন্দ নামৰ এজন সাধু গুণগুপ্তৰ ঘৰলৈ আহে । সাধুয়ে তেওঁলোকৰ আতিথ্য গ্ৰহণ কৰে আৰু তেওঁলোকৰ অনুৰোধ মৰ্মে ধনগুপ্তৰ স্বাস্থ্যও পৰীক্ষা কৰে । কিছু সময়

চকুমুদি চিন্তা কৰিবলৈ ধৰিলে। পিচত অতি দুখেৰে গুণগুপ্তক কলে -"তোমাৰ পিতাই ধন অৰ্জন কৰাৰ বাবে অগণন পাপ কৰিছে । তেওঁ সেই পাপ সোঁহাতেৰে লিখি আৰু মুখেৰে দুৰ্বাক্য কৈ কৰিছে । সেই কাৰণে তেওঁৰ শৰীৰৰ এই দুটি অঙ্গ অকামিলা হৈ গৈছে । যেতিয়ালৈকে তেওঁ পাপ পথেৰে অৰ্জন কৰা সম্পত্তিবোৰ ত্যাগ নকৰে, তেতিয়ালৈকে তেওঁক ভালকৰা সম্ভৱ নহব।"

সাধু মহানন্দৰ সেই দুখলগা কথাষাৰ ধনগুপ্তই নিজে শুনিলে । সেয়েহে ধনগুপ্তই সম্পত্তি ত্যাগ কৰিবলৈ সম্মতি জনালে। দলিলত লিখা হ'ল আজিৰ পৰা এই সম্পত্তিৰ গৰাকী হব তেওঁৰ পুত্ৰ গুণগুপ্ত । কি আচৰিত লগে লগে তেওঁ কথা কব পৰা হ'ল আৰু দলিলত সোঁহাতেৰে চহীও কৰিব পাৰিলে ।

পৰিয়ালৰ সকলোৰে মনত আনন্দ লাগিল। সেয়েহে এই উপলক্ষে পৰিয়ালৰ সকলো সদস্যই এটা উৎসৱ পালন কৰিবলৈ ঠিক কৰিলে। কিন্তু হঠাতে গুণগুপ্তৰ ডাঙৰ পুতেক মণিগুপ্তই এটা চিঞৰ মাৰি মাটিত পৰি গ'ল । মহানন্দই তেওঁক পৰীক্ষা কৰি জানিব পাৰিলে তেওঁ কথা কব নোৱাৰে আৰু বাওঁহাতখন অকামিলা হৈ পৰিছে ।

গুণগুপ্তই তেওঁৰ পুত্ৰৰ অৱস্থা দেখি অবাক হৈ গ'ল । মহানন্দক ইয়াৰ কাৰণ সোধাত তেওঁ কলে - "তোমাৰ পিতাৰ পাপে এতিয়া তোমাৰ পুত্ৰক ধৰিছে । তুমি যি সম্পত্তি পাইছা সেইবোৰ পাপেৰে আৰ্জিত । এতিয়া ইয়াক পুণ্য কামৰ দ্বাৰাহে উদ্ধাৰ কৰিব পাৰিবা । ইয়াৰ বাবে তোমাৰ পিতাই সম্মতি নিদিব । কিন্তু এতিয়াতো এই সম্পত্তি তোমাৰ । আকৌ যদি পুণ্য কাম কৰিবলৈ তোমাক তোমাৰ পিতাই ধৰা দিয়ে তেতিয়াহলে তেওঁ আকৌ ৰোগগ্ৰস্ত হব । সেয়েহে তুমি তোমাৰ পিতাৰ লগত আলোচনা নকৰাকৈয়ে নিজৰ সম্পত্তি পুণ্য কামত লগোৱা। যিদিনা তুমি কৰা পুণ্যকামৰ বাবে তোমাৰ পিতাৰ পাপবোৰ নোহোৱা হব সেইদিনাখনেই তোমাৰ পুত্ৰ সুস্থ হৈ উঠিব । আকৌ আগৰ দৰে সাধাৰণ মানুহ হব ।" এইবুলি কৈ সাধুজন গুচি গল ।

ধনগুপ্তই নাতিয়েকৰ অৱস্থা দেখি মনত বৰ দুখ পালে । তেওঁ দুখ মনেৰে কলে - মই মোৰ নাতিৰ এই দুৰৱস্থা চাই থাকিব নোৱাৰো । মোৰ বাবে এইটো অতি লাজৰ কথা যে, মোৰ পাপৰ ফল মোৰ নাতিয়ে ভোগ কৰিব লগা হৈছে । মোৰ সম্পত্তি মোক ঘূৰাই দিয়া আৰু তোমালোকে সুখেৰে থাকা ।"

গুণগুপ্তই পিতাকৰ এই প্ৰস্তাৱ নাকচ কৰি দিলে । তেতিয়া ধনগুপ্তই নাতিয়েকৰ অৱস্থা চাই থাকিব নোৱাৰি আৰু নিজৰ পাপ মোচন



কৰিবলৈ তীৰ্থ কৰিবলৈ গ'ল।

সেইদিনাৰ পৰা এনে পুণ্য কাম নাই, যিটো গুণগুপ্তই কৰা নাই। গাঁৱৰ মন্দিৰটো ভালদৰে মেৰামত কৰি দিলে। ভক্তসকলৰ বাবে আৱশ্যকীয় সা-সুবিধা কৰি দিলে। এখন পঢ়াশালী স্থাপন কৰিলে আৰু কোনো মাচুল নিদিয়াকৈ ল'ৰা ছোৱালীবোৰে পঢ়াৰ ব্যৱস্থা কৰি দিলে। দীন দুখীয়াক টকা-পইচা দি সহায় কৰিলে, দান দক্ষিণা দিলে।

এইদৰে এবছৰ পাৰ হৈ গ'ল। তেওঁ বিভিন্ন কল্যানমূলক কামত কিমান যে ধন খৰছ নকৰিলে। তথাপিতো পুত্ৰ মণিগুপ্তৰ স্বাস্থ্যৰ কোনো উন্নতি নহ'ল।

গুণগুপ্তৰ দান-ধৰ্মৰ কথা গোটেই দেশতে বিয়পি পৰিল। সকলোৱে তেওঁক মহাপুণ্যাত্মা বুলি কবলৈ ধৰিলে আৰু তেওঁক বাহবাহ্ দিলে।

কিন্তু এই প্ৰশংসাই শুণগুপ্তক তৃপ্ত কৰিব নোৱাৰিলে। সদায় তেওঁ পুত্ৰৰ ওচৰলৈ যায় আৰু পুত্ৰৰ অৱস্থা দেখি চকুপাণী টোকে। তেওঁৰ মনত এয়ে দুখ, তেওঁ যিমানেই পুণ্য কাম নকৰক এই সকলোবোৰে নিস্ফল হৈ গৈছে।

এদিন তেওঁৰ আতাইবোৰ ওচৰ-সম্পৰ্কীয়ই লগ হৈ তেওঁক কলে - "তুমি কৰা পুণ্য কামৰ পৰা তুমি কি ভাল ফল পালা? এতিয়া বুঝা গ'ল নিজৰ সম্পত্তি এইদৰে পৰৰ কামত খৰছ কৰাকে পুণ্য কৰা বুলি নকয়। এতিয়া তুমি এই পুণ্যকাম বোৰ বাদ দি তোমাৰ ব্যৱসায় বিদেশলৈকে বিস্তাৰ কৰা। এই কামত আমি তোমাক সহায় কৰিম। তোমাৰ আপত্তি নাথাকিলে আমি তোমাৰ ব্যৱসায়ৰ অংশীদাৰো হব পাৰো।"

গুণগুপ্তই সেই কথাবোৰলৈ কাণ নিদি চিধাচিধি কৈ দিলে - "মোৰ পুণ্য কামৰ দ্বাৰা কিমান যে দুখীয়া আৰু অসহায় লোক লাভবান হৈছে, ইয়াতেই মোৰ তৃপ্তি। মোৰ বেপাৰ বানিজ্যৰ কামো ভালদৰে চলি আছে। বৰ্তমান মোৰ ব্যৱসায় বঢ়োৱাৰ ইচ্ছা নাই।" এইবুলি কৈ তেওঁলোকক পঠাই দিলে।

সেই সময়তে সেই দেশৰ ৰজাৰ পিঠিত এটা বিহফোঁৰা ওলাইছিল। বহুতো চিকিৎসা কৰিও ফোঁৰাটো ভাল কৰিব পৰা নাই। ৰজাই বুঝিব পাৰিলে মৃত্যু আৰু বেছি দূৰত নাই। ইয়াত নিৰাশ হৈ ৰাজ্যভাৰ ত্যাগ কৰা সিদ্ধান্ত ললে। সেইমতে মন্ত্ৰীৰ ওপৰত ৰাজ্যৰ শাসনভাৰ সপি দি তেওঁ সাধু-সন্তৰ লগত দিন কটাবলৈ ধৰিলে।

মহানন্দই এবাৰ ৰজাক চাবলৈ আহিল। ৰজাৰ অৱস্থা দেখি দয়ালু হৈ তেওঁ কলে, "মহাৰাজ, ধৰিলৈছো আপুনি এজন সজ্জন লোক আৰু সৎ পুৰুষ; কিন্তু আপুনি ৰজা হোৱা বাবে আপোনাৰ অজানিতে কোনো অন্যায় কাম কৰিব পাৰে। আপোনাৰ বাবেই কোনো নিৰ্দোষী ব্যক্তিয়ে শাস্তি পাব পাৰে, কোনো দোষী

ব্যক্তিয়ে সাৰি গৈ আৰু বেচি পাপ কাম কৰি আছে । সেইবোৰ পাপেই বিহফোঁৰা হৈ আপোনাৰ পিঠিত জম লৈছে । এই বিহফোঁৰাত ঔষধে কোনো কাম নিদিব । ইয়াৰ কোনো চিকিৎসা নহব । কিন্তু, যদিহে আপোনাৰ ৰাজ্যৰ কোনো পুণ্যাত্মা ব্যক্তিয়ে নিজৰ আৰ্জিত পুণ্য আপোনাক সমৰ্পণ কৰে আৰু তেওঁ আপোনাৰ পাপ ভোগ কৰে তেতিয়াহলে আপোনাৰ ফোৰা ভাল হৈ যাব ।

ৰজাই আতুৰ হৈ সুধিলে - "আপুনিয়েই কওকচোন সেই পুণ্যবান ব্যক্তি কোন আৰু ক'ত আছে? মহানন্দই তেতিয়া গুণগুপ্তৰ কথা কলে। ৰজাই তেতিয়া গুণগুপ্তক মতাই আনিলে আৰু নিজৰ ইচ্ছাৰ কথা ব্যক্ত কৰিলে ।

গুণগুপ্তই কলে - "মহাৰাজ, মোৰ পুণ্য কাৰ্য্যই মোৰ পুত্ৰৰ ৰোগ অকণো কমোৱা নাই। মোৰ অনুমান হয় মোৰ পুণ্য আপোনাৰ কামত নাহিব ।"

তেতিয়া মহানন্দই হস্তক্ষেপ কৰি কলে - "গুণগুপ্ত, তোমাৰ পিতৃৰ পাপ তোমাৰ পুত্ৰই স্বীকাৰ কৰি লৈছে । ইয়াৰদ্বাৰা তেওঁৰ পাপেৰে আৰ্জিত ধন পবিত্ৰ হৈছে । তুমি বহুতো পুণ্য কাম কৰিছা । সেই পুণ্যৰ ফলস্বৰূপে এবছৰতে তোমাৰ সম্পত্তি তিনিগুণ হৈছে । তুমি যদি ভাবিছা তোমাৰ পুণ্য তোমাৰ কোনো কামত অহা নাই, এইটো তোমাৰ অবিবেচনা ।"

স্বামীজী! সম্পত্তি অৰ্জন কৰিবলৈ মই পুণ্য কাম কৰা নাই । মই কেৱল মোৰ পুত্ৰৰ স্বাস্থ্যৰ উন্নতি কামনা কৰিছো ।" গুণগুপ্তই কলে ।

এইবাবেই তোমাৰ সম্পত্তিৰ অপাৰ বৃদ্ধি হৈছে । এতিয়া তোমাৰ সম্পত্তিৰ এভাগ তোমাৰ পিতাৰ । তিনিভাগ তোমৰ নিজৰ । অন্যৰ সম্পত্তিৰ বলত যদি তুমি পুণ্য কাম কৰা তাৰ দ্বাৰা কোনো লাভ নহয় । ইয়ে কেৱল

তোমাৰ সম্পত্তি বঢ়োৱাত সহয় কৰিব পাৰে । নিজৰ সম্পত্তিৰ ভিত্তিৰ যদি পুণ্য কাৰ্য্য কৰা তোমাৰ মনোকামনা পূৰ্ণ হব । তোমাৰ আশা সফল হব ।" মহানন্দই গুণগুপ্তৰ বুজালে ।

গুণগুপ্তই মহানন্দৰ কথাত আচৰিত প্ৰকাশ কৰি কলে - "ইয়াৰ মানে এতিয়াহে মোৰ ইচ্ছা পূৰণ কৰিব পৰা পুণ্য অৰ্জন কৰিব পাৰিম । যি পুণ্য মই অৰ্জন কৰিছো, সেইবোৰ যদি মই মহাৰাজক দান দিও মোৰ পুণ্য কাৰ্য্যৰ কোনো অৰ্থই নাথাকিব নহয় নে? যতে আছিলো, তাতেই থাকিম নহয় নে? ইয়াৰ পৰা মোৰ পুত্ৰ যেনে আছিল, তেনেদৰেই থাকিব নহয় নে? স্বামীজী, আপুনিয়েই কওক মই এতিয়া কি কৰো?"

মহানন্দই কলে - "তুমি নিজেই ঠিক কৰি লোৱা ।

গুণগুপ্তই কিছু সময় চিন্তা কৰিলে, তাৰ পাচত

কলে - "পুণ্যেৰে মহাৰাজৰ বিহফোঁৰা ভাল হৈ যাবতো এতিয়া, সেয়েহে তেওঁক দান দিয়াতো উচিত বুলি ভাবিছো, কাৰণ, মোৰ পুত্ৰৰ স্বাস্থ্য ভাল হবলৈ আৰু বা কিমান বছৰ লাগে কি ঠিক।" এইবুলি তেওঁ নিজৰ সিদ্ধান্তৰ কথা কলে।

মহানন্দ আৰু মন্ত্ৰীৰ উপস্থিতিত গুণগুপ্তই নিজৰ পুণ্য ৰজাক আনন্দেৰে দান কৰিলে। ৰজাৰ বিহফোঁৰা লগে লগে নোহোৱা হৈ গ'ল।

ৰজাই সন্তুষ্ট হৈ তেওঁ যি খোজে তাকে পুৰস্কাৰ দিবলৈ কথা দিলে। গুণগুপ্তই ৰজাক বাধা দি কলে "আপুনি মোক যি দিব বিচাৰিছে, তাৰ ধনেৰে প্ৰজাহিতকৰ কাম কৰক। তেওঁলোকৰ বাবে নিস্বাৰ্থ সেৱা কৰক।" ইয়াকে কৈ গুণগুপ্ত তাৰ পৰা গুচি গ'ল।

গুণগুপ্তৰ লগত সাধু মহানন্দও তেওঁৰ নগৰলৈ গ'ল। তেতিয়ালৈকে ধনগুপ্তইও তীৰ্থযাত্ৰা সম্পূৰ্ণ কৰি ঘৰলৈ উভতিছিল। তেতিয়া সকলোৰে সম্মুখতে এক বিচিত্ৰ ঘটনা ঘটিল। তেওঁ লৈ অহা গঙ্গাজল পান কৰি মণিগুপ্ত ভাল হৈ উঠিল।

বেতালে কাহিনী সমাপ্ত কৰি ৰজাক সুধিলে - "মহাৰাজ, গুণগুপ্তই কিমান যে পুণ্য কাম কৰিলে। ৰাজ্যৰ সকলো লোকেই তেওঁক প্ৰশংসা কৰিলে আৰু তেওঁক মহাপুণ্যবান পুৰুষ বুলি কলে। এনেকুৱা পুণ্যবানৰ পুণ্যৰ দ্বাৰা তেওঁৰ পুত্ৰৰ ৰোগ দূৰ নহল। কিন্তু ধনগুপ্তৰ দৰে পাপীৰ তীৰ্থযাত্ৰাৰ কাৰণে সেইটো সম্ভৱ হ'ল। এনেকুৱা কিয় হ'ল? মোৰ এই কথাৰ উত্তৰ জানিও যদি মনে মনে থাকা তোমাৰ মূৰ টুকুৰা টুকুৰ হৈ যাব।"

ৰজা বিক্ৰমে কলে - "যি ক্ষণত ধনগুপ্তই নিজৰ সম্পত্তি পুত্ৰক দি দিলে আৰু নাতিয়েকৰ সুস্বাস্থ্য কামনা কৰি তীৰ্থযাত্ৰালৈ গ'ল সেই ক্ষণৰ পৰা তেওঁ পাপী হৈ থকা নাই। কিন্তু মণিগুপ্ত যে আৰোগ্য হ'ল সেয়া ধনগুপ্তৰ গঙ্গাজলৰ কাৰণে হোৱা নাই, বৰং গুণগুপ্তৰ পূন্য কাৰ্য্যৰ বাবেহে সম্ভৱ হৈছে। আগতে গুণগুপ্তৰ পুণ্য কাৰ্য্যত স্বাৰ্থ আছিল। তেওঁৰ লক্ষ্য আছিল পুণ্য কাম কৰি তেওঁৰ ৰোগগ্ৰস্ত পুত্ৰক ৰোগমুক্ত কৰা। কিন্তু নিস্বাৰ্থ ভাবে তেওঁ যেতিয়া নিজৰ পুণ্য ৰজাক দান কৰিলে, সেই দানৰ দ্বাৰা অৰ্জন কৰা পুণ্যই মণিগুপ্তক আৰোগ্য কৰিলে। সেই স্বাৰ্থহীন দানৰ ইমান শক্তি আছিল। দানৰ ভিতৰত পুণ্য দানেই সৰ্বোৎকৃষ্ট। ৰজাৰ মৌনতা ভঙ্গ কৰাত সফল হৈ বেতাল শটোৰে সৈতে পুনৰ গছৰ ডালত ওলমি থাকিল।

বসুন্ধৰাৰ ৰচনাৰ আধাৰত

এই মাহত জন্ম হোৱা ব্যক্তি

১৮৮৪ চনৰ তিনি ডিচেম্বৰত বিহাৰত জন্ম গ্ৰহণ কৰা ল'ৰাজনেই পিচলৈ ভাৰতীয় গণৰাজ্যৰ প্ৰথম ৰাষ্ট্ৰপতি হয় । তেওঁৱেই হ'ল বাবু ৰাজেন্দ্ৰ প্ৰসাদ ।

ৰাজেন্দ্ৰ প্ৰসাদে কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত শিক্ষা গ্ৰহণ কৰিছিল । তাৰপৰা তেওঁ পাটনালৈ যায় । তাত গৈ তেওঁ ওকালতি আৰম্ভ কৰে আৰু অতি সোনকালে উচ্চ ন্যায়ালয়ৰ এজন বিখ্যাত উকীল হয় । কিন্তু তেওঁৰ মনটো সদায় বৃটিছৰ অধীনত থকা মাতৃভূমিৰ মুক্তিৰ চিন্তাত আছিল । ১৯১৭ চনত তেওঁ গান্ধীজীৰ সংস্পৰ্শলৈ আহে। সেই সময়ত মহাত্মা গান্ধীয়ে বিহাৰৰ চম্পাৰণত সত্যাগ্ৰহ কৰি আছিল । গান্ধীজীৰ প্ৰতি আকৃষ্ট হৈ তেওঁ ওকালতি ব্যৱসায় ত্যাগ কৰে আৰু অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰে ।

বাবু ৰাজেন্দ্ৰ প্ৰসাদ



তেওঁ নিজৰ দক্ষতাৰে এজন নেতা হিচাপে পৰিগনিত হয় আৰু ১৯২২ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ সাধাৰণ সম্পাদক নিযুক্ত হয়। তেওঁ সকলোৰে মাজত অতি বিচক্ষণ আৰু জনপ্ৰিয় ব্যক্তি হিচাপে জনাজাত হয় । ইয়াৰ সত্যতা ওলাই পৰে ১৯৩৪, ১৯৩৯ আৰু ১৯৪৭ চনত তিনিবাৰ জাতীয় কংগ্ৰেছৰ সভাপতি মনোনিত হোৱা কথাটোলৈ চাই ।

১৯৪৬ চনত ভাৰতী সংবিধানৰ খচৰা প্ৰস্তত কৰিবলৈ যেতিয়া কণচ্টিটুৱেন্ট এচেম্লি গঠণ কৰা হৈছিল তাত তেওঁ সভাপতিত্ব কৰিছিল । ভাৰতীয় সংবিধান প্ৰস্তত কৰাত তেওঁৰ প্ৰচুৰ বৰঙনি আছিল ।

১৯৪৭ চনত পণ্ডিত জৱাহৰলাল নেহৰুৰ নেতৃত্বত গঠন হোৱা মন্ত্ৰীসভাৰ তেওঁ এজন মন্ত্ৰী আছিল । ১৯৫০ চনত যেতিয়া নতুন সংবিধান কাৰ্যকাৰী হয় তেওঁক ভাৰতীয় গণৰাজ্যৰ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত কৰা হয় । তেওঁ ১৯৫২ আৰু ১৯৫৭ চনত পুনৰ নিৰ্বাচিত হৈ ১৯৬২ চনলৈ সেই পদতে থাকে ।

বাবু ৰাজেন্দ্ৰ প্ৰসাদ ৰাস্ট্ৰপতি হলেও সাধাৰণ মানুহৰ লগতো চলাফুৰা কৰিছিল । তেওঁ প্ৰায়ে ৰেলগাড়ীৰে ভ্ৰমণ কৰিছিল আৰু ষ্টেচনবোৰত নামি তেওঁক দেখা কৰিবলৈ অহা মানুহৰ লগত কথাবাৰ্ত্তা হৈছিল ।

১৯৬২ চনত ড. ৰাজেন্দ্ৰ প্ৰসাদে অৱসৰ গ্ৰহণ কৰাৰ পিচত তেওঁক দেশৰ সৰ্বোচ্চ সম্মান ভাৰত ৰত্নৰে বিভুষিত কৰা হয় । ১৯৬৩ চনৰ ২৮ ফেব্ৰুৱাৰীত পাটনাত তেওঁ ইহলীলা সম্বৰণ কৰে। তেওঁৰ মৃত্যুৰ পিচত সৰোজিনী নাইডুক যেতিয়া ৰাজেন্দ্ৰ প্ৰসাদলৈ শ্ৰদ্ধাঞ্জলি লিখিবলৈ অনুৰোধ কৰা হৈছিল, তেতিয়া তেওঁ কৈছিল-''যদি মোৰ এটা মৌৰ পাত্ৰত জুবুৰিয়াব পৰা সোনৰ কলম থাকিলহেতেন, তেতিয়াহে মই লিখিব পাৰিলোহেতেন, কাৰণ অকল শব্দেৰে তেওঁৰ গুণাৱলী লিখি শেষ কৰিব পৰা নাযাব।''

শাহু আৰু বোৱাৰীৰ পশংসা

সৰলা এজনী উদণ্ড আৰু দায়িত্বজ্ঞানহীন ছোৱালী আছিল । তাইৰ দন্দুৰা স্বভাৱৰ কথা গাঁৱৰ সকলোৱে জানিছিল । মানুহৰ মাজত মনোমালিন্য ঘটোৱাত তাই পাকৈত আছিল। গোটেই দিনতো ইজনৰ বিৰুদ্ধে সিজনক উচটাই দি কাজিয়াৰ সৃষ্টি কৰিছিল । তাইৰ মাক পিতাক তাইৰ এই স্বভাৱৰ বাবে আনৰ কথা শুনিব লগা হৈছিল । তেওঁলোকৰ চিন্তা হৈছিল । বিয়াৰ পাছত বা শহুৰেকৰ ঘৰত তাই কি কৰে ।

কেইদিনমান পাছত এক সম্ভ্ৰান্ত পৰিয়ালৰ লৰাৰ লগত সৰলাৰ বিয়াৰ কথা চলিল । তাইৰ হব লগা দৰাজন লিখা পঢ়া জনা আৰু খুব শান্ত স্বভাৱৰ আছিল, আৰু গাঁৱৰে বিদ্যালয় এখনত শিক্ষকতা কৰিছিল । পৈতৃক সম্পত্তিও তেওঁৰ বহুখিনি আছিল । লৰাজন মাক পিতাকৰ একমাত্ৰ সন্তান হোৱা হেতুকে গোটেই সম্পত্তিৰ তেৱেঁই অধিকাৰী, সকলো ফালৰ পৰা পৰিয়ালটো ভালেই আছিল কিন্তু দৰাজনৰ মাক, সুভদ্ৰা দন্দুৰী স্বভাৱৰ তিৰোতা বুলি শুনা গৈছিল । তেওঁৰ ডাবি ধমকিৰ ভয়ত তেওঁলোকৰ ঘৰত কোনো চাকৰনী নাথাকিছিল । তেওঁ বিচাৰিছিল সকলোৱে তেওঁৰে প্ৰসংশা কৰক আৰু কিবা কথাত হেৰফেৰ হলেই কাজিয়া কৰি দিছিল।

সৰলা আৰু সুভদ্ৰাৰ স্বভাৱৰ কাৰণে দুয়োটা পৰিয়ালৰ মানুহ চিন্তিত হৈছিল । তেওঁলোকে এই বিয়াখন পাতিবলৈ সংকোচ কৰিছিল । কিন্তু সৰলা আৰু সুভদ্ৰাৰ এই বিয়াত কোনো আপত্তি নাছিল। সুভদ্ৰাই ভাবিলে - "মইতো এজনী ভাল তিৰোতা, কিন্তু দুখৰ কথা কোনেও এইটো স্বীকাৰ নকৰে। যদি সৰলা উদণ্ড আৰু কাজিয়া কৰা স্বভাৱৰ হয় তেতিয়াহলে মই যে ভাল তৰোতা এই কথাটো প্ৰতিপন্ন হব। তেওঁ গিৰীয়েকক কলে মই সৰলাক বোৱাৰী কৰি আনিম ।"

ইপিনে সৰলাইও ভাবিলে - "শাহু যদি

কবিতা শাহ

দন্দুৰী হয় ভালেই হব।" যদি মই তেওঁৰ লগত থাকো, সকলোৱে বুজি পাব মই কিমান ভাল। তাই মাক পিতাকক কলে - "লৰা মোৰ পচন্দ হৈছে, মোৰ এই বিয়াত মত আছে।

কেইদিনমান পাচত সেই লৰাজনৰ লগতে সৰলাৰ বিয়া হৈ গ'ল। সৰলা শহুৰৰ ঘৰলৈ গ'ল। তাইৰ মাক পিতাক কিন্তু নিশ্চিন্ত হব পৰা নাই। তেওঁলোকৰ ভয় হৈ আছিল জীয়েকৰ বিৰুদ্ধে কিমানবা অভিযোগ শুনিব লগা হয়। তেওঁলোকৰ এইটোও সন্দেহ হৈছিল জীয়েকে কেতিয়াযে শহুৰেকৰ ঘৰ এৰি মাকৰ ঘৰলৈ গুচি আহে। কিন্তু আশঙ্কা কৰাৰ দৰে একো নঘটিল। নববিবাহিতা স্বামী শ্ৰীয়ে খুব আনন্দেৰে দিন কটাইছিল। তেওঁলোক পৰস্পৰে খুব সুখী হৈছিল।

আনহাতে শাহু বোৱাৰী দুয়োৰে মাজত মিলাপ্ৰীতি দেখি চুবুৰীৰ মানুহ বোৰো আচৰিত হৈছিল। সৰলাই যেতিয়া ওচৰ চুবুৰীয়াৰ লগত পাতিছিল নিজৰ শাহুৱেকৰ খুব প্ৰসংশা কৰিছিল। সুভদ্ৰাইও যেতিয়া নিজৰ বয়সৰ তিৰোতা সকলৰ লগত কথা হৈছিল নিজৰ বোৱাৰীয়েকৰ গুনবোৰ বখানিছিল। দিনবোৰ ভালদৰেই গৈ আছিল।

কিছুদিন পিচত সৰলা মাকৰ ঘৰলৈ আহে। মাকৰ ঘৰতো মাকহঁতৰ আগত শাহুৱেকৰ খুব প্ৰসংশা কৰিলে। অন্য কোনোবাই শাহুৱেকৰ বিষয়ে সুধিলে কয় যে তেওঁ খুব মৰমীয়াল আৰু গুনী, শাহুৱেক বোৰ এনেকুৱাহে হব লাগে।

এদিন সৰলাৰ মাকে কলে - "বাচা তোৰ মুখ দেখি মই আনন্দ পাইছো। সৰলাই মাকক সুধিলে "মোৰ কিনো এনেকুৱা হ'ল যাৰ বাবে তুমি আনন্দ পাইছা?"

"শহুৰেকৰ ঘৰত জীয়েক সুখেৰে থকাটোৱে সকলো মাক বাপেকে কামনা কৰে। মোৰ ভয় হৈছিল শাহুৱেৰাই তোক কষ্ট দিব বুলি।"

"মোৰ শাহুৱে মোক কষ্ট দিব বুলি তোমাৰ কিয় ভয় হৈছিল?" সৰলাই সুধিলে। মাকে কলে - "সকলোৱে কোৱা শুনিছিলো, তিৰোতাজনী দন্দুৰী স্বভাৱৰ।"

ইয়াৰ পিচত সৰলাই কলে - "তুমি যদি শাহুৰ স্বভাৱৰ কথা জানিছিলাই, তেতিয়াহলে মোক তুমি প্ৰসংশা কৰা উচিত যে মই এনে এজনী শাহুৰো মৰম আদায় কৰিব পাৰিছো। মাকে কলে - "সকলোৱে কয় তেওঁৰ লগত মিলাপ্ৰীতিৰে থকা বৰ কঠিন, তথাপিও তই যে তেওঁৰ মৰম আদায় কৰিব পাৰিছা তাৰ বাবে তই খুব ভাগ্যৱতী।

এইটো শুনি সৰলাই কলে, - "এইবোৰ

সঁচা নহয় মা । মোৰ শাহুৱে - মোক খুব কষ্ট দিয়ে, গালি পাৰি থাকে, তথাপি মই ভালৰ বাবেই তেওঁৰ প্ৰশংসা কৰি থাকো । তুমিহে মোৰ নিজৰ মা হৈয়ো মোৰ এই ভাল গুণবোৰৰ প্ৰশংসা নকৰা বাবে মোৰ মনত কষ্ট হয় ।

মাকে নিজৰ ভূল স্বীকাৰ কৰি কলে, তেওঁতো এইবোৰ ভবাই নাছিল । তেওঁ আকৌ কলে, মই এতিয়াই তোৰ শাহুৰ তালৈ যাম আৰু তেওঁক সুধিম তেওঁ কিয় নিজৰ বোৱাৰীয়েকক কষ্ট দিয়ে ।

তুমি যোৱাৰ প্ৰয়োজন নাই মা । তুমি মাথোঁ মোক ৰল বুলি আৰু শাহুক বেয়া বুলি জানি থোৱা, এয়ে যথেষ্ট ।" সৰলাই কলে।

এইবোৰ শুনি মাকৰ মন ভাল নালাগিল। তেওঁ সুভদ্ৰাৰ দূৰ সম্পৰ্কীয়া মীনাক্ষীৰ আগতে সৰলাৰ মাকে গোটেইবোৰ কথা ভাঙি পাতি কলে, যাতে তেওঁ সুভদ্ৰাৰ এই বিষয়ে বুজায় । এই কথা শুনি মীনাক্ষীয়ে আচৰিত হৈ কলে, তেতিয়া হলে শাহু বোৱাৰী কোনো জনীয়েই কম নহয় ।"

সৰলাৰ মাকে সুধিলে, "আচল কথাটোনো কি কোৱাচোন ।" ওলাই অহা হাঁহিটো কোনোমতে চেপি ৰাখি মীনাক্ষীয়ে কলে, যোৱা মাহত মই তেওঁলোকৰ ঘৰলৈ গৈছিলো । শুভদ্ৰাই সৰলাৰ প্ৰশংসা কৰা শুনি মই কলো, এনেকুৱা বোৱাৰী পোৱা ভাগ্যৰ কথা । তেতিয়া তেওঁ কলে, সৰলাৰ কথাটো তুমি আগৰ পৰা জানাই, তাই মোৰ লগত প্ৰায়ে কাজিয়া কৰি যাকে তথাপি মই তাইৰ প্ৰশংসা কৰো । মোৰ এই উদাৰতাৰ বাবে তুমি মোক বাহবাহ দিয়া উচিত ।

মীনাক্ষীৰ কথা শুনি সৰলাৰ মা স্তব্ধ হৈ ৰ'ল । তেওঁ বুজি পালে যে শাহু বোৱাৰী দুয়োজনীয়ে ইজনীয়ে সিজনীৰ প্ৰশংসা পাঠলৈ নাটক কৰি আছে । দুয়োৰে উদ্দেশ্য হৈছে নিজতকৈ আনজনীক বেয়া বুলি প্ৰতিপন্ন কৰাটো, কিন্তু এইটো মন কৰিবলগীয়া কথাযে, এই অৰিয়াঅৰিৰ কাৰনে পৰিয়ালটো সুখত আছিল ।

সৰলাৰ মাকেও একো নোকোৱাকৈ তাৰ পৰা গুচি গ'ল ।



(কৌণ্ডিন্য দেশৰ যুৱৰাজ বিজয়দত্ত ৰাজ্যাভিষেকৰ বাবে সাজু হ'ল । স্বৰ্ণ সিংহাসনৰ প্ৰথম যি দুটা ঢাপ আছিল, তাৰ ওপৰত সালভঞ্জিকাৰ ৰূপত থকা সত্যশক্তি আৰু ধৰ্মশক্তিৰ সন্দেহ অতি দক্ষতাৰে দূৰ কৰিলে । তৃতীয় ঢাপত থকা ন্যায় সালভঞ্জিকাই বিজয়দত্তৰ ন্যায় বিচাৰৰ পৰীক্ষা কৰিব বিচাৰিলে। ইয়াৰ বাবে তেওঁ ন্যায়বৰ্দ্ধন মহাৰাজক ন্যায় পালনৰ বিষয়ে কলে আৰু লগতে তেওঁৰ ওচৰলৈ লৈ অহা তিনিটা বিবাদৰ বিষয়ে বিষদ ভাবে কবলৈ ধৰিলে ।) **ইয়াৰ পাচত :**

সেইদিনাৰ ন্যায় বিচাৰৰ কাৰ্য্যক্ৰম সমাপ্ত হ'ল । কুমাৰকেতুয়ে প্ৰথমৰ পৰাই অতি শ্ৰদ্ধাৰে ন্যায় বিচাৰৰ প্ৰক্ৰিয়া শুনি আছিল। ইয়াকে লৈ ৰাজমন্দিৰ গৈ পোৱালৈকে তেওঁ চিন্তাভাবনা কৰি থাকিল ।

ৰাতি ৰজাই তেওঁক অতি মৰমেৰে তেওঁৰ ওচৰলৈ মাতিলে আৰু কলে - "পুত্ৰ, তুমিতো ন্যায় বিচাৰৰ প্ৰক্ৰিয়া ভালদৰে শুনিছা আৰু দেখিছা । মই এই সম্বন্ধে এটা কথা কব বিচাৰিছো । অতি মনোযোগেৰে শুনিবা । প্ৰধান ব্যৱসায়ী ৰত্ন গুপ্তৰ একমাত্ৰ পুত্ৰ হ'ল হেমগুপ্ত । তেওঁ এজন জুৱাৰী, মদাপী আৰু এলেহুৱা । পিতাকে এসপ্তাহত অৰ্জন কৰা ধন সি এঘণ্

টাতে উৰাই দিয়ে। সি এজন অধম। এতিয়া মই ন্যায় বিচাৰৰ বিষয়ে তোমাৰ সিদ্ধান্ত আৰু তোমাৰ সমীক্ষা জানিবলৈ খুবেই উৎসুক।"

ন্যায়বৰ্দ্ধনৰ কথা শুনি কুমাৰ কেতুৰ মুখমণ্ডল আনন্দতে পোহৰ হৈ উঠিল।

এই সকলোবোৰ কোৱাৰ পাচত সালভঞ্জিকা বল আৰু বিজয়দত্তক সুধিলে -"যুৱৰাজ, ৰাজা ন্যায়বৰ্দ্ধনৰ গাত যিমান ন্যায়ৰ বৈশিষ্ট্য আছে, সেইবোৰ কি তোমাৰ গাতো বিদ্যমান? সঁচাকৈয়ে যদি তোমাৰ গাত আছে, তেতিয়াহলে তুমিয়েতো ইয়াৰ ওপৰত কুমাৰকেতুতকৈ ভালোদৰে সিদ্ধান্ত লব পাৰিবা। আৰু যদি এইটো কবলৈ যোগ্য বুলি বিবেচিত হোৱা তেতিয়াহলে এই অদ্ভুত ধৰ্মপীঠৰ সকলোতকৈ অদ্বিতীয় এই স্বৰ্ণ সিংহাসনৰেই অকল গৰাকী নহবা, লগতে এই সিংহাসনৰ সৃষ্টিকৰ্তা পুলিন্দ ভট্টাৰকৰ অসামান্য সৃষ্টি মন্ত্ৰপূত 'ৱাল চন্দ্ৰহাসকো পুৰস্কাৰ স্বৰূপে পাব পাৰা। কিন্তু ইয়াতে যদি তুমি অসফল হোৱা তেতিয়াহলে এতিয়ালৈকে কৰা সকলো শ্ৰমেই ব্যৰ্থ হব। তোমাৰ চকুৰ আগত বিদ্যমান এই সিংহাসণ অদৃশ্য হৈ যাব আৰু আগৰ ঠাই গৈ থাকিব। সেয়েহে বিজয়দত্ত, চেষ্টা কৰা। বিজয়ী হোৱা, দিগ্বিজয়া হোৱা।"

অতি বিনয়েৰে কথাবোৰ শুনি বিজয়দত্তই ততলিকে কলে -"হে ন্যায়মূৰ্ত্তি, নিজৰ বিলক্ষণতা আৰু চিন্তা কৰাৰ ক্ষমতাৰ বিষয়ে মই নিজে কোৱাতো উচিত নহব। সেইদৰে বেচি বেচিকৈ কোৱাতোও মই পচন্দ নকৰো। মোৰ ব্যাখ্যা শুনাৰ পিচত এই সিদ্ধান্ত লোৱাৰ দায়িত্ব আপোনাৰহে মোৰ তেনে শক্তি আছে নে নাই।"

পুনৰ তেওঁ কবলৈ ধৰিলে -

"সম্পূৰ্ণ মানৱ জাতিক তিনি বৰ্গত বিভক্ত কৰিব পাৰি। সেয়া হল -উত্তম, মধ্যম আৰু অধম। নিজৰ নিজৰ বুদ্ধি, বিবেচনা আৰু সংস্কাৰৰ কাৰণে প্ৰতিটো মানুহে এই তিনি বৰ্গৰ কোনোবা নহয় কোনোবা এটাৰ অন্তভূক্ত হবই। ন্যায় বিচাৰৰ বাবে অহা এই ব্যক্তে সকল এই তিনি বৰ্গৰ কোনটা বৰ্গৰ, ইয়াৰ সিদ্ধান্ত ৰজাই লব। ইয়াৰ বাবে ৰজাই নিজৰ সুক্ষ্ম বুদ্ধি খতোৱা উচিত। ৰজাই যিমান ভালদৰে চিন্তা

আৰু বিবেচনা কৰিব পাৰিব সিমান ভালদৰে বিচাৰৰ ৰায় দিব পাৰিব । সেইবোৰ এনেধৰণৰ -উত্তম দোষী মানুহৰ দন্ড হিচাপে এটা সৰু কথাই যথেষ্ট । মধ্যম দোষীৰ দন্ডৰ কাৰণ বিৱৰণ সহ কব লাগিব আৰু তেওঁক সৰু- সুৰা দন্ড বিহিলেই, যথেষ্ট হব । অধম বিধ হ'ল এটা সৰু সাপৰ দৰে । কথিত আছে - সৰু সাপ ডাঙৰ লাঠিৰে মাৰিব লাগে । অধমৰ অপৰাধ সৰু হলেও তাক ভালদৰে ভয় খুৱাব লাগে , ধমক দিব লাগে । লগতে তাক দন্ডও বিহিব লাগে ।

আত্মাভিমানীয়ে এটা সৰু অপৰাধ কৰিলেও মনত দুখ কৰে আৰু নিজৰ কৃত কৰ্মৰ বাবে অনুশোচনা কৰে । উত্তম দোষীয়ে পৰিস্থিতিৰ প্ৰভাৱত দোষ কৰে আৰু পিচত নিজৰ ভুল স্বীকাৰ কৰে । মধ্যম দোষী নিজৰ দোষৰ বাবে দুখী নহয় । আৰু অধমসকলে নিজৰ ভুল মানিলবলৈকে অস্বীকাৰ কৰে ।

ৰজাৰ ওচৰলৈ যিবোৰ লোক আহে তেওঁলোকে এই তিনি বৰ্গৰ কোন বৰ্গৰ পৰে ৰজাই সেইতো জনা উচিত । ন্যায় পালনৰ বাবে এইটোৱে হল প্ৰধান সূত্ৰ । ইয়াৰ বাহিৰেও ৰজাই তেওঁৰ ৰাজ্যৰ প্ৰধান ব্যক্তিসকলৰ গতিবিধিৰ খবৰ ৰখা উচিত । তেওঁলোকৰ জীৱন ধাৰণ পদ্ধতি আৰু তেওঁলোকৰ ব্যক্তিগত জীৱনৰ কিছু কথাও জানি থোৱা বিশেষ জৰুৰী । ইয়াৰ বাবে নিজৰ গুপ্তচৰ লগোৱা উচিত ।

ন্যায়বৰ্দ্ধনে যি তিনিটা বিবাদৰ শুনানি ললে ইয়াৰ ভিতৰত প্ৰথম দোষী হ'ল বীৰ

তেওঁ মধ্যম বৰ্গৰ । তেওঁ কৰা ভুল আৰু এই সম্বন্ধে ৰজাই লোৱা ন্যায় সিদ্ধান্ত প্ৰশংসনীয় আৰু ন্যায় শাস্ত্ৰৰ অনুকুলে ।

এতিয়া ধনগুপ্তৰ বিষয়ে কোৱা যাওক । তেওঁ উত্তম বৰ্গৰ দোষী । তেওঁৰ বিষয়ে ৰজাই লোৱা সিদ্ধান্তও গভীৰ ধৰণৰ । ফৰিয়াদী মণিকৰ্ণই বুজিবই নোৱাৰিলে ৰজাই কাক দোষী সাব্যাস্ত কৰিলে । এই বিবাদ আৰু ইয়াৰ ওপৰত লোৱা ৰজাৰ সিদ্ধান্তৰ বিষয়ে জানিবলৈ হলে সুভদ্ৰা দেশৰ মুখ্য ব্যক্তিসকলৰ ভিতৰৰে এজন , ৰত্নগুপ্তৰ ব্যক্তিগত জীৱন ধাৰণ সম্পৰ্কে জনাতো আৱশ্যক ।

ৰত্নগুপ্ত বিশ্বাসযোগ্য আৰু ভাল স্বভাৱৰ ব্যক্তি । মণিকৰ্ণই যেতিয়া অন্য



বেপাৰীসকলক তেওঁৰ বিষয়ে সুধিলে সকলোৱে তেতিয়া তেওঁৰ বিষয়ে ভালেই কলে আৰু এইটো সঁচাও । এনে ভাল মানুহে যদি কোনো অপৰাধ কৰে তাৰ অন্তৰালত কিবা কাৰণ থাকিব লাগিব । সেই কাৰণতো হ'ল ৰত্নগুপ্তৰ একমাত্ৰ পুত্ৰ হেমগুপ্ত । অসত পথে যোৱা এই পুত্ৰক ভাল পথে আনিবলৈ পিতাকে বহুত চেষ্টা কৰিলে । কিন্তু যেতিয়া সফল নহল তেতিয়া তেওঁ ভাবিলে যেনেকৈয়ে নহওক পুত্ৰৰ ভৱিষ্যতৰ বাবে কিছু অৰ্জন কৰি লোৱা উচিত ।

মহাৰাজ ন্যায়বৰ্দ্ধনে ৰত্নগুপ্তৰ বিষয়ে বহুতো জানে । সেয়েহে তেওঁ জানিব পাৰিলে ৰত্নগুপ্তই সহজতে উপাৰ্জন কৰিবলৈ এই সৰল পথ ললে আৰু বিদেশী যুৱকক প্ৰতাৰণা কৰিবলৈও ইতস্ততঃ নকৰিলে । বিশ্বাসযোগ্য ব্যক্তিয়ে যেতিয়া দোষ কৰে, তেতিয়া তেওঁ ইয়াকে কৈ সাৰি যাব বিচাৰে যে, মই সেই কাম কৰা নাই । তেওঁ নিজৰ সমৰ্থনত কাহিনী তৈয়াৰ নকৰে । ৰত্নগুপ্তইও তাকে কৰিলে । ইয়াতে ৰজাৰ সন্দেহ আৰু দৃঢ় হ'ল । "আপোনাৰ পুত্ৰ ভালে আছেতো" এইবুলি কৈ আৰু এপাত যেন বাণ এৰিলে । ৰজাৰ প্ৰশ্ন শুনি ৰত্নগুপ্তই বুজি পালে যে সুচতুৰ ৰজাই তেওঁৰ আচল কথা জানিব পাৰিছে । তেতিয়া তেওঁৰ মুখৰ বৰণ সলনি হ'ল । ৰজাই তেওঁৰ পৰিস্থিতি বুজিব পাৰি তেওঁক কিছুসময় অকলে থাকিবলৈ পঠালে ।

উত্তম দোষীৰ বাবে তেওঁৰ অন্তৰাত্মাই হ'ল ডাঙৰ ন্যায়াধিকাৰী । নিৰ্জনত থাকিলে অন্তৰাত্মাই দোষীক বাৰে বাৰে কয় তোমাৰ দোষ হৈছে, তোমাৰ ভুল হৈছে ।

ৰত্নগুপ্তইও নিৰ্জনত থাকি সেইতো ব্যথাই অনুভব কৰিলে । সেয়েহে তেওঁ উভতি আহোতে তেওঁৰ মুখৰ ৰঙৰ পৰিবৰ্তন হ'ল । তেতিয়া ৰজাই ৰত্নগুপ্তৰ মৰ্য্যাদা হানি নকৰি তেওঁক কলে "মণিকৰ্ণ তোমাৰ পুত্ৰৰ সমান । তুমি পিতাৰ দৰে তেওঁক মৰম কৰা উচিত, আদৰ কৰা উচিত । তুমি এইদৰে তেওঁক জালত পেলাই প্ৰতাৰণা কৰা উচিত নহয় ।" অৰ্থপূৰ্বক সঙ্কেতেৰে তেওঁ এই কথা কলে । ৰত্নগুপ্তই ৰজাৰ এই সতৰ্কবাণী বুজিব পাৰিলে ।

ৰজাই তেওঁক অপমানৰ হাতৰ পৰা উদ্ধাৰ কৰিলে, তাৰ বাবে কৃতজ্ঞতা জনালে। মহাৰাজে জানিব বিচাৰিছিল ৰত্নগুপ্তই মণিকৰ্ণৰ মাল ওভতাই দিছে নে নাই, সেয়েহে তেওঁ পিচদিনা আহিবলৈ কলে। লগতে এইটোও সাৱধান কৰি দিলে ভুলতেওঁ যাতে তেওঁ কতো ৰত্নগুপ্তৰ ৰহস্যৰ কথা নকয়। গূঢ় পদ্ধতিৰেই এই দ্বিতীয় বিবাদৰো নিষ্পত্তি হ'ল।

এতিয়া থাকিল তৃতীয় বিবাদৰ বুঢ়ীৰ কথা। তেওঁ অধম বৰ্গৰ মুৰ্খ তিৰোতা। সেয়েহে ৰজাই তেওঁৰ লগত কঠোৰ ব্যৱহাৰ কৰিলে আৰু জেললৈ পঠাই দিলে।

"হে ন্যায়শক্তি, এই তিনিটা বিবাদৰ বিষয়ৰ ওপৰত মোৰ ব্যাখ্যা ইমানেই" এইবুলি কৈ নিজৰ বক্তব্য সম্পূৰ্ণ কৰিলে।

বিজয়দত্তৰ উত্তৰ সম্পূৰ্ণ হোৱাত তৃতীয় সালভঞ্জিকাই আনন্দ প্ৰকাশ কৰি কলে "ধন্য যুৱৰাজ, ধন্য! পুলিন্দ ভট্টাৰকে যি বুদ্ধিমান লোকৰ কল্পনা কৰিছিল সেইজন আৰু আন কোনো নহয়, তুমিয়েই। সেই মহান তন্ত্ৰজ্ঞানীৰ কল্পনাৰ উত্তৰাধিকাৰী আৰু আন কোনো নহয়, তুমিয়েই। সেই মহান তন্ত্ৰজ্ঞানীৰেই সৃষ্টি এই স্বৰ্ণ সিংহাসন। সেই ভাগ্যবানজন তুমিয়েই, যিয়ে এই সিংহাসনত আৰোহণ কৰাৰ যোগ্যতা অৰ্জন কৰিছে। এতিয়া তুমি চক্ৰৱৰ্ত্তী হৈ অখণ্ড কীৰ্তি আৰু প্ৰতিষ্ঠা লাভ কৰা। নিশ্চিন্তে এতিয়া তুমি এই সিংহাসনত আৰোহণ





কৰিব পাৰা । তোমাক মই অভিনন্দন জনালো ।"

তিনিও সালভঞ্জিকাই মুক্ত কণ্ঠেৰে কলে - "জয় হওক, বিজয়দত্ত যুৱৰাজৰ, জয় হওক । বিজয়ী হোৱা, দ্বিগ্বিজয়ী হোৱা ।"

সেই জয়ধ্বনিৰ লগে লগে গোটেই সভাঘৰ হাত তালিৰে ৰজন জনাই গ'ল । তেতিয়া বিজয়দত্তই নিজৰ সোঁভৰিখন শেষ চিৰিত ৰাখিলে । তাৰ পিচত বংশৰ কুলদেৱী গায়ত্ৰীৰ ভৰিৰ ওচৰত পদুম ফুলৰ আঁকাৰৰ যি শিল্প সুশোভিত আছিল সেইটো পদুম ফুলৰ সমান ডাঙৰ হৈ বিকশিত হৈ উঠিল । পদুম ফুলৰ মাজত মানিক গোট খাই আছিল। সেই নৱৰত্ন খচিত তৰোৱালৰ খাপত চন্দ্ৰহাস তৰোৱালখন পদুম ফুলৰ ওপৰত পোন হৈ থিয় হৈ থাকিল ।

বিজয়দত্তই গায়ত্ৰীদেৱীৰ ভাৰি চুই প্ৰণাম কৰিলে আৰু চন্দ্ৰহাসখন নিজৰ হাতত লৈ চকুৰে সেইখন স্পৰ্শ কৰিলে । তাৰ পিচতে পদ্মই নিজৰ আচল ৰূপ ধাৰণ কৰিলে । বেদজ্ঞ পণ্ডিতসকলে মন্ত্ৰ পাঠ কৰি বিজয়দত্তক মহাৰাজ পাতিলে ।

সেইদিনা ৰাতি বৃদ্ধ ৰজা শ্ৰীদত্ত শুই আছিল । হঠাৎ কোনো শব্দ শুনি তেওঁ চকখাই উঠি বহিল । তেওঁ দেখিবলৈ পালে যিটো পাৰ চৰাই শ্ৰীলেখা অহাৰ পিচদিনা আহিছিল, সেই পাৰটোৱে খিৰিকিৰ ওচৰত পাখীদুখন ধপধপাই বাহি আছে । শ্ৰীদত্তক জগাবলৈকেন সেই পাৰটো তেওৰ কাষলৈ আহি বহিল । শ্ৰীদত্তই পাৰটোৰ পিঠিত হাতবুলাই দিলে আৰু তাৰ ভৰিত বান্ধি থোৱা চিঠিখন লৈ ললে ।

"স্বৰ্ণ সিংহাসনাধীপতি বিজয়দত্তলৈ আমাৰ শুভ কামনা আৰু শুভ আশীষ ।" ইয়াৰ ওপৰত মাধৱসেন আৰু বসুমতিৰ হস্তাক্ষৰ আছিল । সেই চিঠিখন পঢ়ি শ্ৰীদত্ত আনন্দিত হৈ উঠিল । সেই খবৰ তেওঁ পুত্ৰ আৰু বোৱাৰীয়েককো দিলে ।

ইয়াৰ কিছুদিন পিচত পূৰ্ব পৰিকল্পনা অনুসৰি কালিন্দী, চম্পক আৰু কুন্দ দেশৰ সৈন্যসকলে কৌণ্ডিণ্য ৰাজ্য আক্ৰমণ কৰিলে । যুদ্ধ আৰম্ভ হোৱাৰ আগতে মাধৱসেনে দিয়া আদেশ অনুসৰি কালিন্দীৰ

সেনাসকলে চম্পক দেশৰ সেনাসকলক মৃত্যুৰ মুখলৈ থেলি পঠালে। এইবোৰ দেখি কুন্দ দেশৰ সেনাসকলে বুজি নাপালে শেষত কাৰ বিৰুদ্ধে যুদ্ধ কৰিব। তেওঁলোক দিশহাৰা হ'ল। মৱালভূপতিৰ সন্দেহ হৈছিল ইয়াৰ ভিতৰত কোনো ষড়যন্ত্ৰ আছে। তেওঁ বুজিব পাৰিলে মাধৱসেনে তেওঁৰ সৈতে ছলনা কৰিছে।

বিজয়দত্তৰ অনুমানেই সঁচা। তেওঁ দেখিবলৈ পালে তেওঁৰ সহুৰেক মাধৱসেনৰ সেনাই শত্ৰু সংহাৰ কৰিবলৈ ধৰিছে। তেতিয়া তেওঁৰো উৎসাহ দুগুণে বাঢ়ি গ'ল। মন্ত্ৰপূত নিজৰ চন্দ্ৰহাস তৰোৱালখন লৈ পঞ্চ কল্যাণী ঘোঁৰাৰ ওপৰত উঠি বিজুলী বেগে শত্ৰুৰ ওপৰত জাপিয়াই পৰিল।

এতিয়া মাধৱসেনৰ জোঁৱাইৰ সন্মুখলৈ আহিবলৈ সাহস হ'ল। মাধৱসেনে জোঁৱেকৰ হাতত ধৰি কলে "বিজয়! মই নিজৰ আত্মীয়ৰ লগতে বেইমানি কৰিছো। সাৰ্বভৌম হোৱাৰ মোৰ মহৎ আকাঙ্ক্ষাই মোক পথভ্ৰষ্ট কৰিছে। ঠিক সময়ত সজাগ হোৱাত ভালেই হ'ল। নহলে সৰ্বনাশ হ'লহেতেন। মোৰ ভুলৰ বাবে মই সঁচাকৈয়ে লজ্জিত। মোক ক্ষমা কৰা।

বিজয়দত্তই হাঁহি মাৰি কলে - "যি হৈ গ'ল সেইবোৰ পাহৰি যাওঁক। এতিয়া জানি ৰাখক এই দেশো আপোনাৰেই।"

বিজয়দত্ত এই বিজয়ৰ ওপৰত সন্তুষ্ট নহ'ল। তেওঁ বহুতো সৈন্য লগত লৈ দ্বিগ্বিজয় কৰিবলৈ ওলাই গ'ল। এই কথাটো গোটেই দক্ষিণাপথতে জুইৰ দৰে বিয়পি পৰিছিল যে চম্পক, কালিন্দী আৰু কুন্দ এই তিনিখন ডাঙৰ ৰাজ্য বিজয়দত্তৰ অধিনলৈ গ'ল।

এতিয়া সৰু সৰু ৰাজ্যৰ ৰজাবোৰে নিজৰ ভিতৰতে কথা হৈ তেওঁলোকেও বিজয়দত্তৰ অধীন হ'ল। তেওঁলোকে সামন্ত ৰাজ্যৰ ৰজা হৈ বিজয়দত্তৰ অধীনত থাকিব।

বিজয়দত্তই এতিয়া দক্ষিণাপথৰ সাৰ্বভৌমত্বও নিজৰ হাতলৈ আনিলে আৰু নিজৰ নাম সাৰ্থক কিৰলে।

সমাপ্ত



এক মহাণ সভ্যতাত এভূমুকি
যুগে যুগে সত্যৰ বাবে গৌৰৱময় অনুসন্ধাণ

৯. সেই বালক যিয়ে নিজে নিজৰ ভাগ্য পৰিবৰ্তন কৰিলে

ককাদেউতা, আমাৰ এই উৎসৱবোৰ আৰু ইয়াৰ ৰীতি নীতি সম্পৰ্কেই বা আমি কিমান জানো ? আপুনি নিজেই ভাবি চাওকচোন এই বিষয়ে আমি কিমান অজ্ঞ" চামেলীয়ে ক'লে।

ককাকে ক'লে,-" বাস্তৱিকতে উৎসৱ আৰু ইয়াৰ ৰীতি নীতিৰ আঁৰত একোটা সত্য লুকাই আছে, যাৰ মহত্বও আছে। কিন্তু, আমি এই কাহিনীবোৰৰ প্ৰতিও মনোযোগ দিয়া উচিত যিবোৰ কাহিনী এই উৎসৱবোৰৰ সৈতে শ শ বছৰ ধৰি প্ৰচলিত হৈ আছে।

সন্দীপে সুধিলে -" ককাদেউতা, এই কাহিনীবোৰ কেনেদৰে উৎপত্তি হ'লনো ?

ইয়াৰ বহুতো কাৰণ আছে। তাৰভিতৰত মুখ্য কাৰণ হ'ল অভিজ্ঞতা। যদি কোনো ব্যক্তিয়ে কোনো ঘটনা সম্পৰ্কে নাজানে তেতিয়া দ্বিতীয় এজণে সেই বিষয়ে তেওঁক কোৱা উচিত।

তোমালোকে বেৰত আঁৰিথোৱা সেই চিত্ৰখন দেখিছা নিশ্চয়, যৰপৰা বহুতো বিভৎস ছবি তৈয়াৰ কৰা হৈছে।

য'ত শিৱ ভগবানৰ ফালে জাল পোলোৱা হৈছে। শিৱৰ ত্ৰিশূল তেওঁলোকে দূৰলৈ পেলাই দিছে।

"ককাদেউতা এইটো টেলিপেথি বুলি অনুমান হয়।

বহুবাৰ মই আপোনাক সুধিব বিচাৰিছো সেই চিত্ৰখনত শিৱৰ পিচফালে ধুনীয়া সৰু ল'ৰাজনে যে হাতযোৰ কৰি থিয় হৈ আছে তেওঁৰ উদ্দেশ্য কি ?

চিত্ৰখণত দেখুৱা মতে সেই ল'ৰাজনৰ উপস্থিতিৰ আঁৰত নিশ্চয় কোনো কথা আছে। ককাদেউতা আপুনি সেই

কাহিনীটো সম্পৰ্কে আমাক কবনে ?" চামেলীয়ে ককাকক অনুৰোধ কৰিলে ।

"নিশ্চয় কম চামেলী । কাৰণ তোমালোকে যিখন চিত্ৰ দেখিছা সেইখন বুজিবলৈ কাহিনীৰ আৱশ্যক হব ।" অধ্যাপক দেৱনাথে এইবুলি কৈ কাহিনী কবলৈ আৰম্ভ কৰিলে ।

"বহুদিন আগতে মৃকন্ডা নামৰ এজন ঋষি আছিল । তেওঁৰ কোনো সন্তান নাছিল। ইয়াৰ বাবে তেওঁ বহুবছৰ ধৰি ভগবান শিৱক তপস্যা কৰিবলৈ ধৰিলে । তেওঁৰ ভাগ্যত নিঃসন্তান হোৱাতোয়ে লিখা আছিল । সেয়েহে প্ৰথমতে তেওঁৰ তপস্যাৰ কোনো ফল পোৱা নাছিল । এদিন ভগবান শিৱ আবিৰ্ভাব হৈ মৃকন্ডাক সুধিলে "তোমাক কেনেকুৱা পুত্ৰ লাগে ? ১০০ বছৰলৈ জীয়াই থকা এজন মুৰ্খ পুত্ৰ নে মাত্ৰ মাত্ৰ ১২ বছৰ জীয়াই থকা এজন জ্ঞানবান সজ্জন পুত্ৰ?"

মৃকণ্ডা ঋষি নিজেই এজন সাধু ব্যক্তি হোৱা হেতুকে কম আয়ুৰ জ্ঞানবান পুত্ৰই বিচাৰিলে ।

কেইদিনমান পাচত তেওঁৰ ঘৰত এটা পুত্ৰ সন্তান জন্ম হ'ল । নাম ৰাখিলে মাৰ্কণ্ডেয় । মাত্ৰ পাঁচ বছৰ বয়সতে মাৰ্কণ্ডেয়ই নিজৰ ক্ষমতা আৰু জ্ঞানৰ পৰিচয় দিবলৈ ধৰিলে । মাৰ্কণ্ডেয়ৰ জ্ঞানৰ কথা শুনি দূৰ-দূৰণিৰ পৰা সাধু সন্ন্যাসীসকল তেওঁক লগ পাবলৈ আহিবলৈ ধৰিলে আৰু তেওঁৰ কথা শুনি সন্তুষ্ট হ'ল । মাৰ্কণ্ডেয়ই অকল নিজৰ জ্ঞানৰ বাবেই নহয় বৰং সকলোৰে প্ৰতি দেখুৱা শিষ্ট ব্যৱহাৰ আৰু নম্ৰ আচৰণে সকলোকে মোহিত কৰিলে ।

যেতিয়া তেওঁৰ বয়স ৮ বছৰ সেইসময়তে সাধুসকলক বেদৰ কথা ভালদৰে বুজাই দিছিল । নিজৰ পুত্ৰৰ জ্ঞান গৰিমাৰ বাবে তেওঁৰ পিতৃ মাতৃয়ে গৌৰৱ বোধ কৰিছিল কিন্তু মাৰ্কণ্ডেয়ৰ যেতিয়া দহ বছৰ বয়স হ'ল তেওঁৰ পিতা মাতাৰ মনত মুখৰ ছাঁ দেখা দিলে । তেওঁলোকে বুজিব পাৰিছিল আৰু দুবছৰ পিচত তেওঁলোকৰ

এই জ্ঞানবান পুত্ৰজন আৰু জীয়াই নাথাকিব। দুখতে তেওঁলোকৰ চকুপানী ওলাবলৈ ধৰিলে । মাৰ্কণ্ডেয়ৰ আয়ুস যেতিয়া আৰু কেইমাহমান বাকী আছে তেওঁলোকে মাৰ্কণ্ডেয়ক সাবতি ধৰি কান্দিবলৈ ধৰিলে । তেওঁলোকে এইদৰে নিজৰ ভাগ্যক দো দি কন্দা দেখি মাৰ্কণ্ডেয়ই পিতাকক সুধিলে "পিতাদেউ, আপুনি এজন ঋষি হৈও কি দুখৰ বাবে এইদৰে কান্দিব ধৰিছে ? আৰু মোৰ দৃঢ়মনা শান্ত শিষ্ট স্বভাৱৰ আই মাতৃয়েও এইকেই দিন এজনী অৱলাৰ দৰে চকুপানী বোৱাই নিজৰ ভাগ্যকে দোষ দি আছে । এইবোৰ কি কথা? দয়া কৰি ইয়াৰ কাৰণ কওকচোন । মই আপোনালোকৰ দুখ মোচন কৰিম ।" মাৰ্কণ্ডেয়ই কলে ।



খুব দুঃখিত ভাবে মৃকণ্ড ঋষিয়ে পুতেকক কলে, "হে পুত্ৰ তুমি আমাৰ দুখ নিবাৰণ কৰিব নোৱাৰা । তুমিয়েই যে আমাৰ দুখৰ কাৰণ এই কথাটো কবলৈকে মোৰ হৃদয় ফাটি যায় ।" অতি আচৰিত হৈ মাৰ্কণ্ডেয়ই পিতাক সুধিলে, "পিতাদেউ, মই ইমানেই অযোগ্য আৰু পতকীনে যাৰ বাবে মই পিতৃ মাতৃৰ দুখৰ কাৰণ হলো ।"

"আচলতে ইয়াৰ কাৰণ অন্যহে । তুমি ইমানেই জ্ঞানবান, গুণবান পুত্ৰ যাৰ বাবে তুমি নহলে আমি জীয়াই থাকিব নোৱাৰিম ।" এইবুলি কৈ মৃকণ্ড ঋষিয়ে মাৰ্কণ্ডেয়ক তেওঁৰ জন্ম কথা কৈ শুনালে ।

মাৰ্কণ্ডেয় কিছু সময় মৌন হৈ থাকিল । তাৰ পাচত পিতৃ মাতৃৰ প্ৰতি সৌহাৰ্দ আৰু ভক্তি ভাবেৰে দুয়োকে কলে - "আপোনালোকে চিন্তা নকৰিব । এইটো বিষয় এতিয়া মোৰ ওপৰত এৰি দিয়ক । মোক নিজৰ ভাগ্য নিজে চাবলৈ দিয়ক ।"

মাৰ্কণ্ডেয়ই এক নিৰ্জন স্থান বিচাৰি উলিয়াই তাতেই গভীৰ ধ্যানত বহি গ'ল । কোনেও যাতে তেওঁৰ ধ্যানত বাধা নজন্মাই ইয়াৰ বাবে তেওঁ আগতে বন্ধু বান্ধৱ আৰু মাতা পিতাক কৈ থৈছিল । লাহে লাহে মাৰ্কণ্ডেয় শিৱৰ ধ্যানত ইমানেই

নিমগ্ন হ'ল যে, তেওঁ শিৱৰ অংশত বিলীন হৈ গ'ল । অৰ্থাৎ শিৱ আৰু মাৰ্কণ্ডেয় এক হৈ গ'ল । ইয়াত শিৱৰ অৰ্থ শুদ্ধ আৰু যাক সমাপ্ত কৰিব নোৱাৰি । এইটো হোৱাৰ পাচত মাৰ্কণ্ডেয়ই সময়, জন্ম আৰু মৃত্যুক নিজৰ বশ কৰি ললে ।

ভগবান শিৱৰ বৰ অনুসাৰে যেতিয়া মাৰ্কণ্ডেয়ই ১২ বছৰ বয়স পূৰ্ণ কৰিলে বিধান মতে মানৱ শৰীৰৰ পৰা আত্মাক মুক্তিদাতা শক্তি আহি মাৰ্কণ্ডেয়ৰ ওচৰ পালে । কিন্তু নিজৰ তপস্যাৰ বলত মাৰ্কণ্ডেয় শিৱৰ লগত বিলীন হৈ যোৱা বাবে সেই শক্তি অসফল হৈ উলতি গ'ল ।

এবাৰ যেতিয়া মৃত্যুৰ সময় পাৰ হৈ গ'ল মাৰ্কণ্ডেই এজন নতুন ব্যক্তিৰ ৰূপত নতুন জীৱন পালে । লাহে লাহে তেওঁ গভীৰ নিদ্ৰাৰ পৰা ওলাই আহি ওপৰলৈ চালে । তেওঁ দেখিবলৈ পালে সাতজন মহান ঋষিয়ে তাৰ পৰা যাব ধৰিছে । মাৰ্কণ্ডেয়ই সকলোকে প্ৰণাম জনালে আৰু তেওঁলোকেও মাৰ্কণ্ডেয়ক দীৰ্ঘায়ু হবলৈ আশীৰ্বাদ দিলে । এইদৰে মাৰ্কণ্ডেয়ই দীৰ্ঘায়ু লাভ কৰিলে ।

এই পৌৰাণিক কাহিনী শুনি সন্দীপ আৰু চামেলী ইমানেই নিমগ্ন হৈ আছিল যে, তেওঁলোকে তাৰ পৰা উঠিবই বিচৰা নাছিল । কিন্তু অধ্যাপক ককাৰ সেই সময়ত অন্য কেইজনমান মানুহৰ লগত দেখা কৰাৰ কথা আছিল, সেয়েহে তেওঁলোক তাৰ পৰা উঠি গ'ল ।

অকণিহঁত, এতিয়া তোমালোকে বুজিব পাৰিছা যিখন চিত্ৰৰ কথা মই কৈছিলো তাৰ অৰ্থ কি । মৃত্যুক জয় কৰা এই কাম সম্পূৰ্ণ ভাৱে "শিৱো অহম্" ক বুজাব পৰা নাযায় । সেয়েহে এই পুৰণি সত্য জীয়াই ৰাখিবলৈ এইবোৰ এক নাটকৰ ৰূপত প্ৰস্তুত কৰা আৱশ্যক আছিল । প্ৰচলিত কাহিনী মতে যমৰজা আৰু ভগবান শিৱৰ মাজত কাজিয়া লাগিছিল । শেষত সত্যৰ যে সদায় জয় এইটোয়ে প্ৰমাণিত হ'ল ।" অকনিহঁতেও কাহিনীটো ভালদৰে বুজিব পাৰি মনত খুব আনন্দ পালে ।





এটকাৰ সমস্যা

নিৰঞ্জনবৰ গাঁৱত সপ্তাহত এদিন হাত বহে । ওচৰ-পাজৰৰ গাঁৱৰ লোকসকলে সপ্তাহটোৰ বাবে আৱশ্যকীয় বস্তু - বাহানি সেইদিনাই কিনি লৈ যায় ।

সেই গাঁৱতে অৱতাৰ নামৰ মানুহ এজনৰ এখন গেলামালৰ দোকান আছিল । সেই দোকানৰ পৰা বীৰভদ্ৰ নামৰ অৱস্থাপন্ন মানুহ এজনে পৰিয়ালৰ বাবে আৱশ্যকীয় বস্তুবাহানি নিয়মিত কিনিছিল । অৱতাৰৰ সততাৰ ওপৰত তেওঁৰ সম্পূৰ্ণ আস্থা আছিল । সেয়েহে মাল বস্তু লোৱাৰ পিচত দোকানীয়ে যিমান টকা খোজে বীৰভদ্ৰই কোনো সোধপোচ নকৰাকৈ দি দিয়ে ।

এদিনাখন দোকানৰ মাল লৈ টকা দিবলৈ গৈ দেখে তেওঁৰ হাতত এটকা কম আছে । তেওঁ অৱতাৰক কলে, "মহাজন, এটকা কম আছে, অহাবাৰ দোকানলৈ আহোতে লৈ লবা । মই পাহৰি যাব পাৰো, তুমি মোক মনত পেলাই দিবা ।

অৱতাৰ এজন নিপুণ ব্যৱসায়ী । সেয়েহে লেনদেনত কোনো সঙ্কোচ নকৰে । পিচৰবাৰ বীৰভদ্ৰ যেতিয়া দোকানলৈ বস্তু কিনিবলৈ আহিল অৱতাৰে আগৰ বাকীথকা এটকা তেওঁক মনত পেলাই দি লৈ ললে ।

কেইদিনমান পিচত বীৰভদ্ৰ আকৌ দোকানলৈ আহিল । তেওঁ মাল লৈ পইচা দি উঠি যাবলৈ ওলাওতে অৱতাৰে নম্ৰভাবে কলে - "বীৰভদ্ৰ ডাঙৰীয়া, আপোনাৰ পৰা আগৰ বাকী এটকা পাব আছো ।"

বীৰভদ্ৰ প্ৰথমতে চক্‌খাই উঠিছিল, কিন্তু পিচত কিবা ভাবি মোনাৰ পৰা এটকা উলিয়াই দি গুচি গ'ল । কেই সপ্তাহমান পাচত অৱতাৰে তেওঁক এটকা খুজিলে । বীৰভদ্ৰৰ যদিও ভালদৰে মনত আছিল, তেওঁ বাকী থকা এটকা দুবাৰো পৰিশোধ কৰিছে, তথাপি চুপচাপ এটকা দি গুচি গ'ল । এইদৰে

জানকী অগ্ৰৱাল

কেইবাদিনো চলিল । প্ৰতিবাৰে অৱতাৰে দোকানৰ মালৰ বাবদ দিব লগা টকাৰ লগতে অতিৰিক্ত এটকা বীৰভদ্ৰৰ পৰা লয় । বীৰভদ্ৰয়ো কোনো প্ৰতিবাদ নকৰাকৈ এটকা দি গুচি যায় ।

অৱতাৰৰ এনে আচৰণ বীৰভদ্ৰৰ ভাল লগা নাছিল । তেওঁ ভাবিবলৈ ধৰিলে "অৱতাৰ লোভী হ'ল । প্ৰতিবাৰেই তেওঁ ভুলতে এটকাকৈ লোৱা নাই । তেওঁ জানি বুজিয়ে মোৰ সৰল মনৰ সুযোগ লৈ মোক ঠগাই আছে । এতিয়া আৰু মই এই অন্যায় সহ্য নকৰো ।" সেয়েহে, পিচৰ বাৰ অৱতাৰে বাকীৰ নামত যেতিয়া পুনৰ এটকা খুজিলে বীৰভদ্ৰই খঙেৰে কলে - "মহাজন, তোমাক দিব থকা এটকা কেইবাবাৰো পৰিশোধ কৰিছো । আকৌ কিমান দিনলৈ দি থাকিব লাগিব ।" তেতিয়া অৱতাৰে হাঁহি এটা মাৰি বীৰভদ্ৰক কলে - "যদি মোক দিব থকা এটকা পৰিশোধ কৰাৰ কথা মনতে আছিল, তেতিয়াহলে কিয়নো মই খোজাৰ লগে লগে বাৰে বাৰে এটকাকৈ দি আছিলা।

বীৰভদ্ৰই এবাৰ অৱতাৰৰ মুখৰ ফালে চালে, তাৰপাচত হাঁহি এটা মাৰি কলে - প্ৰথমবাৰ এটকা পৰিশোধ কৰাৰ পাচত দ্বিতীয়বাৰ যেতিয়া তুমি পুনৰ খোজা মই ভাবিছিলো মই হয়তো ভুলতে দিবলৈ পাহৰিছো । সেয়েহে এটকা তোমাক দিও । তৃতীয়বাৰ খোজোতে মই ভাবিছিলো ব্যৱসায়ৰ কামত ব্যস্ত থকাৰ বাবে তুমি হয়তো পাহৰি গৈছা, মই তোমাক এটকা দিছো, সেয়েহে একো নোসোধাকৈ তোমাক এটকা আকৌ দিও । চতুৰ্থবাৰ যেতিয়া খোজা তোমাৰ এই পাহৰি থোৱা স্বভাৱৰ ওপৰত পুতৌ জন্মি তোমাক এটকা দিও । পঞ্চমবাৰ,

তুমিনো আগৰ বাকী থকা এটা টকা কিমানবাৰ খুজি থাকা চাও বাৰু, এই কৌতুহলতে আকৌ দিও । কিন্তু আজি মোৰ ধৈৰ্য্যচ্যুতি ঘটিল, সেয়েহে সুধিছো মোৰ বাকী থকা এটকা কেতিয়া দিয়া শেষ হব ।

অৱতাৰে এটা হাঁহিমাৰি ক'লে - "প্ৰথমবাৰ যেতিয়া তুমি মোক এটকা দিয়া সেই কথাটো পাহৰি দ্বিতীয়বাৰ তোমাক আকৌ সাধিছিলো । কিন্তু টকাটো দিয়াৰ সময়ত তোমাৰ মুখৰ ভাব দেখি বুজিব পাৰিছিলো যে মই ভুলকৈ তোমাৰ পৰা এটকা ললো । পিচৰ সপ্তাহ যেতিয়া তুমি দোকানলৈ অহা, তোমাৰ প্ৰতিক্ৰিয়া জানিবলৈ জানি বুজিয়েই মই তোমাৰ পৰা এটকা সাধি লও । কিন্তু ইয়াতে মই আচৰিত হলো, তুমি একো সোধপোচ নকৰাকৈ পুনৰ মোক এটকা দিয়া। মই বুজিব পাৰিছিলো তুমি লাজ আৰু সঙ্কোচতে মোক একো নকৈ এটকাকৈ মাথোঁ দি গৈছিলা । মই তোমাৰ পৰা যে অনুচিত ভাবে এটকাকৈ লৈ আছো তোমাৰ ফালৰ পৰা ইয়াৰ কিবা প্ৰতিক্ৰিয়া হওক সেইটো মই বিচাৰিছিলো । সেয়েহে তোমাৰ পৰা প্ৰতিবাৰে এটকাকৈ লৈ আছিলো । মই এইটো চাব-বিচাৰিছিলো তুমিনো কিমান দিন একো আপত্তি নকৰাকৈ পইচা দি থাকা । তোমাক দুখ দিয়া বাবে মই ক্ষমা বিচাৰিছো । চিন্তা নকৰিবা, তোমাৰ গোটেইখিনি টকা মোৰ হাতত জমা আছে ।"

এইবুলি কৈ অৱতাৰ ঘৰৰ ভিতৰলৈ গৈ বীৰভদ্ৰৰ হাতত টকা কেইটাম ওভতাই দি পুনৰ কলে - "লেনদেনৰ ক্ষেত্ৰত বন্ধুই হওক বা সম্বন্ধীয়ই হওক কেতিয়াও লাজ কৰিব নালাগে । তেতিয়াহে পৰস্পৰৰ মাজত ভাল সম্পৰ্ক বৰ্তি থাকে । লাজকুৰীয়া মানুহে লাজতে মুখ ফুটাই একো নকলেও মনত বেয়া ভাব লৈ থাকে । মই তোমাৰ মনৰ সঙ্কোচ ভাব দূৰ কৰিবলৈহে ইচ্ছাকৃত ভাবে তোমাক এটকা খুজি আছিলো । তোমাৰ মনত দুখ দিয়া বাবে পুনৰ ক্ষমা চাইছো ।

বীৰভদ্ৰই অৱতাৰৰ বাস্তৱিক বুদ্ধিৰ প্ৰশংসা কৰি কলে - "তোমাৰ নিচিনা বুদ্ধিমান বন্ধুৰ বাবে মই নিজে গৰ্বিত ।"



কাহিনীটো ঠিকমতে শেষ কৰক আৰু পুৰস্কাৰ লাভ কৰক

সৃজনাত্মক প্ৰতিযোগিতা

তলত এটা কাহিনীৰ আৰম্ভণি দিয়া আছে । তাত কাহিনীটোৰ সকলো উপাদানেই আছে । কিন্তু তুমি নিজহাতে সেইটো 'সৃজন' কৰিব লাগিব । তুমি কাহিনীটো কল্পনা কৰি ভালদৰে সজাই লৈ কাহিনীটো শেষ কৰিব লাগিব । লগতে এটা আকৰ্ষণীয় নামো । এইটো তুমি দুশৰ পৰা তিনিশ শব্দৰ ভিতৰত শেষ কৰিব লাগিব । কম বেচি হব নোৱাৰিব । সৰ্বশ্ৰেষ্ঠ প্ৰতিযোগীক আকৰ্ষণীয় পুৰস্কাৰ দিয়া হব আৰু কাহিনীটো এই পত্ৰিকাত প্ৰকাশ কৰা হব । এই প্ৰতিযোগিতা আমাৰ শিশু পাঠকসকলৰ বাবেহে । নিজৰ ঠিকানা (পিন কোড় সহ) লিখিবলৈ নাপাহৰিবা ।

প্ৰজাৰ দুখ সুখৰ বিষয়ে জানিবলৈ ৰাজকুমাৰ প্ৰতাপে সামান্য কাপোৰ পিন্ধি ৰাজ্য চাবলৈ ওলাই গ'ল।

তেওঁ কিছুদূৰ গৈ ঘোঁৰাৰ পৰা নামি খোজকাঢ়ি যাবলৈ ধৰিল । অলপ দূৰ য়োৱাৰ পাচত তেওঁৰ এখন ভৰিৰ জোতা এপাত ফাটি গ'ল । সেয়েহে আনখন ভৰিৰ জোতাপাতো খুলি পেলালে আৰু সুদা ভৰিৰে খোজকাঢ়ি গৈ থাকিল । কিছু দূৰ যোৱাৰ পাচত তেওঁৰ ভৰিত এডাল কাঁইট সোমাল । বহুত চেষ্টা কৰিও ৰজকুমাৰে কাঁইটদাল উলিয়াব নোৱাৰিলে । সেই ৰাস্তাৰে আৰু অন্য কোনোবা আহিব বুলি আশা কৰি তেওঁ তাতে বহি পৰিল । ভৰিৰ বিষেৰে কিছুসময় অপেক্ষা কৰি থকাৰ পিচত সেই বাটেৰে খেতিয়কৰ ছোৱালী এজন আহি থকা দেখিলে । তাই পিতাক বাবে জলপান লৈ গৈছিল । তাই দেখিবলৈ পালে এজন যুৱকে অসহ্য বেদনাত চিঞৰি কাৰোবাৰ সহায়ৰ বাবে ইফালে সিফালে চাই আছিল । যেতিয়া তাই জানিব পাৰিলে ৰাজকুমাৰৰ ভৰিত কাঁইট সোমাইছে, তেতিয়া অইন এডাল কাঁইট লৈ তাই সেই কাঁইট উলিয়াই দিলে। তাৰ পাচত কিছুমান পাত আনি মোহাৰি সেই ঠাইত লগাই দিলে । ইয়াৰ পিচত ছোৱালী জনীয়ে নিজৰ শাৰীখনৰ আঁচলটো অলপ ফালি লৈ সেই কাপোৰেৰে ৰাজকুমাৰৰ ভৰিখন বান্ধি দিলে ।

"ভণীটি, মই তোমাৰ ওচৰত অশেষ কৃতজ্ঞ"। ৰাজকুমাৰে অলপ আৰাম অনুভৱ কৰি কলে । মই তোমাক কেনেদৰে সহায় কৰিব পাৰো কোৱা ।"

"মোক সহায় কৰাৰ আগতে নিজক সহায় কৰিবলৈ শিকা ।" ছোৱালীজনীয়ে কলে ।"এডাল কাঁইটহে সোমাইছিল । তাতে তুমি ইমান উদ্বিগ্ন হৈছিলা।"এইবুলি কৈ তাই হাঁহিবলৈ ধৰিলে ।

তাইৰ সেই চঞ্চলতা ৰাজকুমাৰৰ ভাল লাগিল । তেওঁ কবলৈ ধৰিলে - ইয়াৰ আগতে মই খোজকাঢ়ি যোৱা নাছিলো , সেইবাবে এনে হ'ল । এয়ে প্ৰথম মোৰ ভৰিত কাঁইট সোমাইছে । সেয়েহে কেনেদৰে কাঁইট উলিয়াব লাগে মই নাজানিছিলো । যদি তুমি মোৰ ভাল কোনো কথা ....কোৱা তোমাৰ বাবে মই কি কৰিব পাৰো ?"

ৰাজকুমাৰে নিজৰ আচল পৰিচয় নিদিলে । ছোৱলৈজনীৰ উপদেশ মনত ৰাখিলে । তেওঁ নিজক সহায় কৰিবলৈকে। অলপ সুবিধা লাভ কৰিলে । ছোৱালীজনীয়ে ৰাজকুমাৰৰ আচল পৰিচয় পালে । এতিয়া প্ৰশ্ন হ'ল -ৰাজকুমাৰে ছোৱালীজনীক নিজৰ ৰাণী কৰিলে নেকি ? এতিয়া তুমি চাব লাগিব , কেনেদৰে কাহিনীটো সম্পূৰ্ণ কৰিবা মনত ৰাখিবা কাহিনীৰ এটা নামো দিব লাগিব । কাহিনীৰ ওপৰত সৃজনাত্মক প্ৰতিযোগিতা বুলি লিখিবা । শেষ তাৰিখ ২৫ ডিচেম্বৰ, ২০০০ .

ভাৰত কি খোজ সাথৰৰ (অক্টোবৰ ২০০০) উত্তৰ

১. অ) আৰ্য্যভট্ট আ) কাশ্মীৰত অমৰনাথ

ই) নচিকেতা,

ঈ) চৰবাক, জৱালী (সত্যকাম জৱালী নহয়) গোশালা ।

উ) আকবৰে দীন - এ -ইলাহী নামৰ নতুন ধৰ্ম উলিয়াইছিল । ইয়াক কিছুমান মানুহে পালন কৰিছিল।

২. ৰু ৰু আৰু প্ৰমোদৱৰা ।

সৃজনাত্মক প্ৰতিযোগিতা

গংগাপুৰৰ ৰজাৰ বাগিছা চোৰ - চিতা কৰা মালিজন বিশেষ কামত বাহিৰলৈ গৈছিল। যোৱাৰ সময়ত তেওঁ ফুলৰ গছবোৰত পাণী দিয়াৰ বাবে বান্দৰ কিছুমানক কৈ গৈছিলা, যিবোৰ বান্দৰে সদায় তেওঁৰ লগত মিত্ৰৰ দৰে ব্যবহাৰ কৰিছিল । পিচদিনা সকলোবোৰ বান্দৰে গছত পানী দিয়াত লাগি গ'ল । কিন্তু বান্দৰৰ মুৰব্বীজনৰ সন্দেহ হ'ল , গছক যিমান পাণী লাগে সিমান পানী দিয়ে হৈছে নে নাই ? বান্দৰবোৰে এই সমস্যাটো কেনেদৰে সমাধান কৰিলে ?

পুৰস্কাৰ পোৱা ৰচনা

বন্ধুত্বৰ পৰা লাভ

বান্দৰৰ মুৰব্বীজন এই চিন্তাত পৰিল । নিজৰ নিজৰ কামবোৰ শেষ কৰি বান্দৰবোৰে গছৰ ডালত উঠি গৈ খেলিবলৈ ধৰিলে । তেতিয়া বান্দৰৰ মুৰব্বীজনে আটাইবোৰ বান্দৰক তেওঁৰ কাষলৈ মাতিলে আৰু নিজৰ চিন্তাৰ কথা কলে । এতিয়া বান্দৰবোৰৰ মনতো শংকা হ'ল , তেওঁলোকে দিয়া পানী গছবোৰৰ বাবে সঠিক পৰিমাণৰ হৈছে নে নাই । সিহঁতে কোনো সিদ্ধান্তত উপনিত হব পৰা নাছিল । তেতিয়া এজন বুঢ়া বান্দৰ আগবাঢ়ি আহি কলে -" আমাৰ আশংকা দূৰ কৰাৰ এটাই উপায় আছে । আমি যিবোৰ গছপুলিত পানী দিছো সেইবোৰ উভালি চোৱা যাওক । কিন্তু এনে কৰিলে পুলিবোৰ মৰি যাব । মালীজনে বৰ মৰমেৰে এইবোৰ চোৱা - চিতা কৰে । সেয়েহে পুলিবোৰ উভালি নেপেলোৱাটোৱে ঠিক হব ।

বুঢ়া বান্দৰৰ কথা শুনাৰ পাচত বান্দৰৰ মুৰব্বীজনে এটা উপায় উলিয়ালে । তেওঁ কলে বন্ধুসকল , এই বাগিছাত ভাল পুলিবোৰৰ সৈতে কিছুমান বেয়া গছপুলিও আছে । সেই বেয়াপুলিবোৰ উভালি চালে আমাৰ আশংকা দূৰ হব । ভাল পুলিবোৰো বাচি যাব ।

নিজৰ মুৰব্বীজনৰ কথা শুনি বান্দৰবোৰে বেয়া পুলিবোৰ উভালিবলৈ ধৰিলে । যেহেতু সেই পুলিবোৰৰ শিপা ভিজি আছিল , সেয়েহে সিহঁতে অনুমান কৰিলে সিহঁতে যিমান পানী দিছে ভাল পুলিবোৰৰ বাবে সেয়ে যথেষ্ট । সিহঁতে সন্তুষ্ট হৈ আকৌ গছত উঠিল ।

দুদিন পিচত মালীজন উভতি আহিল । বতাহত হালি জালি থকা গছপুলিবোৰ দেখি তেওঁ আনন্দ পালে । গোটেই বেয়া পুলিবোৰ উভালি দিয়া বাবে বাগিছাখনো পৰিস্কাৰ দেখা গৈছিল । এই দৃশ্য দেখি মালীজন আচৰিত হ'ল ।

সেইদিনাৰ পৰা মালী আৰু বান্দৰবোৰৰ মাজত বন্ধুত্ব আৰু গাঢ় হ'ল ।



তেলপেৰাৰ বলধ

ৰামপুৰত প্ৰতাপ নামৰ এজন ধনী ব্যৱসায়ী আছিল। তেওঁৰ কমল নামৰ এজন পুত্ৰ আছিল। সৰবে পৰাই তেওঁ মোমায়েকৰ লগত চহৰত থাকি তাতেই শিক্ষা লাভ কৰিছিল। প্ৰতাপে নিজৰ পুত্ৰক খুব মৰম কৰিছিল। সেয়েহে কমলৰ যেতিয়াই যিমান টকাৰ আৱশ্যক হৈ ছিল তেওঁ ততালিকে পঠাই দিছিল। অধিক ধন পোৱাৰ বাবে তেওঁৰ স্বভাৱ বেয়া হ'ল। তেওঁৰ বন্ধুবান্ধৱ সকলো খুব সুবিধাৰ নাছিল। তেওঁ নিজৰ মোমায়েককো ভয় নকৰিছিল। পঢ়া শুনাত তেওঁৰ সমূলি মণ নাছিল। নাম মাত্ৰ পঢ়া শুনা কৰিয়ে তেওঁ ৰামপুৰলৈ উভতি গ'ল।

চহৰত পঢ়া শুনা কৰাৰ বাবে তেওঁ বহুত গৰ্ব অনুভৱ কৰিছিল। তওঁৰ প্ৰতিটো কথাতে অহঙ্কাৰৰ ভাব এটা আছিল। মিছাতে সকলোৰে লগত তৰ্ক বিতৰ্ক কৰিছিল আৰু নিজকে সদায় ডাঙৰ বুলি দেখুৱাবলৈ যত্ন কৰিছিল। আনৰ কথাত সদায় খুট ধৰিছিল আৰু তেওঁক অপমানিত কৰিছিল।

এদিন তেওঁ এটা গলিৰে গৈ থাকোতে গংগু নামৰ এজন মানুহক লগ পালে। তেওঁৰ হাতত এটা পটী বন্ধা আছিল। তেওঁক দেখি কমলে সুধিলে - "কিহে গংগু, হাতত পটী কিয় বান্ধিছা?"

গংগুৱে নম্ৰভাবে কলে "পৰি গৈছিলো।"

কমলে সুধিলে - "কেনেকৈ পৰিছিলা?"

গংগুৱে কলে - "দৌৰোতে দৌৰোতে পৰিগৈছিলো।"

কমলে সুধিলে - "কিয় দৌৰিছিলা? এইদৰে দৌৰাৰ কি আৱশ্যক আছিল?"

গংগুৱে কলে - "গলিত শুই থকা এটা কুকুৰৰ নেজত অজানিতে ভৰি দিছিলো।"

কমলে সুধিলে - "তুমি দেখা নাছিলা?"

গংগুৱে কলে - "চিন্তা কৰি গৈ আছিলো।"

দাসৰী ভেনকটৰমণ



কমলে সুধিলে - ' কি কথানো চিন্তা কৰি গৈ আছিলা ? "

গংগুৱে কলে - "কিনো কম ? তেনে কোনো বিশেষ কথা নাছিল । এনেয়ে কিবা কিবি চিন্তা কৰি গৈ আছিলো । "

কমলে সুধিলে - " সেইটোৱেতো সুধিছো। কিনো চিন্তা কৰিছিলা ? "

গংগুৱে উদাস ভাবে কলে - " এটা ঘৰুৱা বিবাদ লৈ । "

ইয়াৰ পিচত দুয়োৰে মাজত কথা বাৰ্তা চলিয়ে থাকিল । কমলে আকৌ সুধিলে - " দৌৰোতে দৌৰোতে কিয় পৰিগৈছিলা ?"

"খুন্দা লাগিল , লগে লগে পাৰি গলো , " গংগুৱে কলে ।

" খুন্দা খাই কিয় পৰি গলা ? কিহৰ সৈতে খুন্দা খালা , পাথৰত নেকি ? " কমলে সুধিলে।

" মই দেখা নাই । " গংগুৱে কলে ।

"আচ্ছা । কোনো কথা নাই । বাৰু কোৱাচোন পৰি গৈ সোঁহাতত কিয় আঘাত পালা ? বাওঁহাতত আঘাত গৈ সোঁহাতত কিয় আঘাত পালো ? বাওঁহাতত আঘাত নীলগিল কিয় ? "

কমলে প্ৰশ্ন সুধিয়েই থাকিল ।

গংগুৱে এবাৰ তেওঁৰ ফালে চালে ভিৰাই লৰমাৰি তাৰ পৰা যাব বিচাৰিলে ।

কমলে তাক থাপ মাৰি ধৰিলৈ কলে "চোৱা, পুনৰ ভুল কৰিবলৈ লৈছা । কুকুৰ নেজত ভৰি দি তুমি ভুল কৰিছা । যেতিয়া সি খেদি গ'ল তুমি দৌৰি পলালা । এইটো তোমাৰ আৰু এটা ভুল।" কমলে কলে ।

"চা'ব ইয়াৰ বাবে মোক ক্ষমা কৰক আৰু মোক যাবলৈ দিয়ক । আগলৈ আৰু কেতিয়াও এনে ভুল নকৰো ।" বিৰক্ত হৈ তেওঁ কলে আৰু তাৰ পৰা যাবলৈ ধৰিলে । যোৱাৰ সময়ত তেওঁ আৰু পিচলৈ ঘূৰি নাচালে ।

আন এদিন কমলে বন্ধুৰ সৈতে গলিৰ আজেৰে গৈ আছিল । তেওঁৰ দৃষ্টি ভৈৰৱৰ তেলপেৰাটোৰ ওপৰত পৰিল । কোনো ফালে নোচোৱাকৈয়ে তেলপেৰাৰ বলধটোয়ে চাৰিও ফালে ঘুৰি আছিল । ভৈৰৱে তেলপেৰাটোৰ কিছু দূৰত বহি বলধটোৰ বাবে দালা তৈয়াৰ কৰি আছিল । কমলে তাক বিৰক্ত কৰিব বিচাৰিলে । তেওঁ বন্ধুজনৰ সৈতে ভৈৰৱৰ ওচৰলৈ গ'ল ।

ভৈৰৱে কমলৰ বিষয়ে ভালদৰে জানিছিল । সেয়েহে খুব সাৱধানেৰে তাৰ প্ৰশ্নৰ উত্তৰ দি আছিল । তাৰ উত্তৰ শুনি কমলে একো মাতিব নোৱাৰা হ'ল । তেওঁ আহিছিল ভৈৰৱক বিৰক্ত কৰিবলৈ, কিন্তু ইয়াৰ বিপৰীতে নিজেহে বিৰক্ত

হ'ল।

কিছু সময় মনে মনে থাকি পুনৰ তাক সুধিলে - "ভৈৰৱ তুমি তেলপেৰাৰ বলধটোৰ দানাৰ বাবে মিছাতে কিয় ইমান খৰচ কৰিছা? কিনো সি ইমান ডাঙৰ কামটো কৰে?"

"কিয় নকৰিম। সি তেলপেৰাৰ চাৰিওফালে ঘুৰিলেহে তেল ওলাব।" ভৈৰৱে কলে।

"ধৰিলোৱা তুমি কিবা কামত ঘৰৰ ভিতৰলৈ গৈছা, তেতিয়াও সি ঘূৰি থাকিবনে? থিয় হৈওতো থাকিব পাৰে?" কমলে সুধিলে।

ভৈৰৱে কলে - "সেই কাৰণেইতো মই তাৰ গলত ঘন্টি বান্ধি দিছো। কিবা কামত ভিতৰত থাকিলেও তাৰ ঘন্টিৰ শব্দৰ পৰাই বুজিব পাৰিম যে সি ঘূৰি আছে।"

সি নুঘূৰাকৈওতো এঠাইত থিয় হৈ মূৰটো লৰাই থাকিব পাৰে। তেতিয়াও তাৰ গলৰ ঘন্টিটো বাজি থাকিব। তেতিয়া তুমি এই কথা কেনেকৈ বুজিব পাৰিবা?" কমলে সুধিলে।

এই প্ৰশ্নটোত ভৈৰৱে অলপ থতমত খালে। তথাপি নিজৰ অজ্ঞানতা নেদেখুৱা ৰুক্ষস্বৰে কলে - "মোক ফাকি দিবলৈ সিনো কোন চহৰত পঢ়ি আহিছে।"

ভৈৰৱৰ কথা শুনি কমলৰ বন্ধুৱে জোৰে হাঁহি দিলে। কমলে খুব লাজ পলে। তেওঁৰ মুখেৰে আৰু কথা নোলাল।

তেতিয়া ভৈৰৱে কলে - "চোৱা কমল, কোনো কাম নকৰাকৈয়ে যিয়ে হাঁহি খিকিন্দালি কৰি ঘূৰি ফুৰে, তাৰ তুলনা তেলপেৰাৰ বলধ আৰু ষাড় গৰুৰ লগত কৰা হৈছে। কিন্তু মোৰ দৃষ্টিত সেই ধৰনৰ তুলনা খুবেই অন্যায়। কাৰণ তেলপেৰাৰ বলধ ঘূৰিলেহে তেল ওলাই। ষাড় গৰুৱে গাঁৱত ঘূৰি ফুৰি খেল দেখুৱাই ফুৰে আৰু সকলোকে আনন্দ দিয়ে লগতে মালিকৰো পেট ভৰে। জন্তু হোৱা স্বত্বেও সিহঁতে কাম কৰে। এনেধৰনৰ জীৱক এলেহুৱা মানুহৰ লগত তুলনা কৰাতো খুবেই অন্যায়।"

কমলে একো নোকোৱাকৈয়ে তলমূৰ কৰি তাৰ পৰা গুছি গ'ল। ভৈৰৱৰ কথাই তাৰ মনত পৰিবৰ্তন আনিলে। সেইদিনাৰ পৰা তেওঁ ব্যৱসায়ৰ কামত পিতাকক সহায় কৰিব ধৰিলে। কেই দিনমানৰ ভিতৰতে কমল এজন ভাল ব্যৱসায়ী হৈ উঠিল।



কষ্ট

এবাৰ গৰম কালত ৰামপুৰ গাঁৱৰ সকলো কুঁৱাই শুকাই গ'ল । পানীৰ খুব নাটনি হ'ল । কিন্তু গাঁৱৰ বাহিৰত থকা এটা পুখুৰীত পানী আছিল । মানুহবোৰে তাৰ পৰাই পানী আনিছিল ।

কৃষ্ণা নামৰ তিৰোতা এগৰাকীয়ে সেই পুখুৰীৰ পৰা কলহেৰে পানী আনি দহটা পৰিয়ালক দিছিল আৰু ইয়াৰ বাবে প্ৰতি পৰিয়ালৰ পৰা মাহে দহটকা লৈছিল ।

এদিন তাইৰ ভৰিত কাঁইট সোমোৱা বাবে কাৰো ঘৰতে পানী দিব নোৱাৰিলে । মালিকসকলে যেতিয়া সেই কথাটো জানিব পাৰিলে এদিন পানী নিদিয়া বাবে তাইৰ পাইচা নাকাটি মাহৰ শেষত সম্পূৰ্ণ টকাই তাইক দিলে ।

কিন্তু বীৰবাহু নামৰ এজন মালিক অতি কৃপণ আছিল । তেওঁ এমাহৰ মজুৰীৰ পৰা তাই পানী নিদিয়া দিনৰ বাবে এটকা কাটি ললে ।

কৃষ্ণাই অনুৰোধ কৰি কলে - "মই সদায় আপনালোকক সময় মতে পানী আনি দিছোঁ । এদিন মাথোঁ ভাৰিত কাঁইট সোমোৱা বাবে ভৰিৰ বিষৰ বাবে পানী আনি দিব পৰা নাই । ইয়াৰ বাবে এটকা কাটি লোৱা উচিত হোৱা নাই ।

"তোমাৰ কষ্টৰ লগত আমাৰ কি সম্পৰ্ক ?" বীৰবাহুৱে ধমক দি কলে । কৃষ্ণাই একো নমতাকৈ তাৰ পৰা গুচি গ'ল ।

এদিন বীৰবাহুৰ ঘৰলৈ কিছুমান অতিথি আহিল । কৃষ্ণাই সেই দিনা তেওঁলোকৰ ঘৰত ইচ্ছা কৰিয়েই পানী নিদিলে । পিচদিনা বীৰবাহুৱে খঙতে অগ্নি শৰ্মা হৈ কৃষ্ণাক কলে "যোৱা কালি পানী নোহোৱা বাবে আমাৰ কিমান কষ্ট হ'ল তুমি গম পাইছা নে ?"

"আপোনালোকৰ কষ্টৰ সৈতে মোৰ কি সম্পৰ্ক ? ইচ্ছা কৰিলে মজুৰীৰ পৰা এটকা কাটি লব।" কৃষ্ণাই দায়িত্বহীন ভাবে উত্তৰ দিলে ।

বীৰবাহুৰ ওচৰত তাৰ কোনো উত্তৰ নাছিল ।

ৰংগাৰ কাহিনী

সৰুৰে পৰাই ৰংগাই নিজৰ কাহিনী শুনাই ভাল পাইছিল । কিন্তু তাৰ নীৰস আৰু অতি দীঘলীয়া কাহিনী শুনিবলৈ কাৰো সময় নাছিল ।

সি যেতিয়া পিতাকক নিজৰ গল্প শুনাব বিচাৰে তেওঁ তেতিয়া খেতিৰ কামত ব্যস্ত হৈ পৰে । মাকক শুনাবলৈ বিচাৰিলে মাকেও ঘৰুৱা কামত ব্যস্ত হৈ পৰে । ককাদেউতাকে গীতা আৰু ৰামায়ণ পঢ়ি থকা বাবে তাৰ গল্প শুনিবলৈ সময়ে নাপায় । আইতাকৰ কোনো কাম কাজ হাতত নাথাকিলেও চাকৰ বাকৰৰ খুটিনাতি ধৰোতেই তেওঁৰ সময়বোৰ পাৰ হৈ যায়, বৰং ছব্বিশ ঘন্টা সময়ো তেওঁৰ বাবে কম হয় । সি ভাবিলে পেহীদেউকে কাহিনী শুনুৱা যাওক । তাই এতিয়া সৰুয়ে আছে । এতিয়াও বিয়া হোৱা নাই । ঘৰতো তাইৰ বিশেষ কাম নাই । গল্প শুনিবলৈ তাই বহুত সময় পাব । কিন্তু ৰংগাই যেতিয়া পেহীয়েকক কাহিনী শুনাব ধৰিলে তাই তৎক্ষণাত কলে - "তোমাৰ নীৰস গল্প শুনিবলৈ মোৰ সময় নাই । তাতকৈ মোৰ ভৱিষ্যতৰ সপোন দেখিবলৈহে ভাল লাগে ।"

ৰংগাৰ বন্ধুসকলেও যেতিয়া তাৰ গল্প শুনিবলৈ অস্বীকাৰ কৰে তেতিয়া তাৰ মনত বৰ বেজাৰ লাগে । সকলোৱে একেলগে খেলাধূলা কৰে, কিন্তু সি যেতিয়া গল্প কব খোজে লগৰবোৰ তেতিয়া গুচি যায় । তাৰ গল্প আচলতে মহাভাৰতকৈও দীঘলীয়া । মহাভাৰতৰ কাহিনী দীঘল হলেও তাত ৰস আছে, সেয়েহে মানুহে শুনিবলৈ ভাল পায়। কিন্তু ৰংগাৰ গল্পৰ কোনো আতি গুৰি নাই । কোনো সাৰমৰ্ম বা কোনো উদ্দেশ্য নাই । ইয়াৰ তাৰ কথা জোৰা লগাই কাহিনী দীঘলীয়া কৰে । কোনোবাই যদি এঘন্টামান শুনাৰ পাচত তাক সোধে কাহিনী শেষ হ'ল নেকি, সি কয় এতিয়া আৰম্ভ হে হৈছে ।

এইদৰে বেচেৰা ৰংগাৰ কাহিনী শুনা শ্ৰোতাৰ অভাৱৰ বাবে তাৰ মনত বৰ দুখ ।

সেয়েহে সি ভিখাৰীক খাবলৈ দিয়াৰ আশা দেখুৰাই তাৰ কাহিনী শুনাবলৈ আৰম্ভ কৰে। কিন্তু কিছুদিন পাচত সিহঁতেওঁ তাৰ কাহিনী নুশুনা হ'ল আৰু কলে, তোমাৰ কাহিনী শুনাতকৈ লঘোনে থকাই ভাল ।

তেতিয়া ৰংগাই মনত আৰু বেচি দুখ পালে । কিন্তু কিছুদিনৰ পাচত তাৰ মনলৈ এটা নতুন চিন্তা আহিল । সি আইতাকৰ মুখত শুনিছিল ভূতে কাহিনী শুনিবলৈ খুব ভাল পায় । সেয়েহে সি এদিন ৰাতি শ্মশানলৈ গ'ল । ভূতবিলাকে বুজি পালে যে সি কাহিনী শুনাবলৈ আহিছে । তেতিয়া শ্মশানৰ সকলোবোৰ ভূত আহি তাৰ চাৰিওফালে বেঢ়ি ধৰিলে । তাৰ কাষত ইমান শ্ৰোতা দেখি তাৰ ভয় নোহোৱা হ'ল আৰু মনৰ আনন্দতে গল্প কবলৈ ধৰিলে । কিন্তু এঘন্টামানৰ পাচত লাহে লাহে তাত ভূতো নোহোৱা হব ধৰিলে। সি কেইবাদিনো ৰাতি ৰাতি শ্মশানলৈ যোৱা কৰিলে । কিন্তু সি তাত এটা ভূতো দেখা নোপোৱা হ'ল । তেতিয়াৰ পৰা গাঁৱত এই কথা প্ৰচলন হ'ল - ৰংগাৰ কাহিনী শুনি ভূতো পলায় ।

ইয়াৰ ভিতৰতে ৰাজধানীত ৰজাক মাৰিব খোজা আপৰাধত এজন অপৰাধী ধৰা পৰে। ৰজাৰ চিপাহীবোৰে তাক খুব মাৰ ধৰ কৰিলে। আৰু আচল ষড়যন্ত্ৰকাৰীৰ নাম সুধিলে । কিন্তু বহু চেষ্টা কৰাৰ পাচতো সি একোকে নকলে । আচল শত্ৰুৰ ৰহস্য জানিব নোৱাৰি ৰজা আৰু মন্ত্ৰীবৰ্গ খুব চিন্তাত পৰিল। তেতিয়া কোনোবাই ৰজাক কলে যে তাক ৰংগাৰ কাহিনী শুনালে কিজানি আচল কথা কৈয়ে দিয়ে ।

"ইমান মাৰধৰ আৰু নানা কষ্ট দিয়াৰ পাচতো যি অপৰাধীয়ে মুখ নুখুলিলে সি কাহিনী শুনি মুখ খুলিবনে?" ৰজাই কলে । তথাপিও আন কোনো উপায় নেদেখি তেওঁ কলে - "চেষ্টা কৰাত ক্ষতি কি?" ৰজাই কাহিনী শুনাবলৈ ৰংগাক মাতি পঠাবলৈ মন্ত্ৰীক আদেশ দিলে ।

ৰংগাই ৰজাৰ এই আদেশ পাই খুব আনন্দিত হ'ল । সি ভাবিলে যে তাৰ কাহিনী শুনাৰ স্থায়ী শ্ৰোতা পোৱা গ'ল । কাৰণ অপৰাধীবোৰৰ বহুত কষ্ট সহ্য কৰি সহনশীল হৈছে । সিহঁতে তাৰ গল্প ধৈৰ্য্যসহকাৰে শুনিব । কিন্তু এঘন্টামান কাহিনী শুনাৰ

পাচত যেতিয়া অপৰাধীজনে কান্দিব ধৰিলে তাৰ কথা মিছাবুলি প্ৰমাণিত হ'ল । অপৰাধীজনে নিজকে নিয়ন্ত্ৰণ কৰিব নোৱাৰি ষড়যন্ত্ৰকাৰীবোৰৰ নাম কৈ দিলে ।

ৰংগাৰ সফলতাত ৰজা বৰ সন্তুষ্ট হ'ল । ৰংগাৰ ৰাজকীয় সন্মান দিলে । কিন্তু ৰংগাক বৰ উদাস দেখা গ'ল । সি ৰজাক কলে "এইটো মোৰ অপমান, সন্মান ক'ত? মোৰ কাহিনী কোনোবাই মনোযোগেৰে শুনিলেহে মই সফল হোৱা বুলি ভাবিম । তেতিয়াহে মই সন্মান পাবৰ যোগ্য হম ।

ৰজাই ৰংগাৰ কাহিনী শুনা শ্ৰোতা ধৰি আনিবলৈ মন্ত্ৰীক ততালিকে আদেশ দিলে । তেতিয়া মন্ত্ৰীয়ে ৰজাক কলে, ইমান যাতনা পোৱা অপৰাধীয়েও ৰংগাৰ কাহিনী শুনি কান্দি পেলায়, গতিকে সাধাৰণ মানুহৰ মাজত সম্পূৰ্ণ কাহিনী শুনিবলৈ ইমান ধৈৰ্য্য থাকিবনে? সেয়েহে এই ক্ষেত্ৰত জ্যোতিষীৰ পৰামৰ্শ লোৱাই ঠিক হব ।

ৰজাই জ্যোতিষীক মাতি আনি এই সমস্যাৰ কথা কলে । তেওঁ এই বিষয়ে বহুত ভাবিচিন্তি ৰজাক কলে - "মহাৰাজ, ৰংগাৰ কাহিনী শুনাতো মানুহৰ বাবে অসহ্য আৰু অসম্ভৱ । ইয়াৰ বাবে ভগবানৰ সহায় অনিবাৰ্য্য । ৰংগাই তাৰ কাহিনী তাল পাতত লিখি আৰু পঢ়ি ভগবানক সমৰ্পন কৰক । ভগবান প্ৰসন্ন হৈ আবিৰ্ভাৱ হব আৰু তাৰ ইচ্ছা পুৰণ কৰিব ।

ৰজাই ৰংগাৰ বাবে এখন পূজাস্থল বনালে আৰু বহুতো তাল পাতৰ ব্যৱস্থা কৰিলে । সি জ্যোতিষীৰ নিৰ্দেশ মতে তাল পাতৰ ওপৰত মাতি মাতি কাহিনী লিখি ভগবানৰ মূৰ্তিৰ সন্মুখত নিবেদন কৰিলে । কিছুদিনৰ ভিতৰতে ভগবান আবিৰ্ভাৱ হৈ কবলৈ ধৰিলে



- "বেচ, বেচ, ক্ষান্ত হোৱা। কোৱা, তোমাক কি লাগে।"

"মোৰ জীৱন ধন্য হ'ল প্ৰভু। আপোনাৰ দৰ্শন পালো। মোৰ ওপৰত এইখিনি দয়া কৰক মই যাতে কাহিনী শুনাৰ শ্ৰোতা পাও।" ৰংগাই হাত যোৰ কৰি ভগবানক প্ৰাৰ্থনা কৰিলে।

ভগবানে মনে মনে হাঁহি কলে - "বাচা সকলো কামৰে নিৰ্দিষ্ট সময় থাকে। কাল সকলোতকৈ শক্তিশালী। সময়মতে ভগবানে অৱতাৰ লয়। ত্ৰেতাৰ আগতে ৰামৰ অৱতাৰ অসম্ভৱ আৰু দ্বাপৰৰ আগত কৃষ্ণৰ অৱতাৰ অসম্ভৱ। তুমিও সময়ত শ্ৰোতা পাবা। তেতিয়ালৈ তালপাতত তোমাৰ কাহিনী লিখি যোৱা।"

ৰংগাই বিনীত ভাবে কলে - "মোৰ কাহিনীৰ শ্ৰোতা কেতিয়া পাম প্ৰভু।"

"এজন নহয়, সময় হলে তুমি লাখ লাখ শ্ৰোতা পাবা। তোমাৰ বাবে লাখ লাখ শ্ৰোতাৰ ব্যৱস্থা ময়েই কৰিম। কিন্তু এটা শৰ্ত আছে। তুমি মনে মনে কাকো নোকোৱাকৈ কাহিনী লিখি যোৱা, মোকো পঢ়ি নুশুনাবা।" ভগবানে কলে।

"আপুনি যি কয় মই তাকেই কৰিম। কিন্তু এইটো কওঁক, মই শ্ৰোতা পাবলৈ কিমান দিনলৈ বাট চাব লাগিব।"ৰংগাই আকুল ভাবে ভগবানক সুধিলে।

"এতিয়াৰ পৰা কিছু শতাব্দীৰ পাচত ভাৰতত বিদেশী শাসকৰ শাসন হব। তাৰপৰা মুক্ত হবলৈ আধা শতাব্দীৰ পাচত ভাৰতত বহুৰূপী নামৰ এটা যন্ত্ৰ আহিব। সেইটোৰ মাধ্যমত তোমাৰ কাহিনী ধাৰাবাহিক ভাবে নাটকৰ ৰূপত প্ৰদৰ্শন হৈ লাখ লাখ মানুহক আনন্দ দিব। এক শতাব্দী জুৰি এই কাহিনী বিভিন্ন নামত শ্ৰোতা আৰু দৰ্শকৰ আকৰ্ষণৰ বস্তু হৈ থাকিব। তোমাৰ কাহিনী ৰজাই ভৱিষ্যতৰ বাবে সুৰক্ষিত ৰাখিব। তোমাৰ ভাবী শ্ৰোতা দৰ্শকৰ বাবে তুমি কাহিনী লিখি যোৱা।"এইবুলি কৈ ভগবান অদৃশ্য হ'ল।

তাল পাতত সুৰক্ষিতকৈ ৰাখি থোৱা ৰংগাৰ সেই কাহিনী বহুৰূপী যন্ত্ৰৰ মাধ্যমেৰে বহু বছৰ ধৰি দেখুৱাই অহা হৈছে।



যাদুকৰৰ ইচ্ছা

হেলাপুৰীৰ জমিদাৰ বিনয়শীল বৰ উদাৰ আৰু দয়ালু স্বভাৱৰ লোক আছিল । তেওঁৰ জমিদাৰীত থকা প্ৰজাসকলৰ সকলো প্ৰকাৰ সুবিধাৰ বাবে তেওঁ সদায় সজাগ আছিল । তেওঁলোকৰ সুখ দুখেই জমিদাৰৰো সুখ দুখ আছিল । সেই কাৰণে প্ৰজাসকলেও তেওঁক খুব ভাল পাইছিল আৰু সন্মাণ কৰিছিল ।

কিন্তু ওচৰৰ গাঁৱৰ কিছুমান মানুহে তেওঁক ঈৰ্ষা কৰিছিল আৰু তেওঁক অপমানিত কৰাৰ কাৰণে সুজোগ বিচাৰি আছিল ।

এদিনাখন বিনয়শীলে তেওঁৰ জমিদাৰীৰ অন্তৰ্গত সুগন্ধ পুৰী গাঁৱৰ কেইজনমান মুখীয়াল মানুহৰ লগত সেই গাঁৱৰ মানুহৰ অভাব অভিযোগৰ বিষয়ে আলোচনা কৰি আছিল । সেই সময়ত তাত এজন যাদুখেল দেখুৱা যাদুকৰ গৈ উপস্থিত হ'ল ।

যাদুকৰজনে জমিদাৰ বিনয়শীলৰ আগত নিজৰ পৰিচয় দিলে । আৰু তেওঁৰ সন্মুখত যাদু দেখুৱাবলৈ তেওঁৰ অনুমতি বিচাৰিলে । জমিদাৰে অনুমতি দি কলে, - 'দেখুৱা বাৰু তোমাৰ যাদু চাই সমস্যা বহুল্ গাৱৰ মানুহবোৰে কিছু আনন্দ পাব ।

যাদুকৰে কৃতজ্ঞতা প্ৰকাশ কৰি যাদু খেল আৰম্ভ কৰিলে । তেওঁ বিভিন্ন ধৰপৰ যাদু দেখুৱালে ।

যাদুখেল দেখুৱা শেষ হোৱাত জমিদাৰে যাদুকৰক কলে - "খেল দেখুৱা বাবদ কি লাগে তোমাৰ ইচ্ছামতে কোৱা । "মহাশয়, মোৰ ইচ্ছামতে যি খোজো সচাঁকৈয়ে আপুনি দিবনে!" যাদুকৰে সন্দেহ প্ৰকাশ কৰিলে ।

"খুজিটো চোৱা । মই কথা দি পিচুৱাই অহা মানুহ নহয়" জমিদাৰে কলে ।

"মহাশয়, মই আপোনাক চুলি নোহোৱা মূৰ আৰু গোঁফ নোহোৱা মুখেৰে সৈতে চাব

বিচাৰিছো । এয়ে মোৰ ইচ্ছা । মোৰ যাদুখেল দেখুৱাৰ পুৰস্কাৰ হিচাবে মোৰ ইচ্ছা পুৰন কৰক। এয়ে মোৰ প্ৰাৰ্থনা ।" যাদুকৰে মিচিকিয়া হাঁহি এটা মাৰি কলে । যাদুকৰৰ কথা শুনি সকলো স্তম্ভিত হ'ল । জমিদাৰে নিযেও চমকি উঠিল । পুনৰ গভীৰ ভাবে চিন্তা কৰি মনতে কলে - "এইটো নিশ্চয় মোৰ কোনোবা শত্ৰুৰ কাম ।"

কিন্তু তেওঁতো যাদুকৰক কথা দিছে । যদি যাদুকৰৰ কথামতে তেওঁ চুলি আৰু গোঁফ কাটি পেলাই সেইটোও অপমানৰ কথা । আনহাতে নিজৰ দীঘল চুলি আৰু ঘন গোঁফ জমিদাৰৰ বৰ প্ৰিয় আছিল ।

জমিদাৰৰ দোধৰ মোধৰ ভাৱ দেখি- যাদুকৰে কলে - "মহাশয় এতিয়া আপোনাৰ কথা ৰাখক । আপুনিতো নিজেই কৈছিল আপুনি কথা দি পিছুৱাই অহা লোক নহয় বুলি ।"

কোনো উপায় নেদেখি জমিদাৰে কলে তোমাক আকৌ সুযোগ দিলো । ইয়াৰ বাহিৰে তুমি অন্য কিবা খোজা । লাগিলে মই এহেজাৰ টকা পৰ্য্যন্ত দিব পাৰো ।

নালাগে মহাশয় মোক, আৰু অন্য একো নালাগে । আপুনি যদি মোৰ ইচ্ছা পুৰণ নকৰে কোনো কথা নাই । কিন্তু আপুনি আপোনাৰ হাততে অপমানিত হব । মানুহে কব জমিদাৰৰ কথাত সঁজাত নাই । আপুনি যি ভাল দেখে কৰক ।" যাদুকৰৰ কথাত চালাকি ভাব আছিল।

দূৰৈৰ পৰা জমিদাৰৰ প্ৰধান উপদেষ্টা বিষ্ণু শৰ্মাই সেই গোটেই বোৰ চাই আছিল । পৰিস্থিতি বেয়াৰ ফালে যোৱাত তেওঁ উঠি আহি যাদুকৰক তেওঁৰ লগত যাবলৈ সঙ্কেত দিলে । যাদুকৰেও তেওঁৰ পিচে পিচে গ'ল । বিষ্ণুশৰ্মাই যাদুকৰক গেটৰ বাহিৰলৈ লৈ আৰু কিছুসময় পিচত ওভতাই লৈ আহিল ।

দেখা গ'ল যাদুকৰৰ মূৰত চুলি আৰু মুখত গোঁপ নাই । বিষ্ণু শৰ্মাই সকলোৰে আগত যাদুকৰক কলে, - এতিয়া চুলি নোহোৱা মূৰ আৰু গোঁফ নোহোৱা মুখেৰে জমিদাৰক যিমান ইচ্ছা সিমান চোৱা । এয়েটো তোমাৰ ইচ্ছা আছিল নহয়নে ।

পৰিস্থিতি বদলি যোৱা বাবে সকলোৰে মুখত হাঁহি ওলাল । জমিদাৰে স্বস্তিৰ নিঃশ্বাস ললে । তেওঁক অপমানজনক পৰিস্থিতিৰ পৰা উদ্ধাৰ কৰা বাবে জমিদাৰে বিষ্ণু শৰ্মাৰ বুদ্ধিৰ ভূয়সী প্ৰশংসা কৰিলে ।

৫৭. ঐৰাৱন্তৰ মৃত্যু

মহাভাৰত

সপ্তম দিনৰ যুদ্ধত ভীষ্মই মণ্ডলে বেহু ৰচনা কৰি কৌৰৱ সেনাসকলক তাত থিয় কৰালে। ধৃতৰাষ্ট্ৰৰ পুত্ৰই কেই হাজাৰমান ৰথী আৰু গজসেনা লৈ ভীষ্মৰ সহায়ক হৈ ৰ'ল ।

কৌৰৱসকলে বেহু ৰচনা কৰা দেখি যুধিষ্ঠিৰে বজ্ৰ বেহুত নিজৰ সৈন্যসকলক নিযুক্ত কৰিলে । যুদ্ধৰ আৰম্ভনিতে যোদ্ধাসকলে বেহু ভেদ কৰিবলৈ ধৰিলে । দ্ৰোণে বিৰাট ৰজাৰ সৈতে, অশ্বত্থামাই শিখণ্ডীৰ সৈতে, দুৰ্যোধনে ধৃষ্টদ্যুম্নৰ সৈতে, নকুল আৰু সহদেৱে নিজৰ মোমায়েক শল্যৰ সৈতে বিন্দানুবিন্দে ঐৰাৱতৰ সৈতে আৰু বহুতো কৌৰৱসেনাই অৰ্জুন, বীম, কৃতবৰ্মাৰ সৈতে, অভিমন্যুই ধৃতৰাষ্ট্ৰৰ পুত্ৰ চিত্ৰসেন, বিকৰ্ণ, দুৰ্মৰ্ষনোৰ সৈতে, ঘটোৎকচে ভগদত্তৰ সৈতে, অলম্বুসে সাত্যকীৰ সৈতে ভুৰিশ্ৰবাই ধৃতকেতুৰ লগত আৰু যুধিষ্টিৰে শত্ৰুতায়ুৰ লগত যুদ্ধ কৰিলে ।

অৰ্জুনৰ লগত যুদ্ধ কৰা বীৰসকলে অৰ্জুনৰ ওপৰত বাণ বৰ্ষণ কৰিবলৈ ধৰিলে । অৰ্জুনেও ক্ৰোধিত হৈ সেই বীৰসকলৰ ওপৰত ঐন্দ্ৰাস্ত্ৰ প্ৰয়োগ কৰিলে , যাৰ ফলত গোটেই বাৰ সকলে আহত হ'ল । অৰ্জুনৰ বানে শত্ৰুসেনাসকলক ধৰাসায়ী কৰিবলৈ ধৰা দেখি সকলো কৌৰৱ সেনাই ভীষ্মৰ শৰণাপন্ন হ'ল ।

এইদৰে পলাই অহাসকলৰ ভিতৰত প্ৰধান আছিল সুশৰ্মা । দুৰ্যোধনে সুশৰ্মাক খেদি পঠাই কলে -''পিতামহ ভীষ্মই অৰ্জুনৰ সৈতে



আপ্রান যুদ্ধ কৰি আছে যোৱা তোমালোকে সকলোৱে গৈ তেওঁক সহায় কৰা গৈ ।"

অৰ্জুনৰ সৈতে যুদ্ধ কৰি থকা ভীষ্মক সহায় কৰিবলৈ বহুতো কৌৰৱ সেনা আগবাঢ়ি আহিল।

ইয়াৰ ভিতৰতে বিৰাট ৰজাৰ সৈতে যুদ্ধ কৰি থকা দ্ৰোণে প্ৰথমতে ৰথৰ সাৰথী আৰু পিচত ঘোঁৰা বধ কৰে; ইয়াৰ পাচত বিৰাট ৰজাই নিজৰ পুত্ৰ শঙ্খৰ ৰথত উঠি যুদ্ধ কৰিবলৈ ধৰে । তেতিয়া দ্ৰোণে এপাত বানেৰে শঙ্খক বধ কৰে, এই কাৰ্য্য দেখি বিৰাটে যুদ্ধ ক্ষেত্ৰৰ পৰা পলায়ণ কৰে।

এইদৰে শিখণ্ডীৰ সৈতে যুদ্ধ কৰি থকা অশ্বত্থামাই শিখণ্ডীৰ ৰথৰ সাৰথী আৰু ঘোঁৰা বধ কৰে আৰু শিখণ্ডীৰ ওপৰত বাণ বৰ্ষণ কৰিবলৈ ধৰে । তেতিয়া শিখণ্ডীয়ে অতি কৌশলেৰে সেই বাণবোৰ ধ্বংশ কৰিবলৈ ধৰে। শেষত যেতিয়া শিখণ্ডীৰ হাতৰ তৰোৱালখন ভাঙি গ'ল তেতিয়া শিখণ্ডীয়ে ভঙা তৰোৱালখন অশ্বত্থামাৰ ফালে দলিয়াই দি অতি শীঘ্ৰে তাৰ পৰা আতৰি যায় ।

সেইফালে অলম্বুসৰ সৈতে সাত্যকীয়ে অদ্ভুত ধৰণে যুদ্ধ কৰিবলৈ ধৰে । ৰাক্ষস অলম্বুসে মায়া যুদ্ধ আৰম্ভ কৰিলে । তেতিয়া সাত্যকীয়ে অৰ্জুনৰ পৰা লাভ কৰা ঐন্দ্ৰাস্ত্ৰ প্ৰয়োগ কৰে । অলম্বুসে বেয়া ধৰণে আহত হৈ তাৰ পৰা পলাই সাৰে ।

দুৰ্যোধনৰ সৈতে যুদ্ধ কৰি থকা দৃষ্টদ্যুম্নই তুমুল বাণ বৰ্ষণ কৰি দুৰ্যোধনক আহত কৰে । ইয়াৰ পাচত দুৰ্যোধনৰ ৰথৰ ঘোঁৰা বধ কৰে । দুৰ্যোধনে হাতত তৰোৱাল লৈ ৰথৰ পৰা নামি আহি দৃষ্টদ্যুম্নৰ ওপৰত আক্ৰমণ কৰে । সেইসময়তে শকুনি তাত গৈ উপস্থিত হয় আৰু দুৰ্যোধনক নিজৰ ৰথত তুলি তাৰ পৰা আতৰি যায় ।

আনফালে কৃতবৰ্মাই ভীমৰ সৈতে যুদ্ধ কৰে। সেই ঘোৰতৰ যুদ্ধত ভীম আৰু কৃতবৰ্মা দুয়োজনে আহত হয় । শেষত নিজৰ ৰথৰ ঘোঁৰা হেৰুৱাই কৃষকৰ ৰথত গৈ উঠে । এই ঘটনা দুৰ্যোধনৰ চকুৰ আগতে ঘটে । তেতিয়া ভীমে কৌৰৱ সেনাবোৰক মাৰিবলৈ ধৰে ।

ভগদত্ত আৰু ঘটোৎকচৰ মাজত এক ভয়ানক যুদ্ধ লাগে । ভগদত্তই এটা প্ৰকাণ্ড হাতীৰ ওপৰত উঠি যুদ্ধ কৰিবলৈ ধৰে আৰু পাণ্ডৱৰ সৈন্যসকলক ছেদেলি ভেদেলি কৰি দিয়ে । পাণ্ডৱ সৈন্যবোৰক ৰক্ষা কৰিবলৈ কোনো আগবাঢ়ি নহা বাবে সৈন্যবোৰে ভয়তে পলাবলৈ ধৰে । ঘটোৎকচেও সেই ঠাইৰ পৰা

হঠাতে নোহোৱা হ'ল । এই সময়তে কৌৰৱ সৈন্যবোৰৰ মাজত হাহাকাৰৰ ৰোল উঠিল । এনেতে ঘটোৎকচে আকৌ দেখা দিলে আৰু ভগদত্তৰ ওপৰত বাণ বৰ্ষণ কৰিবলৈ ধৰিলে । ভগদত্তয়ো ঘটোৎকচৰ ওপৰতে ধনু আৰু যাঠিৰে আক্ৰমণ কৰিলে, শেষত ঘটোৎকচে ক্লান্ত হৈ যুদ্ধভূমি পৰিত্যাগ কৰিলে ।

নকুল আৰু সহদেৱে তেওঁলোকৰ মোমায়েক শল্যৰ লগত যুদ্ধ কৰি সেই মহান বীৰজনক অচেতন কৰি পেলালে । শল্যৰ সাৰথীয়ে উপায়হীন হৈ ৰথখন দূৰলৈ লৈ গ'ল। নকুল আৰু সহদেৱে যুদ্ধত জয়লাভ কৰি সিংহনাদ কৰি উঠিল । ইয়াৰ পাচত কৌৰৱসকলৰ মাজত নিৰাশাই দেখা দিলে । তেতিয়া মধ্যাহ্ন হৈছিল মাথোঁ ।

আনফালে অভিমন্যু আৰু ধৃতৰাষ্ট্ৰৰ পুত্ৰসকলৰ মাজত হোৱা যুদ্ধত অভিমন্যুই চিত্ৰসেন, বিকৰ্ণ আৰু দুৰ্মৰ্ষনৰ ৰথবোৰ ভাঙি পেলালে । এই দেখি কৌৰৱসকলে অভিমন্যুৰ ওপৰত জপিয়াই পৰিল । তেতিয়া অতিশীঘ্ৰে অভিমন্যুৰ সহায়ৰ বাবে অৰ্জুন আগবাঢ়ি আহিল। দুয়োপক্ষৰ মাজত ভয়ঙ্কৰ যুদ্ধ লাগিল। অৰ্জুনৰ শৰৰ আঘাতত বহুতো শত্ৰু সৈন্য বিকল হৈ গ'ল । সুশৰ্মাৰ বহুতো সম্বন্ধীয় লোক অৰ্জুনৰ হাতত নিহত হ'ল । ইয়াতে ক্ৰোধিত হৈ কিছুমান সৈন্য লগত লৈ সুশৰ্মা অৰ্জুনৰ সন্মুখীন হ'ল । অৰ্জুনে সকলোকে পৰাস্ত কৰি ভীষ্মৰ সন্মুখীন হবলৈ সেইফালে আগবাঢ়ি গ'ল । ইয়াৰ ভিতৰতে দুৰ্যোধন আদিৰ লগত অৰ্জুনে আকৌ এবাৰ যুদ্ধ কৰিব লগা হ'ল ।

অৰ্জুন গৈ ভীষ্মৰ ওচৰ পোৱাৰ লগে লগে যুধিষ্ঠিৰ, ভীম, নকুল আৰু সহদেৱো গৈ তাত

উপস্থিত হ'ল । ইয়াৰ পাচত পাচো পাণ্ডৱ এক লগ হৈ ভীষ্মৰ লগত যুদ্ধ কৰিবলৈ ধৰিলে ।

পাচপাণ্ডৱে লগ হৈয়ো ভীষ্মক পৰাস্ত কৰিব নোৱাৰিলে । এইসময়তে সৈন্দৱ আহি পাচপাণ্ডৱৰ ধনুবোৰ বিকল কৰি দিলে । দুৰ্যোধনে যুধিষ্ঠিৰ, নকুল আৰু সহদেৱৰ ওপৰত বাণ নিক্ষেপ কৰি তেওঁলোকক বিৰক্ত কৰিলে । শল্য ইত্যাদি কৌৰৱসকলেও পাণ্ডৱসকলক বেয়া ধৰণে বাণেৰে আঘাত হানে ।

ইয়াৰ পাচত যুধিষ্ঠিৰে শিখণ্ডিৰ ওচৰলৈ গৈ কলে - "তুমি ভীষ্মক বধ কৰিবলৈ প্ৰতিজ্ঞা কৰিছা। দেখা নাই, ভীষ্মই কি ভয়ানক যুদ্ধ কৰিছে। মোৰ অনুমান হৈছে ভীষ্মক দেখি তুমি ভয় পাইছা । অতিশীঘ্ৰে গৈ তেওঁক বধ কৰা।"

এই কথা শুনি শিখণ্ডীয়ে ভীষ্মৰ লগত যুদ্ধ

করিবলৈ খণ্ডতে অগ্রসৰ হ'ল । বাটতে শল্যই শিখণ্ডীৰ ওপৰত ভয়ানক আগ্নেয়াস্ত্ৰ প্ৰয়োগ কৰিলে । কিন্তু শিখণ্ডী তাত অকনো বিচলিত নহ'ল । তেওঁ ইয়াৰ পৰিবৰ্তে বৰুনাস্ত্ৰ প্ৰয়োগ কৰিলে ।

ইয়াৰ ভিতৰতে ভীষ্মই যুধিষ্ঠিৰৰ ধনু আৰু ধ্বজা ভাঙি দি সিংহনাদ কৰি উঠিল । যুধিষ্ঠিৰে চিন্তাতে অস্থিৰ হৈ গ'ল ।

ভীমে ক্ৰোধতে জ্বলি উঠিল । তেওঁ গদা লৈ সৈন্ধৱৰ ওপৰত জাপিয়াই পৰিল । সৈন্ধৱেও ভীমৰ ওপৰত বাণেৰে প্ৰহাৰ কৰিবলৈ ধৰিলে। তথাপিতো ভীমে কোনো ভ্ৰুক্ষেপ নকৰি সৈন্ধৱৰ ৰথৰ ঘোঁৰা গদাৰে কোবাই বধ কৰিলে । তেতিয়া দুৰ্যোধনে ভীমৰ ওপৰত আক্ৰমণ কৰিলে । ভীমেও গদা লৈ দুৰ্যোধনৰ মুখামুখি হ'ল । ভীমৰ গদাৰ সন্মুখত তিষ্টিব নোৱাৰি কৌৰৱৰ সেনাবোৰে দুৰ্যোধনক অকালে এৰি তাৰ পৰা পলাই গ'ল। এইদৰে ভীমৰ গদাৰ প্ৰহাৰৰ পৰা ৰক্ষা পাবলৈ চিত্ৰসেনে ৰথৰ পৰা জাপিয়াই পৰিল । ভীমৰ গদাৰ প্ৰহাৰত তেওঁৰ ৰথ চুৰ্ণবিচুৰ্ণ হ'ল । ধৃতৰাষ্ট্ৰ অন্য এজন পুত্ৰ বিকৰ্ণ আগুৱাই আহি সুযোগ বুজি চিত্ৰসেনক নিজৰ ৰথত তুলি লৈ তাৰ পৰা আতৰি গ'ল ।

অলপ পিচতে শিখণ্ডী ভীষ্মৰ সন্মুখলৈ আহি চিঞৰি কবলৈ ধৰিলে - 'ৰখি যোৱা' । কিন্তু ভীষ্মই তেওঁৰ লগত যুদ্ধ নকৰিলে । সূৰ্য্যাস্তৰ সময়লৈকে ধৃষ্টদ্যুম্ন আৰু সাত্যকীয়ে কৌৰৱ সেনাবোৰক বধ কৰিবলৈ ধৰিলে । তেতিয়া বিন্দানুবিন্দে ধৃষ্টদ্যুম্নৰ সন্মুখীন হ'ল আৰু তেওঁৰ ৰথখন ভাঙি পেলালে । তেতিয়া ধৃষ্টদ্যুম্ন সাত্যকীৰ ৰথৰ উঠিলে ।

সেইদিনাৰ যুদ্ধত অৰ্জুনে সুশৰ্মা আদি বীৰসকলক পৰাজিত কৰিলে আৰু ভীমে দুৰ্যোধন আদি কৰি বীৰসকলক পৰাস্ত কৰিলে। সন্ধিয়াৰ লগে লগে যুদ্ধ সমাপ্ত হ'ল আৰু দুয়োপক্ষৰ সৈন্যসকল নিজৰ নিজৰ শিবিৰলৈ উলতি গ'ল। শিবিৰলৈ গৈ সৈন্যবোৰে বানৰ দ্বাৰা হোৱা আঘাতবোৰ পৰিষ্কাৰ কৰি গা পা ধুই যুদ্ধৰ কথা পাহৰি গৈ গান বাজনা বজাই আনন্দও মতলীয়া হ'ল ।

পিচদিনা দুয়োপক্ষৰ সৈন্যসকল যুদ্ধৰ বাবে সাজু হ'ল । দুয়োদলেই ব্যুহ ৰচনা কৰিলে । যুদ্ধৰ আৰম্ভনিতে ভীষ্মই ৰুদ্ৰৰূপ ধাৰণ কৰিলে। ভীষ্মৰ ৰূপ দেখি যুধিষ্ঠিৰে প্ৰধান প্ৰধান যোদ্ধাসকলক ভীষ্মক বিৰুদ্ধে যুদ্ধ কৰিবলৈ পঠালে ।

ভীষ্মই পাণ্ডৱৰ বীৰসকলক বধ কৰিবলৈ

ধৰিলে । তেওঁৰ সন্মুখীন হবলৈ কোনোৱে সাহস কৰিব পৰা নাই । মাথোঁ ভীমেহে সাহসেৰে যুদ্ধ কৰিছে । ভীমেও ভীষ্মৰ সমান ভয়ঙ্কৰ হৈ পৰিল । তেওঁ উগ্ৰমূৰ্তি ধাৰণ কৰি ভীষ্মৰ ৰথৰ সাৰথীক বধ কৰিলে আৰু যুদ্ধ ভূমিৰ পৰা আতৰি যাবলৈ বাধ্য কৰিলে । শেহত ভীষ্মক সহায় কৰিবলৈ আগবাঢ়ি অহা ধৃতৰাষ্ট্ৰৰ পুত্ৰ সুনাথক বধ কৰিলে ।

এই শোকাবহ ঘটনা দেখি ধৃতৰাষ্ট্ৰৰ আৰু সাতজন পুত্ৰ আদিত্য কেতু, বহ্বাশী, কুণ্ডধাৰ, মহোদয়, পণ্ডিতক, অপৰাজিত আৰু বিশালাক্ষই ভীমৰ লগত যুদ্ধ কৰিবলৈ আগবাঢ়ি আহিল । কিন্তু ভীমে সেই সাতোজন ভায়েককে হেলাৰঙে বধ কৰিলে।

এই বিভীষিকা দেখি দুৰ্যোধনৰ শেষ ভায়েক চিন্তিত হৈ পৰিল । দুৰ্যোধনে দুখ মনেৰে গৈ পিতামহ ভীষ্মক কলে - "পিতামহ, আমাৰ সকলোবোৰ ভাইক ভীমে বধ কৰিব ধৰিছে । সিহতে সাহসেৰে যুদ্ধ কৰিছে যদিওভীমৰ আগত তিষ্ঠিব পৰা নাই । ভীমে সিহঁতক মৃত্যুৰ মুখলৈ পঠাইছে । আপুনি আমাৰ প্ৰতি বিশেষ মনোযোগ দিয়া নাই । মই বহুত বিপাঙত পৰিছো ।

দুৰ্যোধনৰ কথা শুনি ভীষ্মৰ খুব খং উঠিল। তেওঁ শোকাভিভূত হৈ থকা দুৰ্যোধনক কলে - "এই কথাটো তুমি আগতে জনা নাছিলানেকি? মই এইসকলোবোৰ কথা তোমাক প্ৰথমতেইতো কৈছিলো । তোমাৰ ভাইসকলৰ ভিতৰত যিয়েই ভীমৰ সন্মুখলৈ যাব ভীমে তাক বধ নকৰাকৈ এনেয়ে এৰি নিদিয়ে । এতিয়া দুখ কৰিলে কি হব? তুমিয়েই এতিয়া পৰাক্ৰমেৰে যুদ্ধ কৰি পাণ্ডৱসকল বধ কৰিব লাগিব ।"

দুপৰীয়ালৈকে যুদ্ধই অতি ভয়ঙ্কৰ ৰূপ ললে। অতি ভয়ানক যুদ্ধ কৰি থকা ভীষ্মৰ সন্মুখত ধৃষ্টদ্যুম্ন সাত্যকী আৰু শিখণ্ডী নিজৰ নিজৰ সৈন্যসকলকলৈ একেলগে হাজিৰ হ'ল। এইদৰে বিৰাট আৰু দ্ৰুপদ ৰজাইও নিজৰ সেনাসকলৰে সৈতে ঘটনা স্থলিত গৈ উপস্থিত হ'ল । ৰ লগতে কৈকেয়, ধৃষ্টকেতু আৰু কুন্তিভোজেয়ো নিজৰ সৈন্য বাহিনী লগত লৈ ভীষ্মৰ সন্মুখীন হ'ল । অৰ্জুনে কৌৰৱ দলৰ অন্যান্য পৰাক্ৰমী বীৰ সকলৰ লগত যুদ্ধ কৰিলে। আনফালে অভিমন্যু, ভীম আৰু ঘটোৎকচে কৌৰৱ সেনাসকলৰ ওপৰত আক্ৰমণ চলাই বধ কৰিবলৈ ধৰিলে ।

ইফালে কৌৰৱৰ যোদ্ধাসকলেও পাণ্ডৱৰ সেনাবাহিনীৰ ওপৰত আক্ৰমণ চলাই বধ

Sankar

কৰিবলৈ ধৰিলে । দ্ৰোণে সোমক আৰু অন্যান্য বীৰক বধ কৰিলে । ভীমৰ হাতত আহত হোৱা কৌৰৱ সেনাবোৰে আৰু দ্ৰোণৰ হাতত ধৰাশায়ী হোৱা পাণ্ডৱ সেনাবোৰে আতঙ্কতে হাহাকাৰ কৰি উঠিল ।

অতি ভয়ঙ্কৰ সেই যুদ্ধত অৰ্জুনৰ পুত্ৰ ঐৰাৱন্তে কৌৰৱ সেনাসকলৰ লগত যুদ্ধ কৰিবলৈ ধৰিলে ।

ঐৰাৱন্তৰ মাতৃ নাগৰাজ ঐৰাৱতৰ কন্যা আছিল । তেওঁৰ পতিক গড়ুৰে বধ কৰে । ইয়াৰ পিচত ঐৰাৱতে তেওঁক অৰ্জুনৰ লগত পঠাই দিয়ে। কিছুদিন পিচত অৰ্জুনৰ ঐৰসত ঐৰাৱতৰ কন্যাৰ গৰ্ভত ঐৰাবন্তৰ জন্ম হয় । ঐৰাৱন্তে নাগ ৰাজ্যতে মাতৃৰ লগত থাকি ডাঙৰ দীঘল হয় । কিন্তু তেওঁৰ খুৰা অশ্বসেনৰ অৰ্জুনৰ লগত বিবাদ আছিল, সেয়েহে অশ্বসেনে তেওঁক ঘৰৰ পৰা বাহিৰ কৰি দিয়ে।

সেই সময়ত অৰ্জুন ইন্দ্ৰলোকত আছিল । ঐৰাৱন্তে ইন্দ্ৰলোকলৈ গৈ অৰ্জুনক দেখা কৰিলে আৰু নিজৰ জন্ম বৃত্তান্ত শুনালে । সকলো বিদ্যাতে নিজৰ সমান যোগ্য পুত্ৰ ঐৰাৱন্তক পাই অৰ্জুন খুব সুখী হল আৰু ঐৰাৱন্তক কলে, "যুদ্ধৰ সময়ত তুমি মোক সহায় কৰিব লাগিব ।" এই কথা মনত কৰি ঐৰাৱন্তে যুদ্ধৰ সময়ত পাণ্ডৱসকলক সহায় কৰিবলৈ ভাল ভাল অশ্বসেনা কিছুমান লগত লৈ যুদ্ধস্থলি আহি পালে।

ঐৰাৱন্তে অশ্বসেনাৰে সৈতে কৌৰৱ সৈন্যক আক্ৰমণ কৰিলে । ইয়াৰ পাচত শকুনিৰ সৰু ভায়েক গজ, গবাক্ষ, বৃষভ, চৰ্মবন্ত, অৰ্জৱ আৰু শুক নামৰ ছজন সৰু ভায়েকে ঐৰাৱন্তৰ অশ্ব সেনাৰ লগত যুদ্ধ কৰিবলৈ আগবাঢ়ি আহিল । তেওঁলোক আতায়ে লগ হৈ ঐৰাৱন্তৰ ওপৰত বাণ বৰ্ষণ কৰিবলৈ ধৰিলে, ঐৰাৱন্তেও আত্মৰক্ষাৰ বাবে তৰোৱাল লৈ আগবাঢ়ি আহিল আৰু বৃষভৰ বাহিৰে বাকী পাঁচজন ভায়েকক বধ কৰিলে ।

ইয়াকে দেখি দুৰ্যোধনে অৰ্ষশৃঙ্গ নামৰ ৰাক্ষস এজনক ঐৰাৱন্তৰ লগত যুদ্ধ কৰিবলৈ পঠালে । দুয়োজনৰ মাজত তুমুল যুদ্ধ লাগে । অৱশেষত ঐৰাৱন্তে আঘাত পাই অচেতন হৈ পৰে । তেতিয়া সেই ৰাক্ষসে তৰোৱালেৰে ঐৰাৱন্তৰ শিৰশ্চেদ কৰে । এইদৰে পাণ্ডৱ বীৰ এজন নিধন হয় । ইয়াকে দেখি কৌৰৱ সেনাসকলৰ মাজত আনন্দৰ ৰোল উঠে ।

-ক্ৰমশঃ

বিবাহ সমস্যা

হেলাপুৰীত বীৰসত্ব নামৰ এজন মানুহে বাস কৰিছিল । তেওঁৰ এজনেই পুত্ৰ আছিল। তেওঁ সুচতুৰ আৰু দেখিবলৈ ধুনিয়া আছিল। বীৰ সত্বই তেওঁৰ পুত্ৰৰ দৰেই এজনী ধুনিয়া, নম্ৰ আৰু কামে কাজে দক্ষ বোৱাৰীৰ সন্ধানত আছিল ।

ইয়াৰ বাবে তেওঁ নিজৰ বন্ধু-বান্ধৱ আৰু জনা শুনা লোকৰ পৰিয়ালাৰ বহুতো ছোৱালী চালে । কিছুমান ছোৱালী নম্ৰ , চতুৰ আছিল কিন্তু দেখিবলৈ ধুনীয়া নাছিল । যিবোৰ দেখিবলৈ ধুনীয়া আছিল তেওঁলোকৰ বুদ্ধিবৃত্তি কম আছিল । তেওঁ কি কৰিব ঠিক কৰিব নোৱাৰা হ'ল । পুত্ৰৰ বিবাহ বীৰসত্বৰ বাবে এটা সমস্যা হৈ দেখা দিলে ।

এদিন ৰামচন্দ্ৰ নামৰ তেওঁৰ এজন সম্বন্ধীয় তেওঁৰ ঘৰলৈ আহিল । বীৰসত্বই তেওঁৰ আগত পুত্ৰৰ বিয়াৰ সমস্যাৰ বিষয়ে আলোচনা কৰিলে আৰু ক'লে -''মই ভাবিছিলো এই বিষয়ত কোনো সমস্যা নহব। সকলো কাম সহজতে হব । কিন্তু কোনো উপায় বিচাৰি পোৱা নাই । মই বহুত চিন্তিত। সিদ্ধান্ত লোৱাত মোৰ কোনো ভুল হোৱা নাইতো ?

ৰামচন্দ্ৰই কিছু সময় চিন্তা কৰি ক'লে - ''লৰা অথবা ছোৱালীক দেখিলে আমি সহজতে কৈ দিব পাৰো তেওঁ ধুনীয়া হয় নে নহয় ? তেওঁ সুস্থ্য হয় নে নহয় ? কিন্তু যদি তেওঁৰ বুদ্ধি - বৃত্তি সম্পৰ্কে জানিব বিচাৰো তেতিয়াহলে তেওঁৰ কথা আৰু কাম দুয়োটাই চাব লাগিব । সম্ভবতঃ তুমিও ছোৱালীৰ ৰূপ

কে .এ . ভি . আঞ্জনেয়

দেখি আৰু দুই এটা প্ৰশ্ন সুধি সেই ভুলেই কৰিছা । যাৰ বাবে এজনী যোগ্য বোৱাৰী বিচাৰি উলিয়া কঠিন হৈ পৰিছে ।

বীৰসত্বই ৰামচন্দ্ৰৰ কথাৰ সত্যতা মানি ললে । পিচদিনা ৰামচন্দ্ৰ যেতিয়া উভতি যাবলৈ ওলাল, বীৰসত্বক মাতি আনি কলে, "এতিয়াহে মোৰ মনত পৰিছে , সুগন্ধিপুৰত বালকৃষ্ণ নামৰ মোৰ এজন চিনা - জনা লোক আছে । তেওঁৰ এজনী বিবাহযোগ্য কন্যা আছে । তুমি এবাৰ তালৈ গৈ ছোৱালীজনী চাই আহা । সম্ভবতঃ তোমাৰ পচন্দ হব । " তেওঁ বালকৃষ্ণৰ ঠিকনা লিখি দিলে ।

এসপ্তাহ পিচত বীৰসত্ব সুগন্ধিপুৰলৈ গ'ল । বালকৃষ্ণৰ ঘৰ বিচাৰি বিচাৰি হঠাতে এঘৰ মানুহৰ সম্মুখত ৰল । তেওঁৰ ঘৰৰ সম্মুখত বোকা আছিল । যোৱা দুদিন ধৰি বৰষুণ হোৱাত আৰু বেচি বোকা হৈছিল । বীৰসত্বই সেই বোকাৰ ওপৰে বালকৃষ্ণৰে ঘৰলৈ যাব লগা হৈছিল । তেওঁৰ ভৰি বোকাৰে ভাৰিগৈছিল ।

বীৰসত্ব গৈ দুৱাৰমুখত থিয় হোৱা দেখি ভিতৰৰ পৰা এজনী যুৱতী ওলাই আহিল । বীৰসত্বই তেওঁক কলে "মাজনী , অলপ পানী আনি দিলে ভৰিদুখন ধুবপাৰিলো হেতেন ।"

"পানীতো আনিমেই , ইয়াৰ আগতে আপুনি কওকচোন আপুনি আমাৰ ঘৰলৈ বুলি আহিছে নেকি ? " যুৱতীয়ে সুধিলে ।

"এইটো বালকৃষ্ণৰ ঘৰ হয় নে ?"



বীৰসত্বই সুধিলে ।

"হয় এইটো তেওঁৰে ঘৰ । এয়া পানী লওক । ভৰি ধুই ভিতৰলৈ আহক । পিতাদেউ ভিতৰতে বহি আছে ।" যুৱতীয়ে এইবুলি কৈ ভৰি ধুবলৈ পানী আগবঢ়াই দিলে।

বীৰসত্বই হাত ভৰি ধুই উঠি যুৱতীজনীয়ে দিয়া গামোচাৰে হাত মচি তেওঁ সুধিলে " মই তোমাক ভৰি ধুবলৈ পানী খুজিছিলো , তেতিয়া তুমি পানী নিদিয়কৈ মোক সুধিছিলা "আপুনি আমাৰ ঘৰলৈ আহিছে নেকি ? " মোৰ উদ্দেশ্য জনাৰ পিচত হে পানী আনি দিছা আৰু মচিবলৈ গামোচাও দিছা । তুমি কিয় এনে কৰিলা মই জানিব পাৰোনে ? তোমাৰ ব্যৱহাৰ মোৰ খুব আচৰিত লাগিছে।"

বীৰসত্বৰ প্ৰশ্নত যুৱতীয়ে অলপ ভয় খাই কৰে - " ইয়াত আচৰিত হোৱাৰ কি কথা? মই ইয়াৰ আগতে আপোনাক কেতিয়াও দেখা নাই । ইয়াৰ মানে আপুনি এই ঘৰৰ বাবে সম্পূৰ্ণ অপৰিচিত । আপুনি যদি আমাৰ ঘৰলৈ বুলি অহা নাই তেতিয়াহলে ভিতৰলৈ অহাৰ কথাই নুথে । আকৌ যদি আপুনি আমাৰ পিতাক ল'গ কৰিবলৈ নহা বুলি জানিও আপোনাৰ ভৰি ধুবলৈ পানী দিলোহেতেন তাত কোনো লাভ নহলহেতেন , কাৰণ আপুনিতো লগে লগে উভতি যাব আৰু যোৱাৰ সময়ত আপোনাৰ ভৰিত পুনৰ বোকা লাগিব ।"

যুৱতীৰ উপযুক্ত উত্তৰ শুনি বীৰসত্ব আচৰিত হ'ল । তেওঁৰ অনুমান হ'ল যুৱতীৰ এই যুক্তিপূৰ্ণ কথা কিমান সত্য । মনে মনে তেওঁ সিদ্ধান্ত ললে এই যুৱতীয়েই মোৰ বোৱাৰী হব । বিয়াৰ বিষয়ে বালকৃষ্ণৰ সৈতে আলোচনা কৰিবলৈ বীৰসত্ব অতি আনন্দেৰে ঘৰৰ ভিতৰলৈ গ'ল ।



চান্দমামা
ভাৰত কী খোঁজ প্ৰশ্নাৱলী

এই সংখ্যাত দিয়া প্ৰশ্নাৱলীৰ উত্তৰ অহা সংখ্যাত প্ৰকাশ কৰা হব। তেতিয়ালৈকে ইয়াৰ উত্তৰ নিজে উলিয়াবলৈ চেষ্টা কৰা আৰু ভাৰতৰ প্ৰাচীন পৰম্পৰাৰ জ্ঞানেৰে নিজকে সমৃদ্ধ কৰা।

1

ক) উত্তৰ ভাৰতত এনে কোন ধৰ্মস্থান আছে যাৰ কাৰ্য্যভাৰ সুদূৰ দক্ষিণ ভাৰতৰ পুজাৰীয়ে পৰিচালনা কৰে ?

খ) দক্ষিণ ভাৰতৰ সেইখন কোন হিন্দু ধৰ্মস্থান যত এজন মুছলমান শ্ৰদ্ধালুৰ সন্মানত কিছু পূজা পদ্ধতি ইছলামৰ দৰে পালন কৰা হয়?

গ) এইটো কোন মন্দিৰ যত ভগবান শ্ৰীকৃষ্ণৰ পূজা তেওঁৰ ককায়েক আৰু সৰু ভনীয়েকৰ লগত একেলগে কৰা হয় ?

ঘ) ভাৰতৰ কোনখন সেই প্ৰসিদ্ধ চহৰ, যিখন মুনি ভৰদ্বাজৰ আশ্ৰমৰ বাবে জনা যায় ?

ঙ) এই গুহা ক'ত অৱস্থিত য'ত ঋষি বেদব্যাসে মহান পৌৰাণিক গ্ৰন্থ " মহাভাৰত" ৰচনা কৰিছিল ?

2

ৰজাৰ একমাত্ৰ ছোৱালীজনী খুব ধুনীয়া আৰু সাহসী আছিল। ৰজাৰ বহুতো শুভকাঙক্ষীয়ে ৰাজ্যৰ উত্তৰাধিকাৰীৰ বাবে তেওঁক এজন পুত্ৰ তোলনীয়া কৰি লবলৈ পৰামৰ্শ দিছিল। কিন্তু ৰজাৰ বিশ্বাস আছিল তেওঁৰ কন্যাই যি কোনো বীৰপুত্ৰৰ দৰে ৰাজ্য শাসন কৰিব পাৰিব।

ৰজাৰ মৃত্যুৰ পিচত ৰাজকুমাৰীৰ ৰাজ্যাভিষেক পতা হল। কিছুদিন ৰাজ্য চলোৱাৰ পিচত তেওঁ প্ৰমান কৰি দিলে যে তেওঁ এজনী দক্ষ শাসনকৰ্ত্তা। কিন্তু তেওঁৰ চুবুৰীয়া ৰাজ্যবোৰে ৰাজকুমাৰী আৰু তেওঁৰ ৰাজ্যখনৰ লালসাত তেওঁলৈ বিবাহৰ প্ৰস্তাৱ পঠাবলৈ আৰম্ভ কৰিলে। প্ৰতিবাৰেই যেতিয়া ৰজকুমাৰীয়ে এই প্ৰস্তাৱ নাকচ কৰিলে তেতিয়া ৰজাবোৰে ক্ৰোধিত হৈ সকলোৱে মিলি তেওঁৰ ৰাজ্য আক্ৰমণ কৰিলে। ৰাজকুমাৰীয়ে সাহসেৰে তেওঁলোকৰ সন্মুখীন হৈ তেওঁলোকক পিচলৈ খেদি দিলে। তেওঁ ঘোঁৰাত উঠি হাতত তৰোৱাল লৈ শত্ৰুপক্ষৰ বেহুৰ মাজত প্ৰৱেশ কৰিলে। যেতিয়া চাৰিওফালৰ পৰা তেওঁক শত্ৰুসকলে বেৰি ধৰিলে তেতিয়া ৰাজকুমাৰীয়ে চিন্তা কৰিলে এতিয়া অস্ত্ৰ পেলাই দিব নে যুদ্ধ কৰি মৃত্যু বৰণ কৰিব। হঠাতে তেওঁ এজন যুৱকৰ সন্মুখত গৈ ৰৈ গ'ল। সেই যুৱক তেওঁৰ শত্ৰু নাছিল। কিন্তু তেওঁৰ মনত আছে এই যুৱকেই এবাৰ বিবাহৰ প্ৰস্তাৱ লৈ তেওঁৰ ওচৰলৈ আহিছিল। তেওঁ অতি সোনকালে বিবাহ কৰালে। সময়ে সময়ে মানুহে ধাৰণা কৰিছিল যে এই ৰাজকুমাৰীয়েই আছিল দেৱী মা আৰু পতি ভগবান শিৱ। ভাৰতৰ এটা প্ৰাচীন মন্দিৰত তেওঁৰ পূজা হবলৈ ধৰিলে।

সেই মন্দিৰ ক'ত আছে ?

তেওঁলোকৰ নাম কি আছিল ? কোন দেৱতা আৰু দেৱীৰ ৰূপত তেওঁলোকক পূজা কৰা হয়।

চান্দমামাই নিবেদন কৰিছে
পৰোপকাৰী সমীৰ
চোৰ-সন্ন্যাসী
চিত্ৰ-পাণী
সমীৰে তেওঁৰ কুকুৰটোৰ লগত গংগাপুৰ-পাওতে বহুত ৰাতি হৈছিল। ৰাস্তাত কোনো মানুহ নাছিল। সকলোৱে দৰ্জা বন্ধ কৰি শুই পৰিছিল। তেওঁৰ পিয়াহ লাগিছিল। তেওঁ পানী বিচাৰি এঘৰৰ দৰ্জাত খটখটৰ ধৰোতে ভিতৰত কিবা শব্দ শুনি ৰৈ গ'ল।
তেওঁ আন এঘৰৰ দৰ্জাৰ ফাকেৰে জুমি চালে। দুজন মানুহ কম্বল উৰি বহি গল্প কৰি আছে।
সমীৰে দৰ্জাত শব্দ কৰি পাণী বিচৰাত তেওঁলোক দুয়ো শুইপৰিল।
তেওঁ ভাবিলে গাৱঁৰ মানুহবোৰ ভয়াতুৰ। তাৰ পৰা তেওঁ গাঁৱৰ মন্দিৰৰ কাষলৈ গ'ল।
তাত তিনিজন মানুহে মদ আৰু খোৱা বস্তু খাই আছিল।
এজনে সমীৰক সুধিলে, " তুমি কোন?
পিয়াহ লাগিছে। খাবলৈ পানী পামনে।
মোৰ লগত এইখিনিয়ে পানী আছে। ইয়াকে খোৱা।

সমীৰে পানী খাই অন্য এঠাইত শুই পৰিল। ৰাতিপুৱা উঠি তেওঁ গাঁৱবাসীক কৰাবালৈ যোৱা দেখিলে। সুধি জানিব পাৰিলে কোনো এজন সন্ন্যাসীক দৰ্শন কৰিবলৈ যায়। তেওঁ এইটো বুজি পালে ....
গাঁৱৰ ঘৰে ঘৰে খুব চোৰহৈ আছে। চোৰৰ প্ৰকোপ বন্ধ কৰাৰ বাবেই তেওঁলোকে সন্ন্যাসীৰ লগত কথা হব। সমীৰৰ সন্দেহ হল। তেওঁৱো তেওঁলোকৰ পিছে পিছে গল।
জয় মা ভৱানী ! বাচা তোমাক কি লাগে।
তেওঁ কলে, বিয়া কৰাবৰ মন।
সন্ন্যাসীৰ শিষ্যজনে তেওঁক ইঙ্গিতেৰে কিবা কলে।
তোমাৰ মনোবাঞ্ছা পূৰ্ণ হব। তোমাৰ বিয়া মই নিজে পাতি দিম।
ধন্যবাদ

ভক্তসকল, মই চোৰ সম্বন্ধে দেৱতাসকলৰ লগত কথা কৈছো। তেওঁলোকে চোৰৰ পৰা তোমালোকৰ গাৱঁ মুক্ত কৰিব। কিন্তু ইয়াৰ বাবে অহা শুক্ৰবাৰলৈ তেওঁলোকে সময় বিচাৰিছে। আপোনালোক নিশ্চিন্তে থাকক। সন্ন্যাসীয়ে গাওঁবাসীক কলে। গাঁওবাসীয়ে সন্ন্যাসীৰ পৰা আশ্বাস পাই গুচি আহিল। সমীৰে গভীৰভাবে চিন্তা কৰিব ধৰিলে।
মানুহবোৰ গুচি যোৱাত সমীৰৰ মনলৈ এটা বুদ্ধি আহিল।
সেইদিনা ৰাতি সমীৰ শিল এটাৰ পাছ ফালে লুকাই সন্ন্যাসীৰ কাৰ্য্যকলাপ লক্ষ কৰিব ধৰিলে। তেওঁ দেখিলে তিনিজন মানুহে টোপোলাত বস্তুলৈ সন্ন্যাসীৰ কাষলৈ আহি আছে।
সিহত তিনিজনে টোপোলাত অনা আভূষনবোৰ সন্ন্যাসীক দেখুৱাব ধৰিছে।
সমীৰে তাৰ পৰা গাঁৱলৈ গুচি আহিলে।
সন্ন্যাসীক দৰ্শন কৰিবলৈ হিমালয়ৰ পৰা বহুতো সাধু সন্ন্যাসী অহাৰ কথা আছে। তেওঁলোকৰ কাৰণে ৰভা বনাব লাগিব। আৰু অন্যান্য দৰকাৰী কামো আছে। সেয়েহে সকলোৱে নিজৰ কোড়, কুঠাৰ লৈ বলা।
সমীৰৰ লগত গাঁওবাসী কোড়, কুঠাৰ লৈ সন্ন্যাসীৰ ওচৰলৈ আহিব ধৰিলে। এই দৃশ্য দেখি সন্ন্যাসীৰ ভয় লাগিল। তেওঁক ভয়তে দৌৰা দেখি মানুহ বোৰ আচৰিত হল।
গুৰু আজি আমি ধৰা পৰিলো।

তোৰ ভণ্ডামি ওলাই পৰিল । তোমাক জীয়াই পুতিবলৈ এইবোৰ সামগ্ৰী লৈ আহিছো ।
কি? কি হ'ল?
বেচেৰাহতক কিমান দিনলৈ ঠগিবা । এইবুলি কৈ সমীৰে সন্ন্যাসীৰ নকল, দাড়ি গোফ খুলি পেলালে । সন্ন্যাসীৰ আচল ৰূপ ওলাই পৰিল ।
গাঁৱৰ মানুহবোৰে সন্ন্যাসীক খুব মাৰিলে । তেওঁলোকৰ হেৰোৱা আ-অলঙ্কাৰ আৰু মালবস্তুবোৰ সমীৰে ওভতাই দিলে ।
চালাকী, চোৰ সন্ন্যাসী আৰু শিষ্য কেইজনক শাস্তি দিয়াৰ পাছত সমীৰ তাৰ কুকুৰটোৰ লগত অন্য গাঁৱলৈ গ'ল ।

Marketed by Gujarat Co-operative Milk Marketing Federation Limited, Anand 388 001. E-mail: cheese@amul.com For FREE home delivery of our products in select cities visit the Amul Cyberstore at www.amul.com

daCunha/ACS/2/2000

চোৰ ডকাইতৰ ভয়

পৰমানন্দ নামৰ এজন খেতিয়ক আছিল । তেওঁৰ জীয়েকৰ বিয়াৰ দিন স্থিৰ কৰা হৈছিল । তেওঁ নিমন্ত্ৰণ পত্ৰ ছাপাই নিজৰ মানুহৰ জৰিয়তে সম্বন্ধীয় লোকসকলক নিমন্ত্ৰণ জণাইছিল । লগতে তেওঁ ইয়াকো কৈছিল যে বিয়ালৈ অহা কোনো তিৰোতা মানুহে যাতে গহনা পিন্ধি নাহে, কাৰণ সেই প্ৰদেশত চোৰ ডকাইতৰ খুব উৎপাত ।

কেই সপ্তাহমানৰ পিচত যি বিবাহ কাৰ্য্য সম্পন্ন হ'ল, গহনা নিপিন্ধাকৈয়ে তিৰোতাবোৰে তাত ভাগ ললে । বিবাহ উপলক্ষে সকলোৱে মিলি - জুলি আনন্দ উপভোগ কৰিলে ।

যেতিয়া বিয়ালৈ অহা আলহীবোৰ উভতি যোৱাৰ সময় হ'ল, তেতিয়া এজনী আদবয়সীয়া তিৰোতাই পৰমানন্দক আহি কলে, "মই গাঁৱৰ মানুহৰ পৰা জানিব পাৰিলো ইয়াত চোৰ ডকাইতৰ কোনো ভয় নাই । কিন্তু আপুনি নিমন্ত্ৰিত সকলক কৈ পাঠাইছিল যে ইয়াত চোৰ ডকাইতৰ খুব ভয়, সেয়েহে তিৰোতাসকলে যাতে গহনা পিন্ধি নাহে । আপুনি কিয় এনে কৰিলে ।"

পৰমানন্দই হাঁহি এটা মাৰি কলে, "মোৰ সম্বন্ধীয়াসকলৰ ভিতৰত ধনীও আছে দুখীয়াও আছে । মই বিচৰা নাছিলো ধনী ঘৰৰ মহিলাসকলে যাতে দুখীয়াসকলৰ আগত নিজৰ ধনৰ গৰ্ব নেদেখুৱাই আৰু মই এইটোও বিচৰা নাছিলো দুখীয়া মহিলাসকলৰ যাতে ধনীসকলক দেখি ঈৰ্ষা নহয় । যেতিয়া ধনী দুখীয়াৰ অন্তৰ মিলি যায়, তেতিয়াহে সকলোৱে মিলিজুলি থাকিব পাৰে । একেলগে বহি কোনো ভেদ ভাব নোহোৱাকৈ বিনা সংকোচে গল্প - গুজব কৰিব পাৰে । সেয়েহে মই জানি বুজিয়েই এই চোৰ ডকাইতৰ ভয়ৰ সৃষ্টি কৰিছিলো ।

- বিজয় লক্ষ্মী



দেহৰক্ষী

বহুদিন আগৰ কথা । শিৱগিৰি দেশৰ ৰজা বীৰভদ্ৰৰ এজন দেহৰক্ষীৰ আৱশ্যক হ'ল। সেই পদৰ যুদ্ধ-বিদ্যাত পাৰ্গত কিমান যে যুৱক আহিল। কিন্তু ৰজাই বিচাৰিছিল সিহঁতৰ যুদ্ধৰ কলা-কৌশল ভালদৰে পৰীক্ষা কৰা হওক । সেই পৰীক্ষাৰ ভাৰ ৰজাই নিজৰ মন্ত্ৰীৰ হাতত দিলে।

মন্ত্ৰীয়ে অতি সাৱধানেৰে সিহঁত আতাইবোৰৰে পৰীক্ষা ললে আৰু শেষত গজসেন আৰু উগ্ৰশক্তি নামৰ দুজন যুৱকক এই পদৰ বাবে নিৰ্বাচিত কৰিলে । কিন্তু ৰজাক এজনহে দেহৰক্ষীৰ আৱশ্যক । মন্ত্ৰীয়ে সিদ্ধান্ত কৰিব পৰা নাছিল এই দুজনৰ ভিতৰত কাক ৰজাৰ দেহৰক্ষী কৰা হয় ।

মন্ত্ৰীয়ে ৰজাৰ আগত সিহঁত দুজনৰ বিষয়ে এইবুলি কলে "মহাৰাজ, গজসেন আৰু উগ্ৰশক্তি দুয়োজনেই পৰাক্ৰমী । সকলো বিদ্যাতে দুয়ো সমান । দেহৰক্ষী হবলৈ দুয়োৰে সমান যোগ্যতা আছে । মই সিদ্ধান্ত কৰিব পৰা নাই এই দুজনৰ ভিতৰত দেহৰক্ষী পদৰ বাবে কাক নিৰ্বাচিত কৰো? আপুনিয়েই সিদ্ধান্ত লব লাগিব এই দুজনৰ ভিতৰত কোন আপোনাৰ দেহৰক্ষী হব।"

"ঠিক আছে, এই বিষয়ত ময়ে সিদ্ধান্ত লম। কিন্তু বাকীবোৰ যুৱকৰ কি হব, যিবোৰে এই পদৰ বাবে আশা কৰি আহিছে? আপোনাৰ দৃষ্টিত সিহঁতবোৰ কোনো কামৰে যোগ্য নহয় নে?" ৰজাই সুধিলে ।

সিহঁতো সাহসী আৰু যোগ্য যুৱক । সিহঁত সকলোবোৰেই সৈন্য বাহিনীত কাম কৰাৰ উপযুক্ত । তাৰ ভিতৰত কিছুমান যুৱকক সেনা নায়ক পদত নিযুক্ত কৰিব পৰা যায় ।" মন্ত্ৰীয়ে নিজৰ মতামত প্ৰকাশ কৰিলে।

"ঠিক আছে, এই বিষয়ে আপুনি নিজেই ঠিক কৰিব, মই অহা কালি পৰ্বতাঞ্চলত থকা উদ্যান বনলৈ যাম । যি গজসেন আৰু উগ্ৰশক্তিৰ কথা আপুনি কৈছে সিহঁতৰ ভিতৰত যিকোনো এজনক দেহৰক্ষী হিচাবে মোৰ লগত যাবলৈ কব ।"

অশোক সাহানী

ৰজাই মন্ত্ৰীক আদেশ দিলে।

পিচদিনা সূৰ্য্যোদয়ৰ আগতে ৰজা আৰু উগ্ৰশক্তি দুয়ো ঘোঁৰাত উঠি উদ্যান বনলৈ যাত্ৰা কৰিলে। উগ্ৰশক্তিৰ ককালত তৰোৱাল, কান্ধত ধনু-শৰ আৰু হাতত যাঁঠি আছিল। তাক এজন অতি উপযুক্ত দেহৰক্ষী যেনেই দেখা গৈছিল।

তেওঁলোকে দুপৰীয়া গৈ উদ্যানবন পালে। সেই ঠাই গৈ পোৱাৰ পাচত ৰজাই কুটীৰত গৈ বিশ্ৰাম ললে। তেতিয়া কিছুমান গাওঁবাসী দৌৰি দৌৰি ৰজাৰ ওচৰলৈ আহি ভয়ে ভয়ে ৰজাক কলে, "মহাৰাজ, আমি বৰ বিপদত পৰিছো। এটা বাঘ আমাৰ গাঁৱৰ ভিতৰলৈ সোমাই আহিছে। বাঘটোৱে আমাৰ গৰু, ছাগলী, ভেৰা আদি মাৰি শেষ কৰিব ধৰিছে। ইয়াতে আমি বাস কৰাই টান হৈ পৰিছে। যিকোনো সময়তে মানুহৰ ওপৰতো আক্ৰমণ কৰিব পাৰে। বাঘৰ ভয়ত আমি সকলোৱে দুৱাৰ বন্ধ কৰি ঘৰৰ ভিতৰতে সোমাই থাকো। এতিয়া আমি কেইজনমানে তাৰ পৰা লুকাই লুকাই এইখিনি আহি পাইছো। মহাৰাজ আপুনিহে আমাক ৰক্ষা কৰিব পাৰে।"

গাওঁবাসীৰ কথা শুনি তৎক্ষণাত ৰাজাই উগ্ৰশক্তিক আদেশ দিলে "উগ্ৰশক্তি, গাওঁবাসীৰ লগত যোৱা আৰু সেই বাঘটোক বধ কৰা।"

"মহাৰাজ, আপোনাৰ আজ্ঞা শিৰোধাৰ্য্য। এই সামান্য কামটোৰ বাবে তৰোৱাল আৰু ধনুশৰৰ কোনো আৱশ্যক নাই। তাৰ বাবে এই যাঁঠি পাতেই যথেষ্ট হব। সেই বাঘটো মাৰি মই এতিয়াই উভতি আহিম।"

যোৱাৰ এঘন্টাৰ ভিতৰতেই ঘূৰি আহি উগ্ৰশক্তিয়ে ৰজাক কবলৈ ধৰিলে "প্ৰভু, মই বহুত



বিচাৰিলো, কিন্তু গাঁৱৰ ভিতৰত সেই বাঘটোৰ কোনো সন্ধান নাপালো। জঙ্গললৈ উলতি গল কিজানি।"

ৰজাই মূৰটো লৰালে মাথোঁ, একো নামাতিলে। সূৰ্য্যাস্তৰ সময় লৈকে তেওঁলোকে ৰাজধানীলৈ উলতিল।

এসপ্তাহৰ পাচত ৰজা আকৌ সেই উদ্যানবনলৈ গ'ল। এইবাৰ তেওঁ গজসেনাক নিজৰ লগত ললে। আগৰবাৰৰ দৰে এইবাৰো কিছুমান গাওঁবাসী কান্দি কান্দি ৰজাৰ ওচৰলৈ আহি বাঘৰ হাতৰ পৰা গাওঁবাসীক ৰক্ষা কৰিবলৈ অনুনয় কৰি কলে; নহলে গোটেই গাওঁবাসীয়ে বাঘৰ হাতত জীৱন দিব লাগিব।

ৰজাই গজসেনাক আদেশ দিলে, গাওঁবাসীৰ লগত গৈ বাঘটো বধ কৰিবলৈ। কিন্তু গজসেনা তাৰপৰা লৰচৰ নকৰিলে।

তাতেই থিয় হৈ থাকিল।

ৰজাই খঙেৰে কলে "শুনা নাই? এয়া ৰজাৰ আদেশ।"

গজসেনে অতি নম্ৰভাৱে কলে "প্ৰভু, ক্ষমা বিচাৰিছো, মই ইয়াত অকল আপোনাক এৰি যাব নোৱাৰো। গাওঁবাসী ৰাজধানীলৈ গৈ মন্ত্ৰী মহোদয়ৰ লগত কথা হৈ আন কাৰোবাক সহায়ৰ বাবে আনিব পাৰে। মই আপোনাৰ দেহৰক্ষী। আপোনাক ৰক্ষা কৰা মোৰ প্ৰথম কৰ্ত্তব্য।

"ইমান মানুহৰ সন্মুখত মোক অপমান কৰিলা? জানানে, মোৰ আদেশ পালন নকৰাতো কিমান ডাঙৰ অপৰাধ। আৰু এই অপৰাধৰ বাবে তোমাৰ কিমান ডাঙৰ শাস্তি হব পাৰে? ৰজাই খঙেৰে কলে।

"আপোনাৰ আজ্ঞা পালন কৰিব নোৱাৰা বাবে মই আপোনাৰ ওচৰত ক্ষমা বিচাৰিছো। মই কেৱল মাথোঁ আপোনাৰ দেহৰক্ষী।" গজসেনাই নিৰ্ভয় হৈ বিনীতভাৱে কলে।

ৰজাই একো নমতাকৈ চুপ হৈ থাকিল। ইয়াৰ পাচত, ৰাজধানীলৈ গৈ ইয়াৰ এটা ব্যৱস্থা কৰিম বুলি গাওঁবাসীক আশ্বাস দি তাৰপৰা তৎক্ষণাত ওলাই আহিল।

সেই ৰাতিয়ে ৰজাই মন্ত্ৰীক অন্তঃপুৰলৈ মাতি পঠালে আৰু উদ্যানবনত ঘটা সকলো কথা তেওঁৰ আগত কলে। ৰজাই আকৌ মন্ত্ৰীক কলে যে, "সেনাবাহিনীৰ যি পদতে উচিত হব তাতে উগ্ৰশক্তিক মকৰল কৰক। গজসেনক মোৰ দেহৰক্ষীৰ পদত নিযুক্ত কৰক।

ৰজাৰ সিদ্ধান্তত মন্ত্ৰীয়ে আচৰিত হৈ কলে, মহাৰাজ, "গজসেনে আপোনাৰ আজ্ঞা পালন নকৰিলে। আপোনাক গাওঁবাসীৰ আগত অপদস্থ কৰিলে। তথাপিতো আপুনি তেওঁকে দেহৰক্ষী হিচাৱে বিচাৰিছে?"

ৰজাই তেতিয়া কলে - "তেওঁ মোৰ আজ্ঞা পালন নকৰাতো সঁচা। তেওঁ জানিছিল ইয়াৰ বাবে তেওঁৰ মৃত্যুদণ্ডও হব পাৰে। কিন্তু নিজৰ কৰ্ত্তব্য পালন কৰাত তেওঁ অবিচল আছিল। দেহৰক্ষীৰ কৰ্ত্তব্য হ'ল যিকোনো পৰিস্থিতিতে ৰজাক ৰক্ষা কৰা আৰু সেই কৰ্ত্তব্য গজসেনে অতি দক্ষতাৰে পালন কৰিছে। তেওঁৱেই মোৰ দেহৰক্ষক হব। উগ্ৰশক্তি সাহসী, কিন্তু বুদ্ধিমান নহয়।"

গজসেনে ৰজাৰ দেহৰক্ষীৰ পদ পালে।

বঁটা - বেমাৰ

ৰজা সুন্দৰবৰ্মাদেৱে যেই-সেই কথাত যেই-সেই মানুহক পুৰস্কাৰ প্ৰদান কৰি আনন্দ লাভ কৰিছিল । তেওঁৰ বয়স বঢ়াৰ লগে লগে পুৰস্কাৰ দিয়াৰ অভ্যাসেও ডাল-পাত মেলিবলৈ ধৰিলে । মহামন্ত্ৰীয়ে চেষ্টা কৰিও ৰজাৰ এই অভ্যাস বন্ধ কৰিব নোৱাৰিলে ।

এদিন, উদ্যানত পাইচাৰি কৰি থাকোঁতে হঠাৎ ৰজাই তাত এটা বিচিত্ৰ চৰাই দেখা পাই প্ৰহৰীক ক'লে চৰাইটো ধৰিবলৈ । ধৰিলে প্ৰহৰীয়ে । ৰজাৰ লগত থকা মন্ত্ৰী আৰু সেনাপতিলৈ চাই ৰজাই প্ৰশ্ন কৰিলে, "এই চৰাই কি চৰাই । নাম কি?"

মন্ত্ৰী-সেনাপতি আদিয়ে ক'ব নোৱাৰিলে। তেতিয়া বাটৰুৱা এজনে ৰজাক ক'লে "মহাৰাজ, চৰাইটো এটা নতুন চৰাই, তাৰ নাম তাকেই নোসোধে কিয়?"

"বঢ়িয়া কৈছা!" এই বুলি কৈ, ৰজাই তেওঁৰ হাতত থকা ৰাজখাৰু এডাল পুৰস্কাৰস্বৰূপে মানুহজনক দি - চৰাইটোক তাৰ নামটো সুধিলে ।

তেতিয়া আন এজন বাটৰুৱাই আগুৱাই আহি ক'লে, "মহাৰাজ, চৰাইটো একদম কলা । আপুনি তাক যিমানেই কবা নোসোধক, সি শুনিও নাপাব, উত্তৰো নিদিব।"

ৰজাই এই মানুহজনকো আন এপদ অলংকাৰ পুৰস্কাৰ দিলে । মহামন্ত্ৰীয়ে ভাবিলে ৰাজ-ৰাজোৱানৰ কথাৰ মাথা-মুণ্ড বিচাৰি পোৱা টান । ইয়াত থকা আটাইবোৰ মানুহেই যে উপহাৰ নাপাব - তাৰ মানে নাই । মহামন্ত্ৰীয়ে চৰাইটোক এৰি দিবলৈ পহৰীক ইংগিত কৰাত প্ৰহৰীয়ে এৰি দিলে ।

মহামন্ত্ৰীয়ে ৰজাক ক'লে, 'মহাৰাজ, ষিটো চৰায়ে ৰজাই সুধিলেও নামাতে, নুশুনে, উত্তৰ নিদিয়ে ৰজাৰ কথাৰ-তাক লাই দি নো কি লাভ? উৰি গ'ল, লেঠা গুচিল।"

"চা - ব্বাইচ! চাব্বাইচ!" ৰজাই ক'লে, "দাৰুণ কথা, লাখ কথাৰ এক কথা কৈছোহে!" এই বুলি কৈ ৰজাই মহামন্ত্ৰীৰ ডিঙিত নিজৰ মুকুতাৰ হাৰডাল পিন্ধাই দিলে।

ফটো নামকৰণ পতিযোগিতা

কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোস্টকাৰ্ডত উত্তৰ লিখি পঠাবা ।

ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা,

৮২, (পুৰাতন ৯২), ডিফেন্স আফিসাৰ্স কলোনী, একাতু থাঙ্গাল, চেন্নাই - ৬০০ ০৯৭

এই মাহৰ ২৫ তাৰিখৰ ভিতৰত উত্তৰ পাব লাগিব । বিজয়ী প্ৰতিযোগীক ১০০ টকা পুৰস্কাৰ দিয়া হব । পুৰস্কাৰ পাওতা জনৰ নাম অহা সংখ্যাত প্ৰকাশ কৰা হব !

অভিনন্দন

নিতুল বৰুৱা

মাৰফৎ - সুনন্দ বৰুৱা

চানমাৰী,

গুৱাহাটী - ৩

প্ৰথম ফটো : জঙ্গলত বাঘৰ সংখ্যা গৈছে কমি

দ্বিতীয় ফটো : সেয়েহে কৃত্ৰিম জন্তুৰ লগত উমলিছো আমি

চান্দমামাৰ বছৰেকিয়া বৰঙনি

সাধাৰণ ডাকযোগে ভাৰতত ১২০.০০ টকা

Payment in favour of CHANDAMAMA INDIA LIMITED. For details address your enquires to:

New 82 (old 92), Defence Officers Colony, Ekkatuthangal, Chennai - 600 097.

MILLENNIUM OFFER

GOODIES for KIDDIES

Avail our
Special Gift Offer
before January 1, 2001

A DASH! watch free with
3-year subscription to

CHANDAMAMA

AVAILABLE IN 12 LANGUAGES

Remit Rs. 360/- by Draft or M.O favouring
Chandamama India Limited
to:
Publication Division,
Chandamama India Limited,
82, Defence Officers' Colony,
Guindy Industrial Estate P.O., Chennai 600 032.
E-mail: ***chandamama@vsnl.com***



The models shown here are only indicative.

Wow watches from Titan

Offer valid on 3-year subscriptions within India and till stocks last. Conditions apply.

CHANDAMAMA (Assamese) DECEMBER 2000 Registrar of Newspapers, India RN30278/76